● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



যৌৱনটো আনন্দময় কিয়নো ইয়াৰ সৌন্দৰ্য চোৱাৰ সামৰ্থ্য থাকে। যিজন ব্যক্তিৰ সৌন্দৰ্য বিচাৰি উলিওৱাৰ ক্ষমতা আছে, তেওঁ কেতিয়াও বৃদ্ধ নহয়।

ফ্ৰাঞ্জ কাফকা
*বিশ্ববিখ্যাত ঔপন্যাসিক*

www.dainikagradoot.in

৭ আই আই এম ৰাইপুৰত নতুন ইতিহাস
১৫ এদিনীয়া ৰেংকিঙত উন্নীত ভাৰত
৪ আলফা আচলতে কাৰ সমস্যা ?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৭৯তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২ শাওণ ১৪২৯ ভাস্কৰাব্দ ১৯ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 19 July 2022 মূল্য ঃ ৯.০০ টকা

## প্ৰতিষ্ঠান ধ্বংস-সমাজ ধ্বংস

■ সঞ্জীৱ সভাপণ্ডিত



অসম আন্দোলনৰ ভৰপক সময়ছোৱাত (১৯৭৯-৮৫) যেতিয়া আমিবোৰ এটা শিক্ষাবৰ্ষ লোকচানৰ কাৰণে বিতত হৈ পৰিছিলো, যেতিয়া দিনে দিনে প্ৰতিদিনে অবৈধ বাংলাদেশীৰ আগ্ৰাসনৰ ভয়ংকৰ তথ্য তথা ছবি আমাৰ আগত উদ্ভাসিত হ'বলৈ ধৰিছিল, যেতিয়া আমাৰ ৰাজ্য-মাটি-ভাষা-সম্পদ-ভৱিষ্যৎ-সংস্কৃতিৰ প্ৰতি সৃষ্টি হোৱা অশনি সংকেত তীব্ৰগতিত ১০ পৃষ্ঠাত চাওক

■ আলফা গমন ৰোধৰ বাবে কৌশল সলনি অসম আৰক্ষীৰ ■ সামাজিক মাধ্যমত প্ৰকাশিত প'ষ্ট অনুসৰণ কৰি চিনাক্তকৰণৰ ব্যৱস্থা ■ বিগত সময়ছোৱাত গ্ৰেপ্তাৰ কমেও ৩৯গৰাকী যুৱক-যুৱতী

# কাউন্সিলিং ব্যৰ্থ বাবেই গ্ৰেপ্তাৰ আৰম্ভ

কাউন্সিলিঙৰ পাছতো নিষিদ্ধ সংগঠনলৈ চাৰিজন ■ বৰ্ষাশ্ৰীৰ মুক্তিৰ পথ প্ৰশস্ত হ'ব পাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** বিগত প্ৰায় ডেৰ বছৰ ধৰি অসমৰ বহুসংখ্যক যুৱক-যুৱতী পুনৰ নিষিদ্ধ সংগঠন আলফা (স্বাধীন) মুখী হোৱাৰ প্ৰৱণতা ৰোধ কৰিবলৈ অসম আৰক্ষীয়ে হাতত লোৱা 'কাউন্সিলিঙ'ৰ পদ্ধতি ফলপ্ৰসূ নোহোৱাত শেহতীয়াভাৱে গ্ৰেপ্তাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই পদ্ধতিয়ে কাম দিছে বুলি আজি সদৰী কৰে আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই। আলফাৰ সমৰ্থনত কবিতা লিখাৰ অভিযোগত প্ৰায় দুমাহ ধৰি কাৰাৰুদ্ধ হৈ থকা কলেজীয়া ছাত্ৰী বৰ্ষাশ্ৰী বুঢ়াগোহাইৰ প্ৰসংগত আজি এইদৰে কয় আৰক্ষী মুৰব্বীজনে। তেওঁ কয় যে কাউন্সিলিঙৰ কৌশলে কাম নিদিয়াত এতিয়া আৰক্ষীয়ে ইয়াক সলনি কৰি গ্ৰেপ্তাৰ কৰিবলৈ আৰম্ভ কৰিছে। গ্ৰেপ্তাৰৰ পদ্ধতি সফল হোৱা বুলি দোহাৰি সঞ্চালকপ্ৰধান মহন্তই কয় যে ইয়াৰ পাছত সম্প্ৰতি আলফালৈ যোৱা যুৱক-যুৱতীৰ সংখ্যা হ্ৰাস পাইছে। আৰক্ষী সঞ্চালকপ্ৰধানজনে সাংবাদিকক কোৱা অনুসৰি এতিয়া যদি কোনো যুৱক-যুৱতীৰ মাজত আলফালৈ যোৱাৰ প্ৰৱণতা দেখা যায় তেন্তে তেওঁলোকৰ ওপৰত কঠোৰ দৃষ্টি ৰখা হ'ব। ইয়াৰ পাছতো যদি আঁকোৰগোজ স্থিতি গ্ৰহণ কৰি আলফালৈ যাব বুলি দৃঢ়তা প্ৰকাশ কৰে তেন্তে সেইসকলক গ্ৰেপ্তাৰ কৰা হ'ব।

অসম আৰক্ষীৰ শীৰ্ষ সূত্ৰত প্ৰকাশ যে যোৱা এবছৰে আলফালৈ সহৃদয়তা প্ৰকাশ কৰা বা যাব বুলি ১০ পৃষ্ঠাত চাওক



*ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ভোটদান কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙে।*

## আলফাৰ সমৰ্থনত ফেচবুকত লিখি গ্ৰেপ্তাৰ হ'ল কলেজীয়া ছাত্ৰ



**অগ্ৰদূত বাৰ্তা**

**কলাইগাঁও, ১৮ জুলাই ঃ** কিছুদিন পূৰ্বে ফেচবুকত আলফাৰ সমৰ্থনত কবিতা লিখি কাৰাবন্দী হোৱা বৰ্ষাশ্ৰী বুঢ়াগোহাঁইক লৈ সমগ্ৰ অসমতে ব্যাপক চৰ্চা অব্যাহত থকাৰ সময়তে আজি ওদালগুৰি জিলাৰ কলাইগাঁৱৰ বৰঙাবাৰীৰ ছাত্ৰ প্ৰমোদ কলিতা আলফাৰ সমৰ্থনত ফেচবুকত লিখি ছয় পৃষ্ঠাত চাওক

■ পৰিবহণ নিগমত নিয়ম-নীতি উলংঘাৰে নিযুক্তি ■ মুখ্যমন্ত্ৰীৰ নিৰ্দেশত ৬০ দিনৰ ভিতৰত তদন্ত কৰি দিয়া হ'ব অব্যাহতি ■ তিনি পৰিচালন সঞ্চালকৰ কাৰ্যকাল তদন্তৰ আওতালৈ

# মন্ত্ৰী পাটোৱাৰীৰ ২,২৭৪ অবৈধ নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ আমোলত ৰাজ্যৰ পৰিবহণ বিভাগত স্বজন-তোষণ আৰু ৰাজনৈতিক প্ৰভাৱেৰে চলা নিযুক্তিৰ তথ্য বিভাগীয় পৰ্যালোচনা বৈঠকত উন্মোচিত হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত অসম ৰাজ্যিক পৰিবহণ নিগমত ২,২৭৪ জন ঠিকাভিত্তিক কৰ্মচাৰীৰ নিযুক্তি প্ৰক্ৰিয়াৰ তদন্ত আৰম্ভ হৈছে। যোৱা ২৭ জুনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিবহণ বিভাগৰ কাম-



কাজৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনাত পোহৰলৈ আহে যে ৰাজ্যিক পৰিবহণ নিগমৰ বিভিন্ন পদত ২,২৭৪ জন ঠিকাভিত্তিক কৰ্মচাৰী আছে। উত্থাপিত অভিযোগ অনুসৰি, নিয়োগ প্ৰক্ৰিয়াৰ কোনো নীতি-নিয়ম নমনাকৈ এইসকলক নিযুক্তি দিয়া হৈছিল। সেয়েহে মুখ্যমন্ত্ৰীয়ে ৬০ দিনৰ ভিতৰত সেইসকলৰ নিযুক্তি প্ৰক্ৰিয়াৰ তদন্তৰ নিৰ্দেশ দিয়ে। তদন্তত নিযুক্তিত অনিয়ম প্ৰমাণিত হ'লে তেন্তে সেই সময়ত দায়িত্বত থকা নিগমৰ পৰিচালন সঞ্চালকক কাৰণ ১০ পৃষ্ঠাত চাওক

ধনৰ জৰিয়তে ভোটত ভাঙোন অনা হৈছে ঃ সিন্‌হা ■ আৰম্ভণিতে ভোট দিলে প্ৰধানমন্ত্ৰী মোদীয়ে ■ হুইল চেয়াৰত আহিল ড° সিং

৭৩০ প্ৰতিনিধিৰ ভোটদান সংসদ ভৱনত ■ অনুপস্থিত থাকিল আঠ

# ধনৰ লেনদেনৰ অভিযোগৰ মাজেৰে সমাপ্ত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৮ জুলাই ঃ** দেশৰ ৭৩০গৰাকী জনপ্ৰতিনিধিৰ ভোটদান আৰু ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ গুৰুতৰ অভিযোগৰ মাজেৰে আজি সম্পন্ন হ'ল বহুপ্ৰত্যাশিত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ। আজি দিনজুৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙকে ধৰি ৭৩০গৰাকী জনপ্ৰতিনিধিয়ে ভোট দিয়ে। ইয়াৰ বিপৰীতে আঠজন সাংসদ অনুপস্থিত থাকে। পুৱা ১০ বজাত আৰম্ভণিতে ভোটদান কৰে প্ৰধানমন্ত্ৰী মোদী আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই। দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি নিৰ্বাচন কৰিবলৈ সংসদ ভৱনত শাৰী পাতে সাংসদসকলে। প্ৰধানমন্ত্ৰী মোদী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° সিঙকে ধৰি পুৱা ডেৰ ঘণ্টাৰ ভিতৰতে ৩৫০গৰাকী জনপ্ৰতিনিধিয়ে ভোট দিয়ে।

আজি নিৰ্বাচনৰ পাছত ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল তথা এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ বিজয় নিশ্চিত হৈছে। আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী ১০ পৃষ্ঠাত চাওক

## বিৰোধী পক্ষক উপেক্ষাৰ অভিযোগ তুলি মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ ২৫ বিধায়কৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** অসম চৰকাৰ তথা মুখ্যমন্ত্ৰীয়ে শাসক-বিৰোধী সকলো বিধায়কক সমদৃষ্টিৰে চোৱাৰ কথা কৈ আহিলেও বাস্তৱত তাৰ বিপৰীত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। সেয়েহে আজি ১০ পৃষ্ঠাত চাওক

গ্ৰীষ্মৰ দহনৰ মাজতে অসমত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ উত্তাপ ■ আমাৰ ২৬টা পাব সিন্‌হাই ঃ দেৱব্ৰত ■ বৃহৎ ভোটত জয়ী হ'ব মুৰ্মু ঃ পীযুষ

# হেলিকপ্টাৰেৰে আহিও ভোট দিলে শাসকীয় বিধায়কে, দুজন হজত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনক লৈ আজি অসম বিধানসভা সচিবালয় প্ৰাণচাঞ্চল্যৰে ভৰি পৰে। আজি পুৱাৰ ভাগত সকলো দলৰ বিধায়কসকল ভোটদানৰ বাবে উপস্থিত হয় বিধানসভা চৌহদত। এজনৰ পাছত আনজনে শাৰীপাতি ভোটদান কৰে। আৰম্ভণিতে ৰাজ্যিক বিজেপিৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ মন্ত্ৰী ৰঞ্জিত দাসসহ চাৰিজনে ভোট দিয়ে। ইয়াৰ পাছৰে পৰা আৰম্ভ হয় এজনৰ পাছত আনজনৰ ভোটদান। ইয়াৰ মাজতে ভোট দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত ১০ পৃষ্ঠাত চাওক



## সন্দেহজনক ভোটাৰৰ জাননী পালেও কাঠগৰাত থিয় নহ'বলৈ আহ্বান

চৰকাৰী পেঞ্চন ভোগী মহিলাকো জাননী প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**কলগাছিয়া, ১৮ জুলাই ঃ** অসমৰ লাখ লাখ ভাৰতীয় নাগৰিকক 'ডি' তথা সন্দেহজনক ভোটাৰ সজাই চৰকাৰে হাৰাশাস্তি কৰা বুলি আজি অভিযোগ কৰে 'ডি' ভোটাৰ মঞ্চৰ সম্পাদক ফাৰুক খানে। আজি ইয়াত এক সংবাদমেলত খানে কয় যে বৈধ ভাৰতীয়সকলক আৰক্ষীয়ে 'ডি' ভোটাৰ সজোৱাৰ পাছত বিদেশী ন্যায়াধিকৰণৰ বিচাৰৰ ওপৰত ছয় পৃষ্ঠাত চাওক

■ বিশ্বাস-অবিশ্বাস-বিশ্বাসঘাতকতাক লৈ সৰৱ পৰিৱেশ বিধানসভা

■ শাসক বনাম বিৰোধী-বিৰোধী বনাম বিৰোধীৰ মাজত বাক বিতণ্ডা

# ৰাষ্ট্ৰপতি নিৰ্বাচনতে ৰাজ্যত আকৌ এবাৰ প্ৰকট হ'ল অসুস্থ ৰাজনীতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে আজি অসম বিধানসভাতো ভোটগ্ৰহণ অনুষ্ঠিত হয়। এই ভোটগ্ৰহণক লৈ বিধানসভা চৌহদত শাসক-বিৰোধীৰ মাজত ৰাজনৈতিক বাক-বিতণ্ডাও তুংগত উঠে। এই বাক-বিতণ্ডা কেৱল শাসক-বিৰোধীৰ মাজতে নহয় বিৰোধীৰ নিজৰ মাজতো দৃষ্টিগোচৰ হয়। প্ৰলোভন, বিশ্বাসঘাতকতা, পূৰ্বৰ কৰ্মৰ প্ৰতিফল আদি বিষয়ৰ লগতে ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰ নামতো চলা বাক-বিতণ্ডাই ৰাজ্যৰ ৰাজনীতিৰ ক্ষেত্ৰখনৰ বৰ্তমানৰ অৱস্থাটোক উদঙাই দিয়ে।

আজি নিৰ্বাচনত এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৱে অসমত বিৰোধীৰো ভোট লাভ কৰিবলৈ সক্ষম হয় নেকি বুলিও বিশেষ চৰ্চা চলে। এই চৰ্চাৰ মাজতে মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে যিহেতু দ্ৰৌপদী মুৰ্মু বৃহৎ ভোটৰ ব্যৱধানত বিজয়ী হোৱাটো ১০ পৃষ্ঠাত চাওক

■ ৰাষ্ট্ৰীয় ফৰেনচিক বিজ্ঞান বিশ্ববিদ্যালয়ত অনুমোদন কেবিনেটৰ ■ মুম্বাইত অসম চৌহদ স্থাপনৰ বাবে ভূমি

# আৰ্থিকভাৱে দুৰ্বলৰ প্ৰমাণপত্ৰ লাভত বৃদ্ধি কৰিলে শিথিলতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** ৰাজ্যত আৰ্থিকভাৱে দুৰ্বল শ্ৰেণী (ই ডব্লিউ এছ)ৰ প্ৰমাণপত্ৰ সংগ্ৰহৰ ক্ষেত্ৰত আজি ৰাজ্যিক কেবিনেটে ব্যাপক সংশোধনীত অনুমোদন দিয়ে। ই ডব্লিউ এছ প্ৰমাণপত্ৰ বছৰি আঠ লাখ টকাৰ কম উপাৰ্জন কৰা পৰিয়ালে লাভ কৰে। ইয়াৰ লগতে তেওঁলোকৰ আনুষংগিক কে'বাটাও চৰ্ত পূৰণ হ'ব লাগে। আজি অনুমোদন দিয়া সংশোধনীত বছৰি আয়ৰ পৰিমাণ একে ৰাখিলেও আনুষংগিক বিষয়বোৰৰ ক্ষেত্ৰত প্ৰমাণপত্ৰ লাভৰ সুবিধা ১০ পৃষ্ঠাত চাওক

## মনোনয়ন দাখিল ধনখড়ৰ, আজি দাখিল কৰিব আলভাই

ছয় আগষ্টত অনুষ্ঠিত হ'ব উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচন

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৮ জুলাই ঃ** অহা ছয় আগষ্টত অনুষ্ঠিত হ'বলগীয়া উপ-ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ বাবে আজি এনডিএৰ প্ৰাৰ্থী তথা পশ্চিমবংগৰ প্ৰাক্তন ৰাজ্যপাল জগদীপ ধনখড়ে মনোনয়ন দাখিল কৰে। তেওঁক সংগ দিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি ১০ পৃষ্ঠাত চাওক

■ তালিকাত পাঁচ এপিএছ বিষয়া অন্তৰ্ভুক্ত

## এপিএছচিৰ ২০১৪ৰ কেলেংকাৰিৰ তদন্ত আৰম্ভ ১০ বৰ্খাস্ত বিষয়ালৈ চমন

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**গুৱাহাটী, ১৮ জুলাই ঃ** ৰাজ্য কঁপোৱা লোকসেৱা আয়োগৰ ২০১৩ৰ নিযুক্তি কেলেংকাৰিৰ পাছত ২০১৪ৰ কেলেং... তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিলে এজনীয়া ... আয়োগে। ২০১৩ৰ লোকসেৱা আয়ো... সংঘটিত হোৱা কেলেংকাৰিৰ তদন্ত প্ৰ... দাখিলৰ পাছতে শেহতীয়াকৈ ২০১৪ৰ নিযুক্তি কেলেংকাৰিৰ তদন্ত পুনৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা নেতৃত্ব এজনীয়া তদন্ত আয়োগক দায়িত্ব অৰ্পণ কৰাৰ পাছতে আজি আয়োগে ৮ পৃষ্ঠাত চাওক

## স্বাধীনতা দিৱসত ৰাজ্যৰ ৮০ লাখ গৃহ-প্ৰতিষ্ঠানত উৰিব ত্ৰিৰংগা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে অসমতো অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে ৮০ লাখ বাসগৃহ, কাৰ্যালয় আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত জাতীয় পতাকা উত্তোলনৰ লক্ষ্য লৈছে ৰাজ্য চৰকাৰে। কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ উদ্যোগত গ্ৰহণ দুই পৃষ্ঠাত চাওক

## উদ্ধাৰ হ'ল আৰক্ষী নিৱেশৰ পৰা চুৰি হোৱা এ কে-৪৭ৰ গুলি



**বিশেষ সংবাদদাতা**


**নগাঁও, ১৮ জুলাই ঃ** অৱশেষত নগাঁও পুলিচ ৰিজাৰ্ভৰ আৰক্ষীৰ আবাসৰ পৰা যোৱা ন জুলাইত চুৰি হোৱা এ কে-৪৭ ৰাইফলৰ ৯০ জাঁই সক্ৰিয় গুলি উদ্ধাৰ কৰিলে আৰক্ষীয়ে। নগাঁৱৰ ফৌজদাৰীপট্টিৰ পানী ছয় পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৬° |
| ডিব্ৰুগড় | ৩০° | ২৬° |
| দিল্লী | ৩৫° | ৩০° |
| কলকাতা | ৩২° | ২৭° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৪° | ১৯° |

*১৮ জুলাই, ২০২২*

**চেঙা তেল**



*নাই ছাৰ, প্ৰতিবাদ আৰু নাই! সেয়া দলত যোগদানৰহে কছৰৎ চলিছে! নিশ্চিন্ত মনে থাকক!*

■ পল্টনবজাৰ ৰেল ষ্টেছনৰ কাউণ্টাৰত নাথাকে খুচুৰা টকা ঃ খুচুৰা নিদিলে যাত্ৰীক নিদিয়ে টিকট ঃ যাত্ৰা বাতিল হোৱাৰ ভয়ত অতিৰিক্ত টকা এৰি আহিবলৈ বাধ্য হয় যাত্ৰী

# খুচুৰাৰ অজুহাতত অতিৰিক্ত ধন আদায়

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** উত্তৰ-পূবৰ মুখ্য চহৰ তথা ৰেল যাতায়াতৰ মূল কেন্দ্ৰবিন্দু গুৱাহাটী ৰেল ষ্টেছনত যাত্ৰীক টিকট প্ৰদানৰ নামত দীৰ্ঘদিন ধৰি এক বৃহৎ ছিণ্ডিকেট চলি অহাৰ অভিযোগ উত্থাপন হৈছে। দৈনিক হেজাৰ হেজাৰ যাত্ৰীয়ে নিজৰ গন্তব্য স্থানলৈ যোৱাৰ উদ্দেশ্যে পল্টনবজাৰ



ষ্টেছনত উপস্থিত হৈ দীঘলীয়া শাৰী পাতি কোনোমতে কাউণ্টাৰৰ পৰা যাত্ৰাৰ টিকট সংগ্ৰহ কৰা অধিকাংশ যাত্ৰীয়ে সংশ্লিষ্ট কাউণ্টাৰত খুচুৰাৰ অভাৱত অতিৰিক্ত ধন এৰি আহিবলৈ বাধ্য হৈ পৰে বুলি অভিযোগ উঠিছে। উল্লেখ্য যে পল্টনবজাৰ ৰেল ষ্টেছনৰ টিকট কাউণ্টাৰত ছয় পৃষ্ঠাত চাওক

■ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীত ঘোষণা কৃষিমন্ত্ৰী অতুল বৰাৰ



## কৃষি কাৰ্যালয় চৌহদত ১০ লাখ গছপুলি ৰোপণ কৰিব বিভাগে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** ৰাজ্যৰ কৃষি বিভাগৰ অধীনস্থ বিভিন্ন কাৰ্যালয়, বীজপাম আদিৰ চৌহদত ১০ লাখ গছপুলি ৰোপণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বিভাগে। আজি গুৱাহাটীৰ খানাপাৰাত থকা কৃষি সঞ্চালকালয় চৌহদত মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে কৃষিমন্ত্ৰী অতুল বৰাই। তেওঁ আৰু কয় যে বিশ্বজুৰি হোৱা জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱে অসমকো চুই গৈছে আৰু ব্যাপক বনানীকৰণেহে এই সমস্যাৰ সমাধান ঘটাব পাৰে। অকল গছপুলি ৰোৱাই নহয়, পৰৱৰ্তী সময়ত ইয়াৰ ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্রদূত

গুৱাহাটী, ১৯ জুলাই, ২০২২ মঙ্গলবাৰ পৃষ্ঠা তিনি

## কাঁহিকুছিত প্ৰধানমন্ত্ৰীৰ আবাস যোজনাৰ গৃহ নিৰ্মাণৰ নতুন আৰ্হিৰ ঘৰৰ উদ্বোধন মন্ত্ৰী দাসৰ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৮ জুলাই ঃ** অসমখনৰ ভৌগোলিক স্থিতি ৰাজ্যখনত সকলোতে একে নহয়। ক'ৰবাত যদি পাহাৰ, ক'ৰবাত আকৌ সমতল। তেনেদৰে কিছুমান অঞ্চল বছৰটোৰ ছয় - সাতমাহ ধৰি পানীৰ তলত থাকে। গতিকে ভৌগোলিক স্থিতি অনুসৰি ৰাজ্য চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গ্ৰামীণ গৃহ নিৰ্মাণ আৰু বিকল্প সেউজ সামগ্ৰী ব্যৱহাৰৰ ওপৰত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। এই মন্তব্য অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ । আজি গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ আজাৰা কাঁহিকুছিস্থিত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ছয় পৃষ্ঠাত চাওক

## ৰাষ্ট্ৰপতি নিৰ্বাচনত পছন্দৰ প্ৰাৰ্থীৰ জয়লাভৰ বাবে বিশ্বনাথৰ মিজিকাত পূজা-অৰ্চনা এগৰাকী বিশেষ মহিলাৰ


**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৮ জুলাই ঃ** আজি অনুষ্ঠিত হোৱা দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচন এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ জয় কামনা কৰি বিশ্বনাথৰ এগৰাকী বিশেষ মহিলাই আৰম্ভ কৰিছে পূজা-অৰ্চনা। এই মহিলাগৰাকীৰ নাম ৰুক্মিণী কিষাণ বৰকটকী। ২০০৬তে ৰাজ্যৰ বিধানসভা নিৰ্বাচনত বিশ্বনাথ বিধানসভা সমষ্টিৰ ছয় পৃষ্ঠাত চাওক

## এবিলাকৰ কৰ্মচাৰী মনীষা কাকতিৰ আত্মহত্যাৰ ঘটনাত স্বামীক গ্ৰেপ্তাৰ

**যৌতুক বিচাৰি মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ পিতৃৰ**





**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১৮ জুলাই ঃ** উত্তৰ গুৱাহাটীস্থিত 'এবিলাক'ৰ সহকাৰী গ্ৰন্থাগাৰিক মনীষা কাকতিৰ আত্মহত্যাৰ ঘটনাই সম্প্ৰতি নতুন মোৰ লাভ কৰিছে। এই ঘটনাত অভিযুক্ত স্বামীক যোৱা নিশা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰ পাছতে ধৃত নৱজিত বৰ্মণে ভিনিহিয়েক শিৰোড ডেকাৰ নামো ঘটনাত সাঙোৰ খুৱাব বিচৰা বিষয়টোৱেও সম্প্ৰতি ৰহস্যৰ সৃষ্টি কৰিছে। উত্তৰ গুৱাহাটী আৰক্ষীয়ে যোৱা নিশা অভিযুক্ত নৱজিতক গ্ৰেপ্তাৰ কৰাৰ পাছত আজি আদালতত হাজিৰ কৰায়। আদালতে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। ধৃত নৱজিতৰ বিৰুদ্ধে উত্থাপিত হৈছে যৌতুক বিচাৰি পত্নী মনীষাক মানসিক নিৰ্যাতন চলাই অহাৰ অভিযোগ। মনীষাৰ মৃত্যুৰ পাছৰে পৰা নৱজিতে ব্যৱহাৰ কৰি থকা তেওঁৰ ইন'ভা গাড়ীখনো আৰক্ষীয়ে জব্দ কৰিছে। উল্লেখ্য যে যোৱা তিনি জুলাইৰ নিশা এবিলাকৰ কৰ্মচাৰী মনীষাই এবিলাক চৌহদত থকা নিজা কোৱাৰ্টাৰৰ কোঠাত চিপ লৈ আত্মহত্যা কৰে। ইয়াৰ পাছতে মনীষাৰ পিতৃ প্ৰফুল্ল কাকতিয়ে যৌতুক বিচাৰি তেওঁৰ কন্যাক স্বামী নৱজিতে মানসিক নিৰ্যাতন চলাই অহাৰ অভিযোগ তুলি উত্তৰ গুৱাহাটী আৰক্ষী ছয় পৃষ্ঠাত চাওক

## জীয়াভৰলীৰ পাৰ খান্দি বিপদ চপাইছে দুষ্ট চক্ৰই ঃ নিৰ্বিকাৰ প্ৰশাসন

# তেজপুৰত খহনীয়াক্ৰান্ত অঞ্চলত মাটি খনন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৮ জুলাই ঃ** এফালে বান তথা খহনীয়াৰ বাবে জীয়াভৰলীৰ পাৰৰ বহু সংখ্যক লোকৰ নিদ্ৰাহৰণ হৈছে আৰু আনফালে নৈৰ পানী সামান্য হ্ৰাস পোৱাৰ লগে লগে নৈৰ পাৰ খন্দাত নামিছে এটা দুষ্ট চক্ৰই। এই সমাজ বিৰোধী চক্ৰটোৱে তেজপুৰৰ কোৰোকানি নামৰ জীয়াভৰলীৰ পাৰৰ অঞ্চলটোৰ লগতে কাষৰীয়া বৃহত্তৰ অঞ্চললৈ সম্প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। উল্লেখ্য যে এই অঞ্চলত ইতিমধ্যেই জলসম্পদ বিভাগে ৰূপায়ণ কৰা জিঅ' বেগ আঁচনিখনো খহনীয়াৰ কবলত পৰাৰ পাছত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিও সৃষ্টি হৈছে তীব্ৰ ভাবুকি। তদুপৰি এই আঁচনিৰ সমীপতে থকা শৈল স্পাৰৰ বৃহৎ অংশ ইতিমধ্যেই খহনীয়াত জাহ গৈছে। ইয়াকে লৈ স্থানীয় ৰাইজ আতংকিত হৈ থকাৰ সময়তে যোৱা সময়ছোৱাত এই অংশৰ পৰা মাত্ৰ ১০ মিটাৰ দূৰত্বতে সম্প্ৰতি এটা চক্ৰই দিনে-নিশাই মাটি খননত নামিছে। একোটা বৃহৎ আকাৰৰ পুখুৰীৰ দৰে জীয়াভৰলীৰ পাৰৰ কোৰকানিত কমেও ১০ টা স্থানত এনেদৰে মাটি খন্দাৰ পৰিণতিত যিকোনো সময়ত খহনীয়াত আক্ৰান্ত অঞ্চলটোলৈ অধিক বিপৰ্যয় নামি অহাৰ পথ প্ৰশস্ত হৈছে যদিও স্থানীয় ৰাইজৰ বাধা সত্ত্বেও এই দুষ্ট চক্ৰটোৱে দিনে-নিশাই মাটি খনন অব্যাহত ৰাখিছে। আজি একাংশ লোকে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, নপাম, কোৰোকানিকে ধৰি কাষৰীয়া অঞ্চলৰ লোকৰে গঠিত এই চক্ৰটোৱে পুৱাৰে পৰাই মাটি খনন কৰাৰ লগতে নিশাও পাঁচখনৰ অধিক ট্ৰেক্টৰৰে ইয়াৰ পৰা মাটি কঢ়িয়াই। ৰাইজে কয় যে ইয়াৰ পূৰ্বে যোৱা খৰালিৰ সময়তো নৈৰ পাৰৰ মাটি এক্সকাভেটৰৰ সহায়ত খনন কৰাৰ বিষয়ে ৰাইজে বিভিন্ন চৰকাৰী পক্ষক অৱগত কৰিছিল যদিও এই ক্ষেত্ৰত কোনো বিহীত ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। আনহাতে, বন বিভাগেও এই বিষয়ে গুৰুত্ব নিদিয়াত তথা বনকৰ্মী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বেই চক্ৰটোৱে খবৰ লাভ কৰাৰ দৰে ঘটনা সংঘটিত হৈছিল। বাৰিষা আৰম্ভ হোৱাত এই খনন কেইদিনমান স্থবিৰ হৈছিল যদিও সম্প্ৰতি দিনে-নিশাই আৰু বিপজ্জনকভাৱে খহনীয়া আৰম্ভ হোৱা স্থানতে মাটি খান্দিবলৈ ছয় পৃষ্ঠাত চাওক





**পথাৰৰ বহু অংশ ছন পৰি ৰোৱাৰ আশংকা**

## উপযুক্ত পানীৰ অভাৱত কৃষকৰ হাহাকাৰ তেজপুৰত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৮ জুলাই ঃ** প্ৰথমে বান আৰু ইয়াৰ পাছতে উৎকট গৰম তথা খৰাঙে বিপদত পেলাইছে শোণিতপুৰৰ বহু কৃষকক। বানৰ বাবে দুবাৰকৈ কঠীয়া নষ্ট হোৱাৰ পাছত সম্প্ৰতি পথাৰ শুকাই যোৱাত কৃষকসকলৰ মাজত হাঁহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। উল্লেখ্য যে, তেজপুৰৰ নিকটৱৰ্তী বিহগুৰি আৰু বাঁহবাৰী আদি অঞ্চলত কৃষকসকলে প্ৰয়োজনীয় পানীৰ অভাৱত ধানখেতিৰ ভৱিষ্যতক লৈ শংকিত হৈ উঠা ঘটনাই শোণিতপুৰত জলসিঞ্চন ব্যৱস্থাৰ প্ৰকৃত স্বৰূপটো উদঙাই দিছে। বৃহত্তৰ বিহগুৰিৰ অধিকাংশ কৃষকৰ পথাৰ সম্প্ৰতি প্ৰখৰ ৰদত শুকাই যোৱাত আকাশলৈ চাই দিন কটাবলগীয়া হৈছে। কিছু পথাৰত থকা পানীও বৰ্তমান ছয় পৃষ্ঠাত চাওক

**■ বজালীৰ মেধিকুছিত পহুমাৰা নদীৰ ভয়াৱহতা দূৰ হোৱা নাই**

## ঘৰ-বাৰী উছন হোৱা ৪০টা পৰিয়াল আজিও আশ্ৰয় শিবিৰত আছে

**বিশেষ সংবাদদাতা**

**পাঠশালা, ১৮ জুলাই ঃ** ৰাজ্যত সম্প্ৰতি বানৰ বিভীষিকা আঁতৰ হৈছে যদিও বান পৰৱৰ্তী ভয়ানক পৰিস্থিতিৰ পৰা আজিও মুক্ত হ'ব পৰা নাই ৪০টা পৰিয়াল। উল্লেখ্য যে ভূটান পাহাৰৰ পৰা নামি অহা নৱগঠিত বজালী জিলাৰ মাজেৰে বৈ যোৱা পহুমাৰা নদীৰ বাঢ়নী পানীয়ে ভৱানীপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১১১ নম্বৰ হাঠিনাপুৰ গাঁও পঞ্চায়তৰ মেধিকুছিত মথাউৰি ছিঙি সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতি আজিও আঁতৰা নাই। বানৰ প্ৰৱল সোঁতে ঘৰ-বাৰী উছন কৰি গৃহহীন কৰা গাঁওখনৰ ৪০টা পৰিয়ালে পহুমাৰা নদীৰ মথাউৰি, মেধিকুছি নামঘৰ সংযোগী পকী পথ আৰু মেধিকুছি স্বাস্থ্যকেন্দ্ৰত আজিও আশ্ৰয় লৈ থাকিবলগীয়া হৈছে। বানত ঘৰ-বাৰী, গৰু-ছাগলী আদি সকলো হেৰুৱাই এই পৰিয়ালসমূহ সম্প্ৰতি দিশহাৰা হৈ পৰিছে। শৰীৰৰ ঘাম মাটিত পেলাই প্ৰতিষ্ঠা কৰা সপোনৰ ঘৰখন নিশাটোৰ ভিতৰতে নিশ্চিহ্ন হৈ যোৱাত এই পৰিয়ালসমূহে এতিয়া দেখিছে ভয়ানক দুঃস্বপ্ন। বানৰ ভয়ানক পৰিস্থিতি শাম কাটিছে যদিও নিজৰ ঘৰখন ক'ত আছিল সেয়া বিচাৰি প্ৰতিটো পৰিয়ালে হাবাথুৰি খাইছে। বানৰ প্ৰৱল সোঁতে খেৰিঘৰ বাদেই পকীঘৰৰো চিন-মোকাম নোহোৱা কৰি পেলাইছে। এনেবোৰ যন্ত্ৰণাময় পৰিস্থিতি সহ্য কৰি গাঁওখনৰ অঞ্জনা পাটগিৰি নামৰ বিধৱা মহিলাগৰাকী আজিও গাঁওখনৰ পকীপথৰ আশ্ৰয় শিবিৰতে আছে। বানত সকলো হেৰুওৱা মহিলাগৰাকীৰ এটি ১১ বছৰীয়া কন্যা সন্তানো আছে। শিশুটিয়ে ষষ্ঠ শ্ৰেণীত পঢ়ে। মহিলাগৰাকীয়ে পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীত চতুৰ্থ শ্ৰেণীৰ পদ এটাত চাকৰি কৰি কোনোমতে চলি আছিল। এতিয়া তেওঁৰ ভেটিটোৰো চিন-মোকাম নাই। একেই দুৰ্দশাৰে আশ্ৰয় শিবিৰত দিন ছয় পৃষ্ঠাত চাওক


**বিধায়ক পদ্ম হাজৰিকালৈ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা বঁটা**

## কাইলৈ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ মৃত্যু শতবৰ্ষৰ অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৮ জুলাই ঃ** অসম ছাত্ৰ সন্মিলন, অসম সাহিত্য সভা, কামৰূপ অনুসন্ধান সমিতি, আসাম এছ'চিয়েছনৰ প্ৰতিষ্ঠাতা তথা ৰাজ্যৰ সমাজ জীৱনৰ এগৰাকী অন্যতম মহীৰূহ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ মৃত্যু শতবৰ্ষৰ উদ্বোধনী অনুষ্ঠান অহা ২০ জুলাইত অনুষ্ঠিত হ'ব কৰ্মবীৰজনৰ জন্ম স্থান তেজপুৰৰ বিহগুৰিত। কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা মৃত্যু শতবৰ্ষ সোঁৱৰণ সমিতি তথা বিহগুৰিৰ ৰাইজে। ২০ জুলাইত কৰ্মবীৰজনৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি আয়োজন কৰা মৃত্যু শতবৰ্ষৰ উদ্বোধনী অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি, ২০ জুলাইৰ পুৱা ন বজাত পতাকা উত্তোলন কৰিব সমিতিৰ সভাপতি ড° জ্যোতিকমল হাজৰিকাই। ৯-২০ বজাত বন্তি প্ৰজ্বলন কৰিব কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি ভৱনৰ সভাপতি কমলা প্ৰসাদ বড়াই। পুৱা ৯-৩০ বজাত অনুষ্ঠিত হ'ব স্মৃতি তৰ্পণ অনুষ্ঠান। মুখ্য তৰ্পক হিচাপে অংশ ল'ব কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা শাখা সাহিত্য সভাৰ সভাপতি জিতেন শইকীয়াই। ১০ বজাত বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰিব বিহগুৰি কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিদ্যা বৰাই। ১০-৩০ বজাত স্থানীয় মহিলাৰ দ্বাৰা দিহানাম পৰিৱেশন ছয় পৃষ্ঠাত চাওক

## পৱিত্ৰ শাওণৰ পহিলা দিনটোত নগাঁৱৰ শিৱ মন্দিৰসমূহত ভক্তপ্ৰাণ ৰাইজ-দৰ্শনাৰ্থীৰ সোঁত



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ জুলাই ঃ** আজিৰে পৰা আৰম্ভ হৈছে হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ বাবে এটি পৱিত্ৰ মাহ 'শাওণ মাহ'। সেই উপলক্ষে আজি নগাঁও জিলাৰ বিভিন্ন শিৱ মন্দিৰসমূহত হেজাৰ হেজাৰ শিৱভক্ত তথা দৰ্শনাৰ্থীয়ে ভিৰ কৰা পৰিলক্ষিত হৈছে। হিন্দু ধৰ্মাৱলম্বী লোকসকলে এই শাওণৰ পহিলা দিনটোত আজি পুৱাৰে পৰা বিয়লি পৰ্যন্ত নগাঁৱৰ বিভিন্ন শিৱ মন্দিৰসমূহত চাকিবন্তি, শৰাই-শলিতা, ফলমূল আদিৰে দেৱাদি দেৱ মহাদেৱ শিৱক পূজা-অৰ্চনা তথা আৰাধনা কৰি আশিস গ্ৰহণ কৰে। জিলাখনৰ ছয় পৃষ্ঠাত চাওক

## চিৰাঙত আৰক্ষীৰ অভিযানত অস্ত্ৰসহ গ্ৰেপ্তাৰ পাঁচ ডকাইত



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১৮ জুলাই ঃ** চিৰাঙত বিগত জুনত সংঘটিত হোৱা ডকাইতিৰ ঘটনাৰ তদন্ত চলাই আৰক্ষীয়ে অস্ত্ৰসহ পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছে। জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিয়ে সদৰী কৰা মতে যোৱা পাঁচ জুনত চিৰাং জিলাৰ আমগুৰি থানাৰ অন্তৰ্গত আমটেকা গাঁৱত অস্ত্ৰধাৰী ডকাইতিৰ দলে ডকাইতি কৰিবলৈ আহি গুলিচালনা কৰাত অনিল ইশ্বৰাৰী নামৰ এজন লোকৰ গাত দুটাকৈ গুলি লাগিছিল। এই সন্দৰ্ভত আমগুৰি থানাত ভাৰতীয় দণ্ডবিধিৰ ১২০ (বি)/ ৪৪৭/৩২৬/ ৩০৭/ ৩৯৭ আৰু অবৈধ মাৰনাস্ত্ৰ আইনৰ ধাৰা অনুসৰি ১৬/২০২২ নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছিল। উক্ত গোচৰৰ ভিত্তিত মুল তিনিজন অভিযুক্তক যোৱা ১৩ জুলাইত জিলাখনৰ ৰুনিখাতা ছয় পৃষ্ঠাত চাওক

**■ কোটি টকাৰ সম্পত্তি জুইত জাহ ■**

**অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীত আক্ৰমণ**

## জুৰীয়াত আঠখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ১৮ জুলাই ঃ** জুৰীয়া বজাৰৰ মাজমজিয়াত আজি সন্ধিয়া সংঘটিত এক ভয়াৱহ অগ্নিকাণ্ডত আঠখনকৈ ব্যৱসায় প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে জুইত জাহ যায়। জুৰীয়া বজাৰৰ 'মজনু' নামৰ হোটেলখনত প্ৰথমে জুইৰ সূত্ৰপাত ঘটে। পাছত জুইৰ লেলিহান শিখাই নিমিষতে আঠখনকৈ দোকান আগুৰি ধৰাত সম্পূৰ্ণভাৱে ভস্মিভূত হয় বৃহৎ ব্যৱসায়ি প্ৰতিষ্ঠানকেইখন। অগ্নিকাণ্ডৰ ফলত প্ৰায় কোটি টকাৰ সম্পত্তি জুইত জাহ যায়। ইফালে, অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী পলমকৈ উপস্থিত হোৱাত ৰাইজ উত্তপ্ত হৈ পৰে। ক্ষোভিত ৰাইজ অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীত শিলগুটি দলিয়াই আক্ৰমণ কৰে। ৰাইজৰ ৰুদ্ৰমূৰ্তি দেখি প্ৰথমতে অহা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীখন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। পাছত স্থানীয় আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত নগাঁৱৰ পৰা দ্বিতীয়খন অগ্নিনিৰ্বাপক গাড়ীয়ে জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ কাৰণ বৰ্তমানলৈকে জানিব পৰা হোৱা নাই যদিও শ্বৰ্ট চাৰ্কিটৰ ফলতেই জুইৰ সূত্ৰপাত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে ৰাইজে।

**বুনিয়াদী প্ৰশিক্ষণ অথবা মুক্ত-দূৰশিক্ষা পাঠ্যক্ৰমৰ জৰিয়তে ডিএলএড ডিগ্ৰী ল'বলৈকো আগ্ৰহী**

## বৃত্তিধাৰী অৰ্হতা নথকা টিউটৰৰ বাবে হ্ৰস্বকালীন প্ৰশিক্ষণৰ ব্যৱস্থাৰ দাবী

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ জুলাই ঃ** বিগত বৰ্ষৰ ৩০ জানুৱাৰীত ৰাজ্যৰ নেতৃত্বাধীন বিজেপি চৰকাৰখনে বিভিন্ন প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ত টিউটৰ হিচাপে নিযুক্তি দিয়াসকলৰ বুনিয়াদী প্ৰশিক্ষণ, ডিএলএড অথবা বিএড ডিগ্ৰী নথকা শ শ টিউটৰে চৰম দুৰ্ভাৱনা আৰু অনিশ্চয়তাৰ মাজেৰে দিন কটাবলগীয়া হৈছে। মাত্ৰ ১০,৮০০ টকাৰ পাৰিতোষিকত শিক্ষকতাৰ সমস্ত দায়িত্ব পালন কৰি অহা এই টিউটৰসকলৰ চাকৰি নিয়মীয়াকৰণত চৰকাৰে বৃত্তিগত অৰ্হতা হিচাপে বিএড, ডিএলএড অথবা বুনিয়াদী প্ৰশিক্ষণ থকাটো প্ৰাথমিক চৰ্ত আৰোপ কৰিছে। কিন্তু ৰাজ্যখনত শ শ টিউটৰ আছে যি বিভিন্ন কাৰণত বিএড, ডিএলএডৰ দুবছৰীয়া পাঠ্যক্ৰম অথবা বুনিয়াদী প্ৰশিক্ষণ ল'ব নোৱাৰিলে বা পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব নোৱাৰিলে। এতিয়া যিহেতু চৰকাৰৰ সিদ্ধান্ত অনুসৰি টিউটৰৰ পৰা শিক্ষক হ'বলৈ এওঁলোকক বৃত্তিধাৰী অৰ্হতা বিএড, ডিএলএড অথবা বুনিয়াদী প্ৰশিক্ষণ অত্যন্ত প্ৰয়োজন। সেয়েহে এই দুৰ্ভগীয়া টিউটৰসকলৰ ভৱিষ্যতৰ কথা ভাবিয়েই ৰাজ্যখনত বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে হ্ৰস্বকালীন প্ৰশিক্ষণ অথবা ডিএলএডৰ মুক্ত আৰু দূৰশিক্ষাৰ দুবছৰীয়া পাঠ্যক্ৰম অথবা বুনিয়াদী প্ৰশিক্ষণৰ ব্যৱস্থা পুনৰ প্ৰৱৰ্তন কৰিবলৈ টিউটৰসকলে দাবী জনাইছে। যিহেতু এই টিউটৰসকলে সুদীৰ্ঘ বছৰ ধৰি বিভিন্ন বিদ্যালয়ত শিক্ষকতা কৰি আছিল, সেয়েহে তেওঁলোক যথেষ্ট অভিজ্ঞতাৰে পুষ্ট। ঘটনাক্ৰমে যিহেতু তেওঁলোক অৱনমিত হৈ টিউটৰ হ'বলগীয়া হ'ল, এনে পৰিপ্ৰেক্ষিতত তেওঁলোকক এক হ্ৰস্বকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰি শিক্ষকৰ মৰ্যাদা প্ৰদান কৰিবলৈকো সচেতন মহলে চৰকাৰক আহ্বান জনাইছে। ইপিনে, ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ ক'ভিড হাস্পতালৰ পৰা ধৃত ড্ৰাগছ সৰবৰাহকাৰীৰ পলায়ন



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ জুলাই ঃ** নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালৰ পৰা এজন চিকিৎসাধীন অপৰাধী পলায়ন কৰা ঘটনাই নগাঁৱত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ক'ভিড চিকিৎসালয়খনৰ পৰা যোৱা নিশা প্ৰায় ১২ বজাত চিকিৎসাধীন হৈ থকা অপৰাধীজনে পলায়ন কৰে। হাস্পতালখনৰ পৰা পলায়ন কৰা অপৰাধীজন হ'ল নগাঁও চহৰৰ চকীটোপ হাজিৰাপাৰৰ নেকিবুৰ ৰহমান (২৮)। নেকিবুৰ দীৰ্ঘদিন ধৰি ড্ৰাগছ সৰবৰাহৰ লগত জড়িত হৈ আছিল। যোৱা ১১ জুলাইৰ সন্ধিয়া নগাঁও আৰক্ষীয়ে নগাঁও কলেজ চ'কৰ ওচৰত এখন টমটম বাহন নিচাযুক্ত ঔষধ আনি থকা অৱস্থাত নেকিবুৰক গ্ৰেপ্তাৰ কৰিছিল। ১২ জুলাইত নেকিবুৰৰ স্বাস্থ্য পৰীক্ষা কৰোৱাত ক'ভিডৰ উপস্থিতি ধৰা পৰাত নেকিবুৰক ক'ভিড হাস্পতালখনত ভৰ্তি কৰোৱা হয়। ছদিন ধৰি চিকিৎসাধীন ছয় পৃষ্ঠাত চাওক

## নগাঁৱত মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ কাৰ্যসূচী আৰম্ভ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ জুলাই ঃ** অধিক সেউজ আৱৰণেৰে প্ৰতিষ্ঠানিক চৌহদৰ সৌন্দৰ্য বৃদ্ধি কৰা, গুৰুত্বপূৰ্ণ থলুৱা উদ্ভিদ প্ৰজাতিৰ সংৰক্ষণ কৰা, জলবায়ু পৰিৱৰ্তন প্ৰশমনত সামূহিক অংশগ্ৰহণৰ বাবে সজাগতা সৃষ্টি কৰা আৰু ব্যাপক ৰূপত গছপুলি ৰোপণৰ জৰিয়তে কাৰ্বন ভাণ্ডাৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগে সমগ্ৰ ৰাজ্যখনতে 'মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্প' নামকৰণেৰে মাহজোৰা গছপুলি ৰোপণৰ এক অভিলাষী কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ অংশ স্বৰূপে আজি নগাঁও জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ শৰ্মা, অতিৰিক্ত উপায়ুক্তত্ৰয় ক্ৰমে-দেৱাহুতি বৰা, দেৱযানী চৌধুৰী, শান্তনা বৰা আৰু নগাঁও সংমণ্ডল বন বিষয়া ভাস্কৰ ডেকা, নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ অনুষ্ঠানত উপস্থিত থাকি বৃক্ষৰোপণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সপোনৰ এই আঁচনিৰ জৰিয়তে সমগ্ৰ ৰাজ্যখনৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী ছয় পৃষ্ঠাত চাওক

## তেজপুৰত সাহিত্য সভাৰ যুৱ সংসদৰ উদ্যোগত-অপৰাজিতা মইনা পাৰিজাতৰ সহযোগত মনোৰম অনুষ্ঠান



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১৮ জুলাই ঃ** এটা জাতিৰ স্বকীয় পৰিচয় হৈছে সাহিত্য, শিল্প, কলা আৰু সংস্কৃতি। শক্তিশালী সাহিত্য, সংস্কৃতি, শিল্পকলা অবিহনে জাতিৰ শক্তিশালী আত্মপ্ৰকাশ নঘটে বুলি আজি তেজপুৰত মন্তব্য কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। উল্লেখ্য যে অসম সাহিত্য সভাৰ যুৱ সংসদ উপ-সমিতিৰ উদ্যোগত আৰু তেজপুৰৰ অপৰাজিতা মইনা পাৰিজাতৰ সহযোগত আজি অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত মুখ্য ছয় পৃষ্ঠাত চাওক

**■ নগদ ধন-চাৰিচকীয়া বাহন-মবাইল ফোন জব্দ**

## লাহৰীঘাটত আৰক্ষীৰ পৃথক অভিযানত ড্ৰাগ্‌ছসহ ছয় সৰবৰাহকাৰী ধৃত

**অগ্ৰদূত বাৰ্তা**


**লাহৰীঘাট/ভূৰাগাঁও, ১৮ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে যদিও আৰক্ষীৰ চকুত ধূলি দি ন ন কৌশল প্ৰয়োগ কৰি অঞ্চলটোত ড্ৰাগ্‌ছৰ ব্যৱসায় অব্যাহত ৰাখিছে দুষ্টচক্ৰই। লাহৰীঘাটৰ ভিন্ন স্থানত বৰ্তমানেও সক্ৰিয় হৈ আছে ড্ৰাগ্‌ছ সৰবৰাহকাৰী। ইয়াৰ মাজতে লাহৰীঘাটত আৰক্ষীয়ে চলোৱা পৃথক পুনৰ বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগ্‌ছসহ ছজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হৈছে। লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমিৰ হুছেইনৰ নেতৃত্বত ছয় পৃষ্ঠাত চাওক

## বড়মপুৰৰ হায়ংথলত খেতিপথাৰত পানী বিচাৰি কৃষকৰ হাহাকাৰ

**ছন পৰি ৰৈছে দুশৰো অধিক বিঘা কৃষিভূমি**

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ১৮ জুলাই ঃ** এতিয়া শাওণৰ বতৰ। চহা কৃষকে সোণোৱালী সপোন ৰচাৰ মাহ এয়া । শাওণৰ পথাৰত আশাৰ কঠীয়া সঁজাল ধৰিলে হাঁহি বিৰিঙে পৰিশ্ৰমী খেতিয়কৰ মুখত। পিছে, বৰষুণৰ অভাৱত এতিয়া খৰাং নামিছে নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ বৰবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত হায়ংথলত। অতিপাত খৰাঙৰ বাবে এতিয়া হাহাকাৰ সৃষ্টি হৈছে কৃষিপ্ৰধান অঞ্চলটোৰ দুখীয়া কৃষকসকলৰ মাজত। বৰষুণ তথা জলসিঞ্চন ব্যৱস্থাৰ অভাৱত হায়ংথল অঞ্চলৰ প্ৰায় দুশৰো অধিক বিঘা কৃষিভূমি ছন পৰি ৰৈছে। বহু জাতি-জনগোষ্ঠীয়ে সমিলমিলেৰে বাস কৰা এই কৃষিপ্ৰধান অঞ্চলটোৰ দুখীয়া ৰাইজে শাওণৰ পথাৰত কঠীয়া পেলাব নোৱাৰি বছৰটোৰ ভাতমুঠি যোগাৰ কৰিব নোৱাৰা দুঃচিন্তাত মূৰে-কপালে হাত দিব লগা হৈছে। ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী মঙলবাৰ ২ শাওণ ১৪২৯ ভাস্কৰাব্দ ১৯ জুলাই ২০২২

# কঠোৰ পদক্ষেপ জৰুৰী

বিশ্বৰ আন দেশৰ লগতে ভাৰততো আত্মহত্যাৰ ঘটনা বৃদ্ধি পাইছে আৰু আত্মহনন বৃদ্ধিত ভাৰতীয়সকলৰ নিচা সেৱনৰ প্ৰৱণতায়ো বিশেষভাৱে প্ৰভাৱিত কৰিছে। দেশৰ প্ৰায়বোৰ অঞ্চলতে এতিয়া সুৰা বহুলভাৱে প্ৰচলিত হ'বলৈ ধৰিছে আৰু সুৰাপায়ীৰ সংখ্যাও বহু বাঢ়িছে। একে সময়তে নৱ প্ৰজন্মৰ মাজতো নিষিদ্ধ ড্ৰাগছৰ বহুল ব্যৱহাৰ প্ৰত্যক্ষ হৈ আহিছে। বলিউদৰ জনপ্ৰিয় অভিনেতা সুশান্ত সিং ৰাজপুতৰ মৃত্যুৰ ঘটনাৰ সময়তে এই কথা বহুলভাৱে চৰ্চিত হৈছিল যে ড্ৰাগছ আসক্তিৰ পৰিণতিতে প্ৰতিভাশালী অভিনেতাজনে আত্মহত্যাৰ পথ বাছি ল'লে। মনো চিকিৎসকসকলৰ মতে, সুৰাপান আৰু ড্ৰাগছ সেৱনৰ পৰিণতিত মানুহ মানসিকভাৱে দুৰ্বল আৰু অতি আবেগিক হৈ উঠে আৰু সেয়েহে অত্যধিক নিচাসক্তই আত্মহত্যা কৰাৰ যথেষ্ট শংকা থাকে। অত্যধিক মানসিক হেঁচা, বিত্তীয় সংকট, পাৰিবাৰিক সমস্যা, বৃত্তিগত সমস্যা আদিত ভোগা ব্যক্তিয়ে সুৰা-ড্ৰাগছ আদি সেৱন কৰিলে তেনে ব্যক্তিৰ মাজত আত্মহননৰ প্ৰৱণতা বৃদ্ধি পাব পাৰে বুলি মনো চিকিৎসকে মত প্ৰকাশ কৰে। দীৰ্ঘদিন ধৰি অত্যধিক সুৰাপান আৰু ড্ৰাগছ সেৱনৰ ফলতো মানসিক বিকৃতিৰ প্ৰভাৱত কোনো ব্যক্তিয়ে আত্মহত্যা কৰাৰ শংকা থাকে। সেয়েহে মনো চিকিৎসকৰ মতে, নিচাসক্তৰ মাজত বৃদ্ধি পোৱা আত্মহননৰ ঘটনা ভাৰতীয় সমাজৰ বাবে এক গভীৰ চিন্তাৰ বিষয়ত পৰিণত হৈছে।

নেচনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ' (এনচিআৰবি)ৰ তথ্য অনুসৰি ভাৰতত সুৰা আৰু অন্যান্য নিচা সেৱনৰ পৰিণতিত আত্মহননৰ ঘটনা এবছৰত ১৭ শতাংশ বৃদ্ধি পাইছে। নিচা সেৱনৰ ফলত ২০১৯ত দেশত ৭,৮৬০জন লোকে আত্মহত্যা কৰিছিল। এনচিআৰবিৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০২০ত ভাৰতত ৯,০০০ ৰো অধিক লোকে সুৰা আৰু অন্যান্য নিচা সেৱনৰ পৰিণতিত আত্মহত্যা কৰিছিল। অৰ্থাৎ ২০২০ত দেশত নিচা সেৱনৰ কু-অভ্যাসৰ পৰিণতিত প্ৰতি ঘণ্টাত এজন লোকে আত্মহনন কৰিছিল। নিচাসক্ত হোৱাৰ ফলত আত্মহত্যাৰ মুঠ ঘটনাৰ ৪৩ শতাংশই সংঘটিত হৈছিল দেশৰ দুই ৰাজ্য মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকত। এনচিআৰবিৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০১৯ত দেশত ১.৩ লাখৰো অধিক লোকে আত্মহত্যা কৰিছিল। এইসকল আত্মহননকাৰীৰ মাজত ৫.৬ শতাংশই নিষিদ্ধ ড্ৰাগছ আৰু সুৰাপানৰ পৰিণতিত আত্মহত্যা কৰিছিল। একেদৰে ২০২০ বৰ্ষত দেশৰ বিভিন্ন ৰাজ্যত ১.৫ লাখ লোকে আত্মহত্যা কৰিছিল আৰু ইয়াৰে ছয় শতাংশৰো অধিক লোকে নিচাসক্তিৰ পৰিণতিত আত্মহননৰ পথ বাছি লৈছিল। কেৱল মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকতে যোৱা বছৰত ৩,৯৫৬ জন লোকে সুৰা আৰু ড্ৰাগছ সেৱনৰ ফলত আত্মহত্যা কৰিছিল। ২০১৫ৰ পৰাই মহাৰাষ্ট্ৰত দেশৰ ভিতৰতে সৰ্বাধিক সংখ্যক নিচা সেৱনৰ পৰিণতিত আত্মহননৰ ঘটনা সংঘটিত হৈ আহিছে। কৰ্ণাটকত এই ধৰণৰ আত্মহননৰ ঘটনা ২০১৮ৰ পৰা বৃদ্ধি পাইছে। একে সময়তে নিচা সেৱনকাৰীৰ মাজত আত্মহননৰ ঘটনা মধ্য প্ৰদেশ, তামিলনাডু আৰু কেৰালাতো বৃদ্ধি পাবলৈ ধৰিছে। ২০২০ত এই পাঁচ ৰাজ্যত ৭,৩৫৬জন লোকে নিচাগ্ৰস্ত হোৱাৰ পৰিণতিত আত্মহত্যা কৰিছিল। এনচিআৰবিৰ পৰিসংখ্যাই চালে স্পষ্ট হয় যে বিগত পাঁচ বছৰত ভাৰতত নিচা সেৱনকাৰীৰ মাজত আত্মহননৰ প্ৰৱণতা যথেষ্ট বৃদ্ধি পাইছে। ২০১৫ত ৩,৬৭০জন লোকে নিচা সেৱনৰ ফলত আত্মহত্যা কৰাৰ বিপৰীতে ২০২০ত এই সংখ্যা ৯,১৬৯জনলৈ বৃদ্ধি পালে।

এই কথা এতিয়া স্পষ্ট হৈছে যে দেশত আত্মহনন প্ৰতিৰোধ কৰিবলৈ হ'লে নিচাযুক্ত দ্ৰব্যৰ অবাধ প্ৰচলনত লেকাম লগাব লাগিব। নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অভিযান অব্যাহত ৰাখিছে যদিও এতিয়াও এনেবোৰ স্বাস্থ্যহানিকাৰক নিচা সেৱনৰ কবলৰ পৰা যুৱ প্ৰজন্মক মুক্ত কৰাটো সম্ভৱ হোৱা নাই। বলিউদৰ তথাকথিত ড্ৰাগছ কাণ্ডই এই কথা প্ৰমাণ কৰিছে যে নিষিদ্ধ নিচাৰ বেহা আৰু প্ৰচলনৰ শিপাডাল বৰ গভীৰলৈ শিপাই আছে। সুৰাৰ ক্ষেত্ৰত এইটো প্ৰত্যক্ষ হৈ আহিছে যে বিহাৰ, গুজৰাটৰ বাহিৰে আন ৰাজ্যই সুৰাৰ বিক্ৰী বৃদ্ধিতহে গুৰুত্ব দিছে। তেন্তে এনে পৰিস্থিতিত দেশত নিচাসক্তসকলক আত্মহত্যাৰ প্ৰৱণতাৰ পৰা মুক্ত কৰা কেনেকৈ সম্ভৱ হ'ব? চৰকাৰে যদিহে নিচামুক্ত ভাৰত গঢ়াৰ পদক্ষেপ গ্ৰহণ নকৰে তেন্তে দেশত নিচাসক্তিৰ পৰিণতিত আত্মহত্যা তথা অকাল মৃত্যু ৰোধ কৰাটো সম্ভৱ নহ'ব।

# আলফা আচলতে কাৰ সমস্যা?

## আলফাৰ ৩০ বছৰীয়া সংগ্ৰামে থলুৱা লোকৰ সলনি বহিৰাগতসকলৰহে ধনবল জনবল বৃদ্ধি কৰিছে

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অলপতে ক'লে যে আলফা অসমৰ সমস্যা নহয়। আকৌ তেওঁ ক'লে যে এয়া হেনো নিজৰ ভিতৰত হোৱা কাজিয়াহে, আলাপ-আলোচনাৰে ঘৰুৱা সমস্যা ঘৰতে সমাধান কৰিব লাগিব। আপাত দৃষ্টিত তেওঁৰ এই মন্তব্যত স্ববিৰোধ থকা যেন লাগে। আচলতে হয়তো তেনে নহ'বও পাৰে। তেওঁ কথাবোৰ পৰিষ্কাৰভাৱে ব্যাখ্যা নকৰাৰ বাবে শ্ৰোতা-পাঠকৰ বুজাবুজিত গোলমাল লগাতো স্বাভাৱিক।




প্ৰথম কথা, আলফা অসমৰ কোনো সমস্যা নহয়, নিজৰ ভিতৰত হোৱা এখন কাজিয়াহে বুলি ক'লে সত্যৰ অপলাপ হ'ব। আলফাৰ উগ্ৰপন্থী কাম-কাজবোৰৰ বাবে এতিয়ালৈকে যিমান ক্ষয়ক্ষতি হৈছে, অসম-অসমীয়াৰহে হৈছে, 'ঔপনিৱেশিক' ভাৰত ৰাষ্ট্ৰৰ বা ভাৰতীয় সেনাবাহিনীৰ তেনে কোনো ক্ষতি হোৱা নাই। আলফা আৰু ভাৰতীয় সেনাবাহিনী উভয়ৰে হাতত এতিয়ালৈকে নিহত হোৱা শ শ লোকৰ হয়তো ৯৯.৯৯ শতাংশই হ'ব অসমীয়া মানুহ। শেহতীয়াকৈ আলফাই মৃত্যুদণ্ড দিয়া, আলফাত যোগ দিবলৈ যোৱা বা যাব খোজা, সেনা-আৰক্ষীয়ে গুলীয়াই মৰা আৰু আৰক্ষীয়ে আটক কৰি জেইলত ভৰাই থোৱা ডেকা-ডেকেৰীসকলো নিভাঁজ অসমীয়া। এইটো অসম-অসমীয়াৰ এটা ডাঙৰ সমস্যা। আটকাধীন বৰ্ষাশ্ৰী বুঢ়াগোঁহাই নামৰ কলেজীয়া ছাত্ৰীজনীয়ে কাৰাগাৰৰ পৰা পৰীক্ষা দিবলগীয়া হোৱাটোও এটা সমস্যা। তেওঁৰ ঘটনাটোৱে অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত আৰু কেতবোৰ অশান্তিৰ সৃষ্টি কৰিছে। সাতে-সোতৰই মিলি অসম আলফাকেন্দ্ৰিক যিমানবোৰ ঘটনা-দুৰ্ঘটনা সংঘটিত হৈছে, সেই সকলোবোৰৰ বাবে উচ্চ হাৰত মূল্য ভৰিবলগীয়া হৈছে অসমৰ খিলঞ্জীয়া অসমীয়াবোৰেহে। অসমত থকা বহিৰাগত ভাৰতীয়সকলৰ বা ন-অসমীয়াসকলৰ .০১ শতাংশকো সেইবোৰ ঘটনা-দুৰ্ঘটনাই হয়তো চুব পৰা নাই।

শেহতীয়াকৈ বহুতো অসমীয়া থলুৱা ডেকা-ডেকেৰীয়ে আৱেগৰ বশৱৰ্তী হৈ আলফালৈ যোৱাটো বা যাবলৈ ভৰি দাঙি থকাটো জাতিটোৰ বাবেই উদ্বেগৰ কাৰণ হৈ পৰিছে। তেওঁলোক আলফালৈ যোৱা মানে আৰু এমখা অসমীয়া যুৱক-যুৱতী বিনষ্ট হোৱা। অসমত থলুৱা অসমীয়াসকল এনেই সংখ্যালঘু হৈ গৈ আছে, তাতে যদি আমাৰ ডেকা-ডেকেৰীহঁতে স্বাধীন অসমৰ মৰীচিকা খেদিবলৈ গৈ দলে দলে আত্মজাহ দি থাকে, আমাৰ মাটি-ভেঁটিত তিতা লাও গজিবলৈ আৰু বেছি পৰ নালাগিব। অসমীয়াৰ বাবে এইটো কম ক্ষয়ংকৰ সমস্যা নহয়।

সেইফালৰ পৰা চাবলৈ গ'লে চৰকাৰে আলফামুখী ডেকা-ডেকেৰীসকলৰ যাক যেনেকৈ পাৰে ধৰি-মেলি কাৰাগাৰত সুমুৱাই ৰখাটো একো বেয়া কাম হোৱা নাই। প্ৰশাসন আৰু আৰক্ষীয়ে তাকে নকৰি আৰু কি কৰিব পাৰে? তেওঁলোকে অন্ততঃ বহুতৰে জীৱনকেইটা ধৰি-বান্ধি হ'লেও বচাই ৰাখিছে। আলফাই যুঁজ কৰি অসম স্বাধীন কৰিব বুলি ভবাটো দেখাদেখিকৈ এটা ডাঙৰ ভ্ৰান্তি। যুক্তিহীন আৱেগে আমাৰ বহু উদ্যমী আৰু সৃষ্টিশীল যুৱক-যুৱতীক বিভ্ৰান্ত কৰি আছে। বৰ্ষাশ্ৰীও তেওঁলোকৰ মাজৰে এগৰাকী। তেওঁ বিপ্লৱী কবিতা লিখা বা ফেচবুকত প'ষ্ট দিয়াটো কোনো দেশদ্ৰোহ নহয়, কিন্তু তেওঁ আলফালৈ গুচি যোৱা হ'লে অসমীয়াৰ ক্ষতি হ'লহেঁতেন। তেওঁক আটক কৰি আৰক্ষীয়ে সম্ভাব্য ক্ষতি সাময়িকভাৱে হ'লেও ৰোধ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাইও কৈছে, বৰ্ষাশ্ৰীৰ পৰিয়ালে যদি দায়িত্ব লয় যে তেওঁলোকে বৰ্ষাশ্ৰীক আলফালৈ যাবলৈ আৰু নিদিয়ে, তেনেহ'লে তেওঁক মুকলি কৰি দিয়া হ'ব, মানে আৰক্ষীয়ে গোচৰ তুলি ল'ব। মই ভাবো, বৰ্ষাশ্ৰীৰ পৰিয়ালে মুখ্যমন্ত্ৰীৰ আশ্বাসৰ সঁচা-মিছা পৰীক্ষা কৰি চোৱা উচিত।

দেশদ্ৰোহৰ অপৰাধত যাকে-তাকে নিৰ্বিচাৰে আটক কৰি বন্দী



**অসবৰ্ণ**
**হীৰেন গগৈ**

কৰি ৰখাটো নিশ্চিতভাৱেই গণতন্ত্ৰৰ পৰিপন্থী আৰু স্বৈৰাচাৰী কাৰ্য। সেইবুলি নাগৰিকৰ আত্মজাহকো গণতান্ত্ৰিক অধিকাৰ বুলি ব্যাখ্যা কৰিলে প্ৰহসনহে হ'ব।

দুৰ্ভাগ্যৰ কথা যে অসমৰ বিৰোধী দল-সংগঠন আৰু সংবাদ মাধ্যমে আলফাগামী বা আলফামুখী যুৱক-যুৱতীসকলক নিৰুৎসাহিত কৰাৰ সলনি তেওঁলোকক আওপকীয়াকৈ উদগনিহে যোগাইছে আৰু বীৰ-বীৰাংগনা সজাইছে। তেওঁলোকৰ বাবে চৰকাৰক যিকোনো প্ৰকাৰে ঘাইল কৰাটোৱেই হৈছে প্ৰথম কাম আৰু প্ৰধান নীতি; দেশ আৰু জাতিৰ মংগলৰ চিন্তা পাছৰ কথা।

পৰেশ বৰুৱাহঁতৰ আত্মত্যাগক মই স্বীকাৰ কৰো আৰু তাৰ বাবে তেওঁলোকক সন্মানো কৰো। সেই বুলি তেওঁলোকক কেতিয়াও প্ৰশংসা কৰা নাই আৰু নকৰোও। তেওঁলোকৰ উগ্ৰ আৰু ধ্বংসাত্মক কাম-কাজবোৰকো মই সদায় বিৰোধিতা কৰি আহিছো। অসমৰ স্বাধীনতা বা সাৰ্বভৌমত্বৰ নামত তেওঁলোকে যোৱা ৩০ টা মান বছৰে যিটো 'সশস্ত্ৰ সংগ্ৰাম' চলাই আহিছে, সেই সংগ্ৰামে অসমত অসমীয়াৰ স্থিতি আৰু শক্তি সুৰক্ষিত কৰাৰ সলনি সম্প্ৰসাৰণবাদী বহিৰাগতসকলৰ জনবল, অৰ্থবল আৰু ৰাজনৈতিক ক্ষমতাহে বৃদ্ধি কৰি আছে আৰু 'ঔপনিৱেশিক' ভাৰত ৰাষ্ট্ৰৰ কৰ্তৃত্বৰো সম্প্ৰসাৰণহে ঘটাই আছে। সেয়ে মই পৰেশ বৰুৱাক আগতেও কৈছিলো আৰু এতিয়াও দোহাৰো যে শক্তিৰ আন্তৰ্জাতিক ভাৰসাম্য ভাৰতবৰ্ষৰ বিপক্ষে সলনি হোৱা নাই আৰু হোৱাৰ আশাও নাই। সেয়ে ভাৰতবিৰোধী বিদেশী শক্তিৰ সহযোগত আলফাই কেতিয়াবা অসমত সশস্ত্ৰ অভ্যুত্থান ঘটাই ভাৰতীয় সেনাবাহিনীক ইয়াৰ পৰা খেদাই পঠাব আৰু অসমত তেওঁলোকৰ স্বাধীন চৰকাৰ প্ৰতিষ্ঠা কৰিব পাৰিব, তেনে এটা আশাত মজি থকাটো বলিয়ালি, কেৱল বলিয়ালিহে। তেওঁৰ সেই অসম্ভৱ সপোনে সবল-সুঠাম অসমীয়া ডেকা-ডেকেৰীসকলকো বলিয়া কৰি আত্মজাহ দিবলৈ প্ৰৰোচিত কৰাটো কেতিয়াও আমাৰ কাম্য হ'ব নোৱাৰে।

**পৰেশ বৰুৱাই ইমান দিনে 'যুদ্ধ' কৰি গাঁও এখনকে 'দখলমুক্ত' কৰিব নোৱাৰিলে। তেনে ক্ষেত্ৰত চৰকাৰে অসমখনকে তেওঁক দি দিবনে? পৰিস্থিতিটো তেওঁ অনুধাৱন কৰিব লাগিব আৰু সাৰ্বভৌমত্বৰ বা স্বাধীনতাৰ মোহ তেওঁ এৰিব লাগিব**

সেয়ে পৰেশ বৰুৱাক আকৌ কওঁ, তেওঁ কিছু এৰাধৰাৰ মাজেৰে স্বাধীন অসমৰ যুঁজখনৰ এটা সন্মানজনক সমাধানৰ বাবেহে এতিয়া মনে-প্ৰাণে চিন্তা কৰা উচিত। চৰকাৰৰ ভৰিত পৰিবলৈ তেওঁক মই কোৱা নাই আৰু নকওঁ; কিন্তু চৰকাৰে, বিশেষকৈ অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই আলোচনাৰ বাবে যি এটা মুকলি আহ্বান জনাইছে, তাৰ প্ৰতি তেওঁ যোগাত্মক সঁহাৰি দিয়া উচিত। যোগাত্মক সঁহাৰিৰ অৰ্থ হৈছে কোনো অলংঘনীয় পূৰ্বচৰ্ত আৰোপ নকৰাটো; কিন্তু তাতেই এতিয়া লাগিছে জেং। পৰেশ বৰুৱাই ইমান দিনে 'যুদ্ধ' কৰি গাঁও এখনকে 'দখলমুক্ত' কৰিব নোৱাৰিলে। তেনে ক্ষেত্ৰত চৰকাৰে অসমখনকে তেওঁক দি দিবনে? পৰিস্থিতিটো তেওঁ অনুধাৱন কৰিব লাগিব আৰু সাৰ্বভৌমত্বৰ বা স্বাধীনতাৰ মোহ তেওঁ এৰিব লাগিব। সেইবুলি তেওঁ আত্মসমৰ্পণ কৰিব লাগিব বুলিও মই কোৱা নাই। মোৰ কথা কেৱল এটাই ঃ কোনো পূৰ্বচৰ্ত নিদিয়াকৈ তেওঁ আলোচনাত বহক আৰু আলোচনা কালত সাৰ্বভৌমত্বৰ বিকল্প কেতবোৰ অধিকাৰ অসমৰ খিলঞ্জীয়া লোকসকলৰ বাবে বিচাৰক। সেইবোৰৰ ভিতৰত ইংৰাজৰ অসম দখলৰ সময়ত ইয়াত স্থায়ীভাৱে বসবাস কৰি থকা সকলৰ বাবে খিলঞ্জীয়াৰ স্বীকৃতি আৰু সাংবিধানিক সুৰক্ষা, সেই সকলৰ বাবে সংবিধানসন্মত জনজাতীয় অধিকাৰ, থলুৱাৰ মাটি আৰু ভাষা-সংস্কৃতিৰ সংৰক্ষণ আৰু উন্নয়ন, অসমৰ বান-গৰাখহনীয়াৰ নিয়ন্ত্ৰণ আৰু জলসিঞ্চনৰ অত্যাধুনিক ব্যৱস্থাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ কেন্দ্ৰীয় পুঁজিৰ আৱণ্টন, খিলঞ্জীয়াৰ ৰাজনৈতিক অধিকাৰবোৰৰ সুৰক্ষা ইত্যাদি দাবীবোৰ নিশ্চয় সন্নিৱিষ্ট হ'ব পাৰে। ভাৰত চৰকাৰে দিওঁ বুলিলেই অসমক সাৰ্বভৌমত্ব নিদিয়ে বা দিব নোৱাৰে, কিন্তু এই বিকল্প দাবীবোৰ ইচ্ছা কৰিলে পূৰণ কৰিব পাৰে। পৰেশ বৰুৱাই সেই ক্ষেত্ৰতেই নিজৰ শক্তি আৰু বিচক্ষণতা প্ৰয়োগ কৰিব পাৰে আৰু কৰাও উচিত। মোৰ বিশ্বাস, চৰকাৰে তেওঁক অসন্মান নকৰিব। এই ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সহায় তেওঁ পাব আৰু ল'ব পাৰে।

আলফাৰ বাবে অসমৰ বহু অথন্তৰ আৰু ক্ষয়-ক্ষতি হৈছে; সেই অৰ্থত আলফা অসমৰ এটা ডাঙৰ সমস্যা; কিন্তু আলফাই বিচৰা সাৰ্বভৌমত্বৰ বিষয়টো অসমৰ সমস্যা নহয়; সেই সমস্যা কেন্দ্ৰৰহে। সাৰ্বভৌমত্বৰ প্ৰশ্নত অসম চৰকাৰে আলাপ-আলোচনাও কৰিব নোৱাৰে। এইখন কাজিয়া অসমৰ ঘৰুৱা কাজিয়া নহয় আৰু ঘৰতে তাৰ সমাধানো নহয়।

কিন্তু পৰেশ বৰুৱা আৰু ড° হিমন্ত বিশ্ব শৰ্মা বা অসম চৰকাৰৰ মাজত এখন ঘৰুৱা কাজিয়াও আছে। সেইখন কাজিয়া হৈছে ৰাজ্যৰ শান্তি-শৃংখলাক লৈ। উভয় পক্ষই আলাপ-আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰাৰ পাছতো আৰু আলফাই নিজে যুদ্ধবিৰতি ঘোষণা আৰু পালন কৰা সত্ত্বেও সংগঠনটোৱে ধনসংগ্ৰহ আৰু নামভৰ্তিৰ অভিযান চলাই থকাটো আপত্তিজনক আৰু হঠকাৰী কাম হৈছে। তাৰ প্ৰতিৰোধ কল্পে অসম আৰক্ষীয়ে আলফাৰ অভিযানকাৰী সদস্যৰ ওপৰত গুলিচালনাও কৰিবলগীয়া হৈছে। আৰক্ষীৰ গুলিত শদিয়াত আলফা সদস্যজনৰ মৃত্যুও হৈছে। আলফা আৰু অসম চৰকাৰৰ মাজত এইটো সঁচাই এটা অপ্ৰীতিকৰ পৰিস্থিতি— ঠিক ঘৰুৱা কাজিয়া এখনৰ দৰে। অন্ততঃ এই বিষয়ত পৰেশ বৰুৱা আৰু অসমৰ মুখ্যমন্ত্ৰীৰ মাজত ঘৰুৱা আলোচনা এটা হ'ব পাৰে আৰু হোৱা উচিতো। কেন্দ্ৰীয় চৰকাৰ আৰু আলফাৰ মাজত সম্ভাব্য আলোচনাৰ পৰিৱেশটো যাতে নষ্ট নহয়, তাৰ প্ৰতি পৰেশ বৰুৱা আৰু অসমৰ মুখ্যমন্ত্ৰী দুয়োজনেই সজাগ আৰু সচেষ্ট হোৱাৰ প্ৰয়োজন আছে। মই জনাত দুয়োজনৰ মাজত এটা সদ্ভাৱৰো সৃষ্টি হৈছিল। তেওঁলোকৰ কোনোজনেই সেই আস্থাৰ পৰিৱেশটো নষ্ট হ'বলৈ এৰি দিয়াটো উচিত নহ'ব। বিশেষকৈ পৰেশ বৰুৱাই। আশা কৰো, নিজৰ দীৰ্ঘদিনীয়া যুদ্ধখন সন্মানজনকভাৱে সামৰাৰ এই সুযোগটো তেওঁ নষ্ট নকৰিব।

ফোন ঃ ৮৮১১৮২৭৪৩২

## খোলা মঞ্চ

# অৰ্ধ শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা



**অসমৰ** সংবাদ সাহিত্য জগতৰ এটা প্ৰভাৱশালী, চিৰ পৰিচিত নাম 'অগ্ৰদূত'। কাব্যিক ভাষাত ক'বলৈ গ'লে, এটা উজ্জ্বল জ্যোতিষ্ক, যি বিগত অৰ্দ্ধ শতাব্দীকাল অসমীয়া সংবাদ সাহিত্যৰ আকাশত একক আৰু অনন্য হৈ নিজস্ব জ্যোতিৰে উজ্জ্বলি আছে। জন্মলগ্নৰে পৰা আজিলৈকে অৰ্দ্ধ শতাব্দীকাল সংবাদ জগতত এখন কাকত বা আলোচনী একেৰাহে প্ৰকাশ কৰি নিজৰ স্থিতি অক্ষুণ্ণ ৰাখিব পৰাটো সকলোৰে বাবে ইমান সহজসাধ্য নহয়। ইয়াৰ মূলতে হ'ল, সংবাদ জগতৰ কাণ্ডাৰী, চিৰ নমস্য কনকসেন ডেকা। তেওঁৰ সবল, বলিষ্ঠ ভূমিকাৰ বাবেই আজিৰ পৰা ৫২ বছৰ আগতেই জন্মলাভ কৰা কাকতখনে বৰ্তমান সময়তো চিৰ সেউজীয়া ৰূপত আত্মপ্ৰকাশ কৰি আছে। তাৰ লগতে আছে কাকতখনৰ জন্মলগ্নৰে পৰা বৰ্তমান সময়লৈকে কৰ্মৰত হৈ থকা অগ্ৰদূতৰ পৰিয়ালবৰ্গৰ পূৰ্ণ কৰ্মোদ্যম। সকলোৰে নিস্বাৰ্থ, পূৰ্ণ সহযোগিতাৰ বাবেই 'অগ্ৰদূত' কাকতে বৰ্তমান প্ৰতিযোগিতামূলক যুগতো নিজৰ স্থিতি অব্যাহত ৰাখিব পাৰিছে।

এখন কাকতৰ যোগেদি দেশ-বিদেশৰ বিভিন্ন খবৰ-বাতৰি প্ৰচাৰ কৰাতেই সংবাদ মাধ্যমৰ দায়িত্ব শেষ নহয়। সংবাদ মাধ্যমৰ ভূমিকা হ'ল, দেশৰ জনসাধাৰণক শিক্ষিত কৰি তুলি সমাজত জাগৰণৰ সৃষ্টি কৰা। এখন কাকত বা আলোচনীয়ে সমাজৰ উত্তৰণৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। কাকত বা আলোচনী এখন জন্ম দি পঢুৱৈৰ আস্থাভাজন হৈ জনসাধাৰণৰ মাজলৈ লৈ যোৱালৈকে বহুকেইটা কাৰকে কাম কৰে। প্ৰথম কথা, কাকতখনে জনসাধাৰণৰ পৰা আনুগত্য লাভ কৰি পঢুৱৈৰ সংখ্যা বৃদ্ধি হ'ব লাগিব। যিহেতু পঢুৱৈ বৃদ্ধিৰ অন্তৰালত আৰ্থিক বিষয়ৰ কথাও জড়িত হৈ থাকে। সমাজত বিভিন্ন মানসিকতাৰ পঢুৱৈ থাকে। সকলোকে ভিন্ন ভিন্ন স্বাদেৰে সন্তুষ্ট কৰিব পাৰিলেহে একোখন কাকতে সমাজত জনপ্ৰিয়তা অৰ্জন কৰি বৰ্তি থাকিব পাৰিব। এইক্ষেত্ৰত অগ্ৰদূত সফল হোৱা বুলি ক'ব পাৰি। কাৰণ, কাকতখনত কেৱল মোটামুটি সংবাদ প্ৰকাশ কৰাই নহয়, তাৰ লগতে বিভিন্ন স্তৰৰ পঢুৱৈৰ মনৰ খোৰাক যোগাব পৰাকৈ বিভিন্ন লেখাৰ অৱতাৰণা কৰা হয়। তদুপৰি সমাজত সময়ে সময়ে সৃষ্টি হোৱা বিভিন্ন সমস্যা বা সমাজৰ আৰ্থ-সামাজিক পৰিৱেশৰ বিভিন্ন দিশৰ ওপৰত বিভিন্ন বিজ্ঞ লেখকৰ মূল্যৱান লেখাৰ জৰিয়তে আলোকপাত কৰি কাকতখনে সামাজিক দায়বদ্ধতাৰ পৰিচয় দি আহিছে। দৈনিক অগ্ৰদূত, তিনিদিনীয়া অগ্ৰদূতত বিভিন্ন স্বাদৰ গল্প, কবিতা, বিভিন্ন তত্ত্বগধুৰ প্ৰৱন্ধ, সমাজৰ বাৰ্তাবাহক বিভিন্ন লেখাৰ লগতে ব্যঙ্গাত্মক হাস্যমধুৰ লেখা, শিশুৰ শিতান আদিৰ জৰিয়তে অগ্ৰদূতে জনপ্ৰিয়তা অৰ্জন কৰাত সফল হৈছে।

দ্বিতীয়তে, বাতৰি কাকতত সংবাদ পৰিৱেশনৰ ক্ষেত্ৰত যি সত্যতা আৰু নিৰ্ভীকতাৰ প্ৰয়োজন, সেইখিনি অগ্ৰদূত কাকতৰ মাজত বিদ্যমান। কেৱল টি আৰ পি ৰ বাবেই সংবাদ পৰিৱেশন নকৰি বিভিন্ন দুৰ্নীতি, ভ্ৰষ্টাচাৰ, চৰকাৰী নীতিৰ ভুল-ত্ৰুটিৰ সমালোচনা আদি সমাজৰ বৃহত্তৰ স্বাৰ্থত নিঃসংকোচে প্ৰকাশ কৰি সংবাদ মাধ্যমে নিজৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিছে। সেয়ে কাকতখনে কোনোদিন জনসাধাৰণৰ আস্থা হেৰুওৱা নাই।

মানুহৰ মন সদায় পৰিৱৰ্তনমুখী। মানুহে সদায় নতুনত্ব বিচাৰে। বৰ্তমান একবিংশ শতিকাত প্ৰতিযোগিতামূলক ডিজিটেল যুগত কাকত, আলোচনী জীয়াই ৰাখি নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাটো এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। এনে প্ৰত্যাহ্বানৰ মুখামুখি হৈও অগ্ৰদূত কাকতে সমাজৰ পৰিৱৰ্তনৰ লগত নিজক খাপ খুৱাই যথেষ্ট ঘাত- প্ৰতিঘাতৰ মাজেদি সোণালী জয়ন্তী বৰ্ষত গৌৰৱেৰে থিয় দিব পৰাটো অত্যন্ত আনন্দৰ বিষয়।

আশা ৰাখিছো, অসমৰ সংবাদ সাহিত্য জগতত অগ্ৰদূত ভৱিষ্যতে একক আৰু অনন্য হৈ জিলিকি থাকি অসমীয়া ভাষা-সাহিত্যৰ এটা যুগক প্ৰতিনিধিত্ব কৰিব পৰাকৈ শক্তিশালী ৰূপত উজ্জ্বলি থাকক।

**শিখা হাজৰিকা,** লেখিকা

ফোন ঃ ৯৯৫৭১২১৬৮৩



# এয়া সাধাৰণ মানুহৰ পৰা লুণ্ঠনৰ কৌশল নহয়নে?

**সিদিনাখন** নিজৰ নথকাত বিশেষ কাম এটাত মোৰ ঘনিষ্ঠ এজনৰ গাড়ী লৈ তিনিচুকীয়ালৈ গৈছিলো। চালকে এটা স্থানত গাড়ী ৰখায়, য'ত কোনো বাধা নিষেধৰ জাননী দেখা পোৱা নগৈছিল। পাঁচ মিনিটতে দোকান এখনত কিবা সুধি গাড়ীত বহিছিলো। গাড়ী দুলীয়াজানলৈ ঘূৰি আহি থকা সময়তে মেছেজত ২৫০০ টকাৰ জৰিমনা বিচাৰি চালান এখন গাড়ীৰ মালিকৰ ম'বাইল ফোন নম্বৰলৈ পঠোৱাত, মালিকে চালকজনলৈ পঠিয়াই ক'লে যে সেইটো তেৰেঁ ভৰিব লাগিব। চালকজনে মোক ক'লে যে তেওঁনো গাড়ী চলোৱাৰ বাবদ কিমান পায়, তাৰে আকৌ ২৫০০ টকাৰ জৰিমনাৰ ধন ভৰিব লাগিলে থাকিব কি! মোক কাবৌ কৰি ক'লে কিবা কৰি জৰিমনাটো নিদিয়া কৰিব পাৰি নেকি; কিয়নো ক'তো ন' পাৰ্কিং ফলক তেওঁ দেখা নাছিল, গম পোৱা হ'লে নিশ্চয়কৈ সেই ঠাইত নৰখালেহেঁতেন। ট্ৰেফিক পুলিচে তাত গাড়ী নাৰাখিবলৈ কৈ প্ৰথমবাৰৰ বাবে ভুলটো শুধৰাব পাৰিলেহেঁতেন, তাকে নকৰি মালিকৰ পৰা সামান্য দৰমহা পোৱা চালকজনৰ পেটিত গোৰ মৰাৰ দৰে কাম কৰিব নালাগিছিল।

আজিকালি সাধাৰণ নাগৰিকৰ পৰা লঘু দোষতে বিভিন্ন প্ৰকাৰে জৰিমনাৰ নামত লুণ্ঠন কৰি অহা হৈছে। এবাৰ নম্বৰ প্লেটখন নতুন কৰিব লাগে, লগতে ৰেজিষ্ট্ৰেচনখন স্মাৰ্ট কাৰ্ডৰ লেখীয়া কৰিব লাগে বুলি কাগজ এখন দি এমাহৰ ভিতৰত নকৰিলে দুহেজাৰ টকা জৰিমনা ভৰিব লাগিব বুলি ক'লে। কিন্তু এমাহৰ ভিতৰতে কৰাৰ পাছতো জৰিমনাৰ চালান পঠিওৱা হ'ল।

আজিকালি কষ্টোপাৰ্জিত ধন বেংকতো ৰাখিব নোৱাৰে, সুতখিনিৰ ওপৰতো কৰ ভৰি থাকিব লাগে। ভোটবেংকৰ স্বাৰ্থত নিম্ন-মধ্য শ্ৰেণীৰ নাগৰিকৰ পৰা জৰিমনা, সুত, মূল্যবৃদ্ধি আদিৰ দৰে পন্থা কিছুমান অৱলম্বন কৰি সাধাৰণ ৰাইজৰ পৰা নিৰৱচ্ছিন্নভাৱে ধন আহৰণ কৰি হিতাধিকাৰী সৃষ্টিৰে ভোটবেংক মজবুত কৰি ৰাজপাট ভোগ কৰি থকাৰ স্থায়ী ব্যৱস্থা কৰি থকা হৈছে। কথা নাই বতৰা নাই ভোটৰ লালসাত মাইক্ৰ'ফাইনেন্সৰ ধাৰ ৰেহাইৰ দৰে সিদ্ধান্ত গ্ৰহণ কৰি নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ শোচনীয় অৱস্থা কৰিছে। মাইক্ৰ' ফাইনেন্সৰ ধাৰ মাফ কৰিবলৈ আওপকীয়াকৈ বিভিন্ন কৰ-কাটল জৰিমনাৰ সৃষ্টি কৰি নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ নাগৰিকৰ পৰাই ধন সংগ্ৰহ কৰি মাধমাৰ সোধাই অহা হৈছে। নাগৰিকৰ বেয়া স্বভাৱ শুধৰাবলৈ শাস্তিমূলক ব্যৱস্থা হিচাপে জৰিমনা আদায় কৰিব লাগে কিন্তু কিছুমান ক্ষেত্ৰত মাত্ৰাধিক্য হোৱাটো কোনো প্ৰকাৰে গ্ৰহণ কৰিব নোৱাৰি। নতুনকৈ কৰ আৰোপ কৰা বেংকে বহুতো সামগ্ৰীৰ দাম বৃদ্ধি কৰিছে। অতিৰিক্ত কৰ সংযোগেৰে প্ৰায় সকলো দৈনন্দিন অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য শিখৰ পাইছেগৈ।

যদি ৰাজভড়াল টনকিয়াল কৰিবলৈ জৰিমনা আদায়ৰ পথেই খোলা আছে, তেনেহ'লে পলিথিনকে আদি কৰি জাৱৰ-জোঁথৰ য'তে -ত'তে পেলাই নলা-নৰ্দমাবোৰ পুতি কৃত্ৰিম বানপানীৰ সৃষ্টিত অৰিহণা যোগাই অহা নাগৰিক হিচাপে সচেতন নোহোৱা সেইসকলক চিনাক্ত কৰি সেইসকলৰ পৰা জৰিমনা সংগ্ৰহ কৰক। এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনৰ এটা চলন্ত গোট থাকিব লাগিব। যিটোৱে নগৰ, মহানগৰৰ অলিয়ে-গলিয়ে ঘূৰি জাঁৱৰ-জোঁথৰ য'তে-ত'তে পেলাই সমস্যাৰ সৃষ্টি কৰা নাগৰিকৰ পৰা জৰিমনা সংগ্ৰহ কৰিব পাৰে। গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানীৰ মূল কাৰণ হৈছে বৰষুণ দিয়াৰ পাছত পানী ওলাই যাব নোৱাৰাটো।

চৰকাৰে বহুত ভাল কাম কৰি আহিছে, সেইবোৰ প্ৰশংসা নকৰি নোৱাৰি, আমাৰ মূল কথা হ'ল কৰ-কাটল, জৰিমনা আদায়ৰ নীতি-নিয়ম কিছুমান সলনি কৰক যাতে সাধাৰণ নাগৰিকে চৰকাৰে লুণ্ঠন কৰি থকা বুলি ভাবিব নোৱাৰে। মূল্যবৃদ্ধি, কৰ-কাটল; জৰিমনা আদিৰে সাধাৰণ ৰাইজক হাৰাশাস্তি কৰাটো বেছি হৈছে নেকি ভাবি চাবৰ হ'ল, মুঠৰ ওপৰত চৰকাৰে ৰাইজক অনবৰত নিৰাশাত ভুগিব দিব নালাগে, ইতিমধ্যে হতাশাত ভুগি থকা বহু যুৱক-যুৱতী নিষিদ্ধ সংগঠনলৈ যোৱাৰ বাতৰি প্ৰকাশ পাইছে।

সন্ত্ৰাসবাদক উচটাই কবিতা ৰচনা কৰা বুলি মহাবিদ্যালয়ৰ এগৰাকী মেধাৱী ছাত্ৰী বৰ্ষাশ্ৰী বুঢ়াগোহাঁইক কাৰাগাৰলৈ নিক্ষেপ কৰা কথাটোৱে সকলো শ্ৰেণীৰ ৰাইজৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিছে। চৰকাৰে নীতি-নিয়মৰ লগতে ভুল সিদ্ধান্তবোৰ সলনি কৰিলেহে ৰাইজৰ মাজত আস্থাৰ ভাব জগাই তুলিবলৈ সক্ষম হ'ব।

**বিভূতি কুমাৰ শৰ্মা**
জয়ানগৰ, দুলীয়াজান
ফোন ঃ ৯৪৩৫০৩৯৮১৭

# মৃত্যুঞ্জয়ী বীৰ ৰমজান খাঁ হিলৈধাৰী বৰুৱাক অসমীয়াই পাহৰিলে নেকি?

**অভিমত**

**স্বাধীনচিতীয়া** অসমীয়া জাতিৰ ছশ বছৰীয়া ৰাজত্বৰ বেলি মাৰ যোৱাৰ সময়ত মান সৈন্যৰ লগত বীৰ বিক্ৰমে যুদ্ধ কৰি ৰমজান খাঁ হিলৈধাৰী বৰুৱা নামৰ সেনাপতিজনে প্ৰাণ আহুতি দি এক ইতিহাস ৰচিছিল। বৰ্তমান গোলাঘাটৰ নুমলীগড় ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষতে এইজনা বীৰৰ সমাধি আজিও অৱহেলিত হৈ পৰি আছে। বুৰঞ্জীবিদ ড০ মোহিনী কুমাৰ শইকীয়াই বুৰঞ্জীৰ পাতৰ পৰা উদ্ধাৰ কৰে আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ লগত ৰমজান খাঁ হিলৈধাৰীয়ে মানৰ বিপক্ষে যুদ্ধ কৰাৰ সময়তে পৰ্যাপ্ত পৰিমাণৰ যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ যোগান পোৱা হ'লে অসম বুৰঞ্জীৰ অন্য এক অধ্যায়ৰ সূচনা হ'লহেঁতেন। ৰমজান খাঁৰ বীৰত্বৰ তথ্য উদ্ধাৰে অসম বুৰঞ্জীত এক নতুন অধ্যায় সূচনা কৰিছে। আহোম ৰাজ্যৰ আভ্যন্তৰীণ কন্দলৰ পৰিণতিৰ ফলত ছশ বছৰ ৰাজত্ব চলোৱা আহোম যুগৰ বেলি মাৰ যায়। লাচিত বৰফুকন, কলীয়াভোমোৰা বৰফুকনৰ দৰে পৰাক্ৰমী সেনাপতিৰ পিছলৈ আহোম যুগত অভাৱ ঘটিছিল যদিও শৰাইঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে অসীম সাহসেৰে যুদ্ধ কৰি দেশ প্ৰেমিকৰ চিনাকি দিছিল ইছমাইল ছিদ্দিকী ওৰফে বাঘ হাজৰিকাই। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত মানৰ তৃতীয় আক্ৰমণত ৰমজান খাঁই অসীম বিক্ৰমেৰে যুঁজি মানৰ হাতত প্ৰাণ ত্যাগ কৰিছিল। ৰমজান খাঁৰ বীৰত্বত চন্দ্ৰকান্ত সিংহই অভিভূত হৈ তেওঁৰ মৃতদেহ যুদ্ধক্ষেত্ৰৰ পৰা নাৰেৰে নুমলীগড়লৈ আনি সৎকাৰ কৰোৱাইছিল। ৰমজান খাঁৰ পিতৃ হুছেইন খাঁই আহোম ৰজাক হিলৈ চলাই সহায় কৰিছিল। হিলৈ চলোৱাসকলক হিলৈধাৰী বুলি মাতিছিল। ৰমজান খাঁই আহোম সেনাৰ চুবেদাৰ হিচাপে যোগদান কৰি সেই সময়ৰ হিলৈধাৰী সৈন্যই হিলৈ চলোৱাত পাৰ্গত হোৱা হেতু তেওঁক হিলৈধাৰী বৰুৱালৈ পদোন্নতি দিছিল।

বিয়াগোম হাতীমুৰা, তুবুকী, মিঠাসোলেং, বাঘমুৰীয়া আদি পাঁচবিধ বৰটোপ থকাৰ উপৰি আহোম সৈন্যৰ গাঁটিয়া, পহলষ্ঠি, ৰামচাঙী, হাত-হিলৈ, পথাৰকলাই, কামায়ণ, জমুৰ, টোৱা, কোকা, কেঁচাই আৰু বচদাৰী নামৰ এঘাৰবিধ সৰু হিলৈ আছিল। উক্ত হিলৈসমূহ অসমীয়া কমাৰে তৈয়াৰ কৰিছিল। পিছলৈ বৰটোপ, হিলৈত খাৰ তৈয়াৰ কৰিবলৈ খাৰঘৰীয়া, গন্ধীয়া আদি খেলৰ মানুহৰ সংখ্যা কমি আহিছিল। সেই সময়ত হিলৈধাৰী সৈন্যৰ অভাৱ হোৱাৰ বাবেই ৰমজান খাঁই যুদ্ধত সফলতা লাভ কৰিব পৰা নাছিল। ক্ষমতাৰ অৰিয়াঅৰি আৰু গৃহকন্দলৰ সূত্ৰপাতৰ ফলস্বৰূপে বদন বৰফুকনে পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ বিপক্ষে অসমলৈ প্ৰথমে মানৰ আগমন ঘটায়।

১৭৩৬ শকত ব্ৰহ্মদেশৰ পৰা পাটকাই পৰ্বত পাৰ হৈ বদন বৰফুকনে ১৬ হাজাৰ সৈন্যসহ আহোম সেনাক হৰুৱাই গড়গাঁও দখল কৰি দিখৌয়েদি নাৱেৰে আৰু বামেদি গৈ ৰংপুৰ দখল কৰে। পূৰ্ণানন্দ বুঢ়াগোঁহায়ে অসমীয়াক মানৰ হাতৰ পৰা ৰক্ষা কৰিব নোৱাৰি আঙুলিত থকা কালহীৰাৰ আঙুঠি চেলেকী আত্মঘাতী হয়। চন্দ্ৰকান্ত সিংহই মান ৰজাৰ লগত মিত্ৰতা কৰি কিছু ধন-সোণ দিয়াৰ লগতে মান ৰজা বৰ্ডৌফাইলৈ ভামো আইদেউৰ লগত দিছিল পাঁচশ অসমীয়া ৰণুৱাৰ পৰিয়াল। ৰুচিনাথ বুঢ়াগোঁহায়ে বদন বৰফুকনক ৰূপসিংহৰ হতুৱাই হত্যা কৰোৱাই পুৰন্দৰ সিংহক ৰজা পতাত চন্দ্ৰকান্ত সিংহই পুনৰ মানদেশলৈ নিজৰ দুৰ্দশা আৰু বদনৰ হত্যাৰ বাতৰি পঠায়। মান ৰজা বৰ্ডৌফাই আলমিলিৰ নেতৃত্বত দ্বিতীয়বাৰৰ বাবে প্ৰায় ৩০ হেজাৰ মান সৈন্য অসমলৈ পঠায়। ১৭৪০ শকত চন্দ্ৰকান্ত সিংহই মানৰ সহায়ত দ্বিতীয়বাৰৰ বাবে আহোম ৰাজপাটত বহে। চন্দ্ৰকান্ত সিংহই মান ৰজাৰ আনুগত্যত নথকাৰ পৰিকল্পনাৰে ভৱিষ্যতলৈ মানক ভেটিবলৈ উজনিৰ দীঘলী ঘাটৰ জয়পুৰত এটা ডাঙৰ গড় নিৰ্মাণ কৰিবলৈ লয়। মান ৰজাই চন্দ্ৰকান্তৰ পৰিকল্পনাৰ বাতৰি পোৱাৰ লগে লগে মিংগি মাহা তিলোৱাৰ নেতৃত্বত এক বৃহৎ মান সেনাবাহিনী অসমলৈ পঠায়। চন্দ্ৰকান্ত সিংহই মান সৈন্য অহাৰ বাতৰি আগতীয়াকৈ জানিব পাৰি ভটীয়াই গৈ এক গোপন স্থানত আত্মগোপন কৰে। তাতে চন্দ্ৰকান্ত সিংহই মানৰ বিৰুদ্ধে যুঁজিবলৈ সৈন্যবাহিনী গঠন কৰে। আহোম সেনা লগতে শিখ, হিন্দুস্থানী আদিক লৈ চন্দ্ৰকান্তই সিংহাসন উদ্ধাৰৰ বাবে এক চেষ্টা চলাই সেই সময়ত আহোম ৰাজ্যৰ পশ্চিম অঞ্চলটো দখললৈ আনিবলৈ সক্ষম হয়। ১৮২২ত চন্দ্ৰকান্ত সিংহই যোগীঘোপাৰ ৰবাৰ্ট ব্ৰুছৰ পৰা আমদানি কৰা খাৰ-বাৰুদ অস্ত্ৰ-শস্ত্ৰৰ সহযোগত মান সৈন্যক পৰাস্ত কৰি গুৱাহাটী দখল কৰে। টিৰিঙৰ ৰাধানাথক বৰবৰুৱা পাতি নুমলীগড়ৰ ৰমজান খাঁৰ স'তে চন্দ্ৰকান্তই মানক গুৱাহাটীৰ পৰা যোৰহাটলৈকে খেদিবলৈ সক্ষম হয়। মান সৈন্যই যোৰহাটৰ ম'হগড় বৰ্তমানৰ ককিলামুখতে ছাউনী পাতে। ১৮২২ৰ জুন মাহত চন্দ্ৰকান্ত সিংহই ম'হ গড়ত অসীম সাহসেৰে মানৰ লগত যুদ্ধত অৱতীৰ্ণ হয়। ৰাধানাথ বৰবৰুৱা, ৰমজান খাঁই প্ৰবল বীৰত্বেৰে মান সৈন্যক আক্ৰমণ কৰি মান সৈন্যৰ থৰকাছুটি নোহোৱা কৰে। ৰমজান খাঁৰ হিলৈৰ আগত বহু মান সৈন্য নিহত হ'ল। যুদ্ধৰ ফলাফল অনুকূল হোৱাৰ মুহূৰ্তত চন্দ্ৰকান্ত সিংহ বাহিনীৰ খাৰ-বাৰুদৰ অন্ত হয়। ৰমজান খাঁই পিছুৱাই নগৈ হাতত তৰোৱাল লৈ এফালৰ পৰা মান সৈন্য কাটিবলৈ ধৰাত মান সৈন্যই বৰটোপ মাৰি পৰাক্ৰমী বীৰ যোদ্ধাজনক হত্যা কৰে। মানৰ হাতত বীৰত্বেৰে প্ৰাণ আহুতি দিয়া এইজনা মহান বীৰ যোদ্ধাৰ স্মৃতিৰ সমাধি নুমলীগড়ৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত আজিও উপেক্ষিত হৈ আছে। এই মহান যোদ্ধাজনক অসমবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰাটো উচিত।

উল্লেখযোগ্য যে, কবি ইব্ৰাহীম আলিৰ উপৰি পুৰুষ কলিয়াবৰৰ লাইধন খাঁইও বাঘ হাজৰিকাৰ সংগী ৰণুৱা হিচাপে শৰাইঘাটৰ যুদ্ধত নামিছিল। তদুপৰি লাচিতৰ দেহৰক্ষী ভকুৱা গৰীয়াই মোগলৰ বিৰুদ্ধে প্ৰথম জাই বৰটোপৰ খাৰত জুই দিয়ে।

গড়গঞা সন্দিকৈ বৰফুকনৰ আদেশত গেন্ধেলা গৰীয়াই প্ৰথমটো বৰটোপ সাজে।

**ছাইফুল হুছেইন বৰা**
ফোন নং ঃ ৯১০১৬২১৫১৪

দৈনিক অগ্ৰদূত



# প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনতা আৰু অভিভাৱকৰ সজাগতা

আলোকপাত

মানসী মিশ্ৰ

**সমাজত** শৃংখলাৱদ্ধ জীৱনধাৰাৰ প্ৰৱৰ্তনৰ পৰাই শিক্ষাক প্ৰগতিৰ এক মাপকাঠী বুলি গণ্য কৰি অহা হৈছে। আনুষ্ঠানিক শিক্ষাৰ যদিও সেই সময়ত বিশেষ সম্প্ৰসাৰণ আৰু অগ্ৰগতি আজিৰ দৰে ইমান বিস্তৃত আৰু সুদূৰ প্ৰসাৰী নাছিল তথাপি জ্ঞানৰ অন্বেষণ আৰু উত্তৰণৰ বাবে বেলেগ ধৰণে চেষ্টা কৰা হৈছিল। আজিৰ বিশ্বায়নৰ যুগত সমাজৰ অগ্ৰগতিৰ ক্ষেত্ৰত শিক্ষাকেই প্ৰথম মাপকাঠী হিচাপে গণ্য কৰা হৈছে। আমি নিঃসন্দেহে ক'ব পাৰো মানুহৰ মনত যিকোনো ভ্ৰান্ত ধাৰণা, কুসংস্কাৰ, অন্ধবিশ্বাস আদিয়ে বাঁহ ল'ব পাৰে। এইবোৰ আঁতৰ কৰাত শিক্ষাই বিশেষভাৱে অৰিহণা যোগাব পাৰে। অৱশ্যে কেৱল আনুষ্ঠানিক শিক্ষাটোক নিজৰ ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিব পৰাটো সমানেই গুৰুত্বপূৰ্ণ কথা।

সমাজখনক যদি আমি পক্ষী বুলি ধৰি লওঁ, তেন্তে এই পক্ষীটোৰ দুয়োখন ডেউকা সমানে কাৰ্যক্ষম হ'লেহে সমাজৰ প্ৰগতি সম্ভৱ। সমাজত পুৰুষ আৰু মহিলা সমানে কাৰ্যক্ষম হ'লেহে সমাজৰ প্ৰগতি সম্ভৱ। সমাজত পুৰুষ আৰু মহিলা সমানে শিক্ষিত হ'লেহে শিক্ষাৰ কাৰ্যকাৰিতা আৰু শিক্ষাৰ প্ৰায়োগিকতা সম্ভৱ হ'ব। সম্ৰাট নেপোলিয়ন বোনাপাৰ্টে কৈছিল— মোক কেইগৰাকীমান ভাল মাতৃ দিয়া, মই তোমালোকক এটি সুসভ্য জাতি উপহাৰ দিম। এটি পৰিয়াল সুস্থ আৰু শৃংখলাৱদ্ধ হ'লে তাৰ প্ৰভাৱ পোনপটীয়াকৈ ৰাষ্ট্ৰগঠন আৰু জাতি গঠন প্ৰক্ৰিয়াতো পৰিলক্ষিত হয়। গতিকে এগৰাকী ছোৱালীক শিক্ষিত কৰা মানে এখন দেশক শিক্ষিত কৰা।

চহৰাঞ্চলত প্ৰায়ভাগ ছোৱালীয়ে স্কুল কলেজৰ শিক্ষা গ্ৰহণ কৰা পৰিলক্ষিত হয়; কিন্তু গাঁৱৰ ভিতৰুৱা অঞ্চলত বহু সংখ্যক ছোৱালীয়ে বিদ্যালয়ৰ দুৱাৰমুখ গৰকা নাই। এতিয়াও বহুসংখ্যক ছোৱালী বিদ্যালয়লৈ নোযোৱা বা বিদ্যালয় আধাতে এৰাৰ মূলতে সমাজৰ বহু বদ্ধমূল ধাৰণা জড়িত হৈ আছে।

এখন দেশৰ, এখন সমাজৰ প্ৰগতি প্ৰকৃতাৰ্থত নিৰূপণ কৰা হয়, গাঁও অঞ্চলত হোৱা অগ্ৰগতিৰ মূল্যায়নৰ জৰিয়তে; কিয়নো আমাৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশ লোকেই গাঁৱত বাস কৰে। গাঁৱৰ পৰা ওলাই অহা মেধা বা প্ৰতিভা সম্পন্ন লোকসকলে সুশৃংখলিত আৰু প্ৰণালীৱদ্ধ চিন্তাধাৰাৰ মাজেদিহে চহৰ অঞ্চলৰ উন্নয়ন বা অগ্ৰগতিৰ পৰিকাঠামো নিৰ্মিত হয়। সেয়েহে চহৰ অঞ্চলত কেইটিমান বছা বছা পৰিয়ালত সৃষ্ট চিকিৎসক, অভিযন্তা অথবা বিষয়াৰ যোগেদি দেশৰ শিক্ষাৰ অগ্ৰগতিৰ মান নিৰ্ণয় কৰা ধাৰণাটো নিঃসন্দেহে শুদ্ধ ধাৰণা হ'ব নোৱাৰে। শিক্ষাৰ সামগ্ৰিকতা আৰু সাৰ্বজনীনতাৰ মান নিৰূপণ কৰিব লাগিব, গাঁও তথা বিভিন্ন ভিতৰুৱা শৈক্ষিক স্থিতি উন্নয়ন তথা সামগ্ৰিক বিকাশৰ প্ৰক্ৰিয়াটো সমাজখনৰ, পৰিয়ালটোৰ অভিভাৱকসকলৰ ভূমিকা যথেষ্ট ইতিবাচক আৰু গুৰুত্বপূৰ্ণ হোৱা উচিত। অৰ্থনৈতিক অনগ্ৰসৰতাকে সমাজৰ দৃষ্টিভংগীত শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হিচাপে ধৰি লোৱা হয় যদিও বৰ্তমান সময় আৰু পৰিস্থিতিত চৰকাৰীভাৱেও শিক্ষাৰ অগ্ৰায়ণৰ বাবে সৰ্বশিক্ষা আঁচনি, ছোৱালী শিক্ষাৰ বাবে বিশেষ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনিকে ধৰি কে'বাখনো গুৰুত্বপূৰ্ণ আঁচনি সমগ্ৰ দেশব্যাপী প্ৰৱৰ্তন কৰা হৈছে; কিন্তু তাৰ পাছতো আমাৰ দেশত সাক্ষৰতাৰ হাৰ দুখলগা। বিশেষকৈ ছোৱালীৰ সাক্ষৰতাৰ হাৰ অতি দুখলগা। শৈক্ষিত স্থিতি উন্নয়ন কৰাটো নিশ্চিত কৰাৰ হকে আৰ টি ই শিক্ষাৰ অধিকাৰ আইন ২০০৯খন প্ৰৱৰ্তন কৰা হৈছে। সৰ্বশিক্ষা আঁচনিৰ জৰিয়তে শিক্ষাৰ দিশত যিখিনি কৰিবলৈ বাকী আছে সেইখিনিৰ ক্ষেত্ৰত সম্পূৰ্ণ নিশ্চয়তা আনিবৰ বাবে আইনো প্ৰৱৰ্তন কৰা হ'ল। গতিকে ইয়াৰ পাছত আমাৰ ৰাজ্যৰ শিক্ষাৰ সামগ্ৰিক চিত্ৰখন উন্নত কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আহি পৰিছে। ছোৱালীসকল শিক্ষাৰ ক্ষেত্ৰত এতিয়াও বহুত পিছপৰা। ছোৱালী অথবা মহিলাসকলৰ ওপৰত চলি থকা বৈষম্যমূলক আচৰণৰ বাবে ছোৱালী সাক্ষৰতাৰ হাৰ নিম্নগামী হোৱাৰ উপক্ৰম হৈছে। বহুতো দৰিদ্ৰ পৰিয়ালত অভিভাৱকে ল'ৰা সন্তানক যিকোনো উপায়ে পঢ়ুওৱাৰ ব্যৱস্থা কৰে; কিন্তু ছোৱালী সন্তানসকলক ধন উপাৰ্জনৰ বাবে আনৰ ঘৰত বনকৰা ছোৱালী হিচাপে অথবা অসংগঠিত খণ্ডত শ্ৰমিক হিচাপে নিয়োগ কৰা দেখা যায়। অভিভাৱকসকলৰ এনে শিথিল আৰু বৈষম্যমূলক মনোভাৱৰ বাবে ছোৱালীসকল কেৱল যে শিক্ষা লাভৰ পৰাই বঞ্চিত হয় এনে নহয়। বহু সময়ত এওঁলোক খুব কম সময়তে শাৰীৰিক,, মানসিক আৰু যৌন উৎপীড়নৰো বলি হ'বলগীয়া হয়। বহু সময়ত বিদ্যালয়তেই ছাত্ৰীসকল খুব কম সময়তে শিক্ষকসকলৰ দ্বাৰাও উৎপীড়নৰ বলি হ'বলগীয়া হয়। এনেবোৰ ভয়, শংকাৰ বাবেই ছোৱালীসকলে আধাতে বিদ্যালয়লৈ যাবলৈ এৰি দিয়ে। ঘৰখনৰ সকলো অভিভাৱকে এই কথা গভীৰভাৱে চিন্তা কৰি চোৱাৰ প্ৰয়োজন হৈছে। চহৰাঞ্চল অথবা গাঁও অঞ্চলতো কেইগৰাকীমান চিকিৎসক, অভিযন্তা আদি ছোৱালীসকলৰ মাজত গঢ় দিলেই ছোৱালী শিক্ষাৰ মান উন্নীত হোৱাটো নুবুজায়, যেতিয়ালৈকে গাঁও আৰু বিভিন্ন ভিতৰুৱা অঞ্চলৰ আধাতে বিদ্যালয় এৰা ছোৱালীৰ সংখ্যা হ্ৰাস কৰিব পৰা নাযায়। আনকি চহৰ অঞ্চলতো বহু অভিভাৱকেই এতিয়া কেৱল পৰীক্ষাত নম্বৰৰ প্ৰতিযোগিতাত দৌৰাত্মক উঠা-বহা কৰা দেখা গৈছে। তাৰ পৰিৱৰ্তে ল'ৰা-ছোৱালীৰ নৈতিক আৰু সুউচ্চ আৰু সুৰুচি সম্পন্ন মানসিক চিন্তাধাৰাৰ বিকাশত গুৰুত্ব দিয়া উচিত। অতি পৰিতাপৰ বিষয় এই যে আজিৰ দিনত পৰীক্ষাত অতি উচ্চমানৰ ফলাফল প্ৰদৰ্শন কৰা বহু ছাত্ৰ-ছাত্ৰীয়ে লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিষয়ে সামান্যতম জ্ঞানো নাই। সমাজ অথবা জাতিৰ ভাষা, স্ৰষ্টাসকলক চিনি নোপোৱাটো কোনো কাৰণতেই দেশ আৰু জনগণৰ বাবে শুভলক্ষণ হ'ব নোৱাৰে। গতিকে অভিভাৱকসকল এনেবোৰ দিশত সচেতন হোৱাটো প্ৰয়োজন।

গতিকে বৰ্তমান সময় আৰু পৰিস্থিতিত সন্তানক এনে শিক্ষা দিব লাগে, যাৰ যোগেদি নিজকে সমাজৰ চৌপাশৰ পৰিৱেশৰ লগত খাপ খুৱাব পৰাকৈ উপযোগী কৰি তুলিব পাৰি। ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত আমি সকলোৱে সৰ্বাধিক গুৰুত্ব দিব লাগে, যাতে ছোৱালীয়ে আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত হোৱাৰ উপৰি অৰ্থনৈতিক দিশত নিজকে স্বাৱলম্বী কৰিব পাৰে। সময়ৰ পৰিৱৰ্তনৰ লগত নিজক খাপ খুৱাই তুলিবলৈ সক্ষম হয়। সমাজত থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আদি বিভিন্ন ভুল ধাৰণা সহায়ক হয়। সমাজত নিজৰ স্থিতি সম্পৰ্কে সজাগ হয়। সমাজত ছোৱালীৰ ওপৰত চলি থকা শোষণ, নিৰ্যাতন আদিৰ প্ৰতিবাদ কৰিব পাৰে। তদুপৰি জনসংখ্যা বৃদ্ধি, যৌতুক প্ৰথা, বাল্যবিবাহ আদি হ্ৰাসকৰণ বা নিৰ্মূলকৰণৰ ক্ষেত্ৰত ছোৱালীৰ শিক্ষা নিশ্চিত কৰিব পাৰিলেহে আমি নিজকে সবল কৰি গঢ়ি তুলিব পাৰিম। সেই বাবে প্ৰতিগৰাকী অভিভাৱক তথা পিতৃ-মাতৃয়ে তেওঁলোকৰ কন্যা সন্তানক শিক্ষা লাভৰ সুযোগ দিব লাগে আৰু এই ক্ষেত্ৰত এক জনজাগৰণৰ সৃষ্টি কৰিবলৈ সমাজৰ হিতকাংক্ষী ব্যক্তি, অনুষ্ঠানসমূহে আগবাঢ়ি আহিব লাগে।

ফোন ঃ ৮৬৩৮০৬০৫৭৩



# সমাজ, ৰাজনীতি আৰু ক্ষমতাৰ যুঁজ

অৱলোকন

ৰামচন্দ্ৰ চুতীয়া

**সভ্যতাৰ** অগ্ৰগতিৰ লগে লগে দেশ একোখন চলাবলৈ মানুহে এদিন নিজৰ মাজৰ পৰা নেতা একোজন নিৰ্বাচন কৰি সুশৃংখল ব্যৱস্থা এটি কৰি ল'লে। মানৱ সভ্যতাৰ ই এটা অতি অভিনৱ পদক্ষেপ। মানুহে এই ব্যৱস্থাটো কৰি ল'ব নোৱাৰা হ'লে সমাজত আজিও নানান বিশৃংখলাৰ সৃষ্টি হৈয়ে থাকিল হেতেন। সমাজ আদিম কালত নানান অপায়-অমংগলৰ সন্মুখীন হ'ব লাগিছিল, কিয়নো সেই দিনবোৰত বন্য জন্তুৰ দৰে যাৰ বল তাৰে 'শাসন' চলিছিল। কোনো এটা দল শক্তিশালী থাকিলে, সেইদলে দুৰ্বল দলৰ ওপৰত নানান অকথ্য আচৰণ কৰিছিল আৰু বহুতো সময়ত যুঁজ-বাগৰ কৰিছিল। তেনে হোৱৰ কাৰণে দুৰ্বল গোটবোৰ পেপুঁৱা লাগি আছিল। ভয়তে দূৰে দূৰে বাস কৰিছিল। সময় আগবঢ়াৰ লগে লগে জনসংখ্যা বাঢ়িছিল আৰু নিজ নিজ বাসভূমিৰ বিস্তৃতি ঘটিছিল। সেইদৰে মানুহৰ সংখ্যা দ্ৰুত গতিত বঢ়াত নিজকে শৃংখলিতভাৱে সমাজ পাতি চলিবলৈ ন ন উপায়ৰ কথা ভাবিলে আৰু তাৰে উপায় হিচাপে আধুনিক সমাজ ব্যৱস্থাৰ কথাটোৱে গুৰুত্ব লাভ কৰি আজিৰ এই অৱস্থাটো পাইছেহি। নেতা নিৰ্বাচনৰ কথাটো তাৰে কাৰ্যক্ষম, সকলোৱে আদৰণীয় এক উত্তম উপায় মাত্ৰ। গতিকে ইয়াক কোনেও আজি বেয়া বোলা নাই আৰু অগ্ৰহণীয় বুলিও কোনো ওজৰ-আপত্তি কৰা নাই।

আদিম অৱস্থাৰ পৰা মানুহে ঢাপে ঢাপে আগবাঢ়ি গৈ জীৱন-ধাৰণৰ মান বঢ়াই লোৱাৰ সময়তে পূৰ্বৰ সমাজখন সকলো দিশৰ পৰা সংশোধিত হৈ পৰিল, উন্নত হৈ উঠিল। সেয়েহে আজিৰ দিনৰ নিৰ্বাচিত নেতাবোৰে সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত চৰকাৰ গঠন কৰি দেশ চলোৱাৰ ব্যৱস্থাটো আধুনিক বিশ্বই সৰ্বান্তকৰণেৰে মানি লৈছে। ই বৰ সুন্দৰ ব্যৱস্থা। ক্ষমতাৰ বাবে ভায়ে ভায়ে কৌৰৱ-পাণ্ডৱৰ দৰে মহাৰণ কৰি নিপাত যোৱাতকৈ শান্তিপূৰ্ণভাৱে দেশ চলোৱাটো সমৰ্থনযোগ্য, আদৰণীয় আৰু নিয়মৰ ফালৰ পৰাও ই এটি শ্ৰেষ্ঠতম উপায়। বৰ্তমান শ্ৰীলংকাত প্ৰধানমন্ত্ৰীৰ বাসগৃহ জ্বলাই দিয়া বা ৰাষ্ট্ৰপতিৰ বাসভৱনত বলপূৰ্বক প্ৰৱেশ কৰি ধ্বংসাত্মক যি কাৰ্য কৰা হ'ল, সি আকৌ অসফল গণতন্ত্ৰৰ শাসন ব্যৱস্থাৰ পৰা উদ্ভৱ হোৱা ভয়ংকৰ দুৰ্ঘটনা বুলি গণ্য কৰিব পাৰি।

নেতা-নিৰ্বাচনৰ আৰম্ভণিটোৰ মূল লক্ষ্য আছিল নিজৰ গোট বা সমাজখনক সুৰক্ষা প্ৰদান কৰা। সেই কাম কৰিবলৈ মানুহ স্বাস্থ্যৱান, শক্তিশালী আৰু কৰ্মপটু হ'ব লাগিছিল। সমাজে আদিম স্তৰত সেই কথাটোত বিশেষভাৱে চকু দিছিল। সমাজ ক্ৰমান্বয়ে ক্ৰমবিকাশৰ সোঁতত উজাই যাওঁতে সমাজৰ সৰ্বপ্ৰকাৰৰ বিকাশৰ কথাটোতো গুৰুত্ব দিবলৈ শিকিলে। মানৱ সমাজলৈ এনে এটা দিন আহিল সমাজত প্ৰতিজন শক্তিশালী বা যোগ্যজনে সমাজ পৰিচালনা কৰাৰ দায়িত্ব লোৱাৰ মানস কৰিবলৈ ধৰিলে। তেনে অৱস্থাত সমাজেও তেওঁলোকৰ দৃষ্টিভংগী সলনি কৰি নতুনক আদৰণি জনাবলৈ শিকিলে। তেওঁলোকে স্বীকাৰ কৰি ল'লে যে সদায় একেজন ব্যক্তি নেতৃত্বত থকাতকৈ মাজে-সময়ে সলনি হ'লে একো বেয়া কথা নহয়। নতুন নেতৃত্বই ন-উদ্যমেৰে সমাজক আগুৱাই নিবলৈ সুবিধাহে পাব বুলি সেই নিয়মকে গ্ৰহণ কৰিলে। বৰ্তমানৰ নিৰ্বাচনৰ প্ৰক্ৰিয়াটো সেই পুৰণি নিয়মৰে সংশোধিত নতুন ৰূপ। আজিৰ সমাজ সকলো কথাতে বহুত আগবাঢ়িল, ই সময়ৰ আহ্বান।

মানৱ সভ্যতাৰ বিকাশৰ লগে লগে পৃথিৱীখনত সকলো কাম নিজৰ ইচ্ছাত হ'বলৈ ধৰিলে। মানুহৰ মন, মগজুৰ লগে লগে সামাজিক বিকাশৰ গতি অব্যাহত থাকিল। জনসংখ্যাৰো দ্ৰুত সলনি হ'ল। মৃত্যুৰ হাৰ কমাৰ লগে লগে সমগ্ৰ বিশ্বত মানুহৰ আধিপত্য বাঢ়িবলৈ ধৰিলে। মানুহৰ অবিৰত জয়যাত্ৰাত সমগ্ৰ মানৱ জাতি উৎফুল্লিত হৈ জগতত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিলে। সেইখিনিলৈকে ঠিকেই আছিল; কিন্তু মানুহ যেতিয়া আগ্ৰাসী স্বভাৱৰ হ'ল, পূৰ্বতকৈ আধুনিক কালত আনক ডকা-হকা দি বশলৈ অনাৰ মানসিকতা বাঢ়িবলৈ ধৰিলে, তেতিয়াৰ পৰাই মানৱ জাতিৰ পুনৰ অৱক্ষয় আৰম্ভ হ'ল। মানুহৰ জগতখন বৰ সৰু নহয়, ভাগ-বাটোৱাৰা কৰি খালে সকলোৱে বাবে সৰ্বদিন সুখকৰ হৈয়ে থাকিলহেতেন !কিন্তু এই ভাল কথাবোৰত আজিৰ দিনত গুৰুত্ব দিয়েইবা কোনে? সেই দিশটো চোৱা মানুহৰ সংখ্যা কমিবলৈ ধৰিলে।

নিজৰ আগ্ৰাসী স্বভাৱৰ বাবে মানুহে জগতৰ স্থলভাগৰ প্ৰায় সকলো ঠাই নিজৰ কামৰ বাবে অধিকাৰ কৰি ল'লে। সেই কামটো কৰোঁতে প্ৰথম অৱস্থাত অন্য প্ৰাণীৰ কথা সমূলি পাহৰি গ'ল। যাকে য'তে পালে তাতে হত্যা কৰি নিজৰ আধিপত্য বিস্তাৰ কৰাত লাগিল। নিজৰ কামৰ বাবে হাতী, গড়, তিমি, বাঘ-ভালুক, অজগৰ, হৰিণ, বনৰ বান্দৰ আদি অজস্ৰ জীৱ হত্যা কৰি নিজৰ ভোগ-বিলাসিতাৰ গৌৰৱ বঢ়ালে। সেইবোৰো যে আমাৰ কামত অহা জন্তু, সেই কথা আমি এবাৰো মনতে নেপেলালো। তাতোকৈ ডাঙৰ কথা, বন্য জীৱ-জন্তুৰ বাসভূমি কাটি-কুটি তহিলং কৰি ন ন নগৰ গঢ়িলো আৰু নিজৰ দাম্ভিকতা প্ৰকাশ কৰিলো। তাৰ ফলত যিটো হ'ব লগা আছিল, সেইটোৱেই ঘটিল। পাৰিপাৰ্শ্বিকতা নাশ কৰি জগতখনকে নিজৰো বাসৰ অনুপযোগী কৰি তুলিলো। আজিৰ মহানগৰবোৰে মানৱ সভ্যতাক ভেঙুচালি কৰি মানুহক পংগু অংগ কৰি তুলিছে, নানান দুৰাৰোগ্য অসুখ-বিসুখৰ নৰককুণ্ড কৰি গঢ়ি তুলিছে। কেতিয়াবা আকৌ এনেও হৈছে, অৰণ্যৰ অভাৱত বন্য জন্তু মানুহৰ বসতি স্থলত প্ৰৱেশ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰিছে। আনলৈ নাযাওঁ, আমাৰ অসমৰ গুৱাহাটী, তেজপুৰতে জাকে জাকে হাতী দিন দুপৰতে কেতিয়াবা পেৰেড কৰি নগৰলৈ সোমাই আহে, বাঘো আহে, বান্দৰবোৰৰ কথা নক'লোৱেবা। বান্দৰে বাৰীৰ ফল-মূল, শাক-পাচলিৰ উপৰি চৰু উবুৰিয়াই ৰান্ধি থোৱা আহাৰ গ্ৰহণ কৰে, ফ্ৰীজৰ পৰা সাঁচি থোৱা খাদ্যও নিজে উলিয়াই পৰম তৃপ্তিৰে খায়। অসমৰ দৰং কলেজৰ ছাত্ৰাবাসত বান্দৰে যি উৎপাত, লুটপাত চলায়, তাক দেখিলে বিস্ময়ত চকু কপালত উঠে। এইবোৰ দুটামানহে উদাহৰণ, অসমৰ আন বহুতো ঠাইত এই অঘটনবোৰ নিতৌ ঘটিয়ে আছে। কিছুমান গাঁৱতে বান্দৰে দলবদ্ধ হৈ মানুহক আক্ৰমণ কৰাৰো দৃষ্টান্ত আছে। এইবোৰ মানুহৰ অবিবেচকী কামৰ বাবে হোৱা ঘটনা বুলি ক'ব পাৰি, আমাৰ শ্ৰেষ্ঠত্ব দেখুওৱা কামেই বুমেৰাং হৈ আজি আমাকে খেদি আহিছে। এইবোৰ মানৱ সমাজৰ বাবে প্ৰত্যাহ্বান ৰূপে থিয় দিছে।

মানৱ সমাজে প্ৰগতিৰ জখলাত উঠি গৈ থাকোতে ঘূৰি চাবলৈ সময় নোপোৱা বাবেই এই প্ৰাকৃতিক দুৰ্যোগবোৰো বিপদৰ কাৰক হৈ পৰিছে। দেশে দেশে আমি যাক ক্ষমতা দিছো, তেওঁলোকে জগত কল্যাণৰ কথাতো নাভাবিলেই, আনকি নিজৰ কল্যাণৰ কথাও কেতিয়াবা ভাবিব নোৱাৰা হৈ পৰে। তেওঁলোকৰ মতিগতি দেখিলে কেতিয়াবা তেওঁলোকে সমাজত কি কৰিব খুজিছে, তাকো আমি বুজি নোপোৱা হৈ পৰো। পদত্যাগ, দলত্যাগ, চক্ৰান্ত কৰি দলক বিপদত পেলাই নিজৰ স্বাৰ্থ পূৰণ কৰা, মিছাৰ আশ্ৰয় লৈ ৰাজনীতিৰ পথাৰখনকে নৰকলৈ সলনি কৰি পেলাইছে। চাৰিও দিশে আজি আমি কি দেখিছো, কেৱল ক্ষমতাৰ যুঁজ, ভীম-দুৰ্যোধনৰ গদা-যুদ্ধ নে ধন-যুদ্ধ আৰু দৰিদ্ৰজনৰ আৰ্তনাদ। এইবোৰ কিয় হ'বলৈ পাইছে, কাৰ দোষত হৈছে, তাৰ হিচাপ আজি কোনে কৰিব? উত্তৰটো অতি সহজ—সময়ে কৰিব। মানুহ সময়ৰ উৰ্ধ্বত নহয়।

মানুহে কিছুদিনৰ পৰা ভাবিবলৈ লৈছিল যে পৃথিৱীত আৰু ডাঙৰ যুদ্ধ হোৱাৰ কোনো সম্ভাৱনা নাই। তাৰ কাৰণ আজিৰ যুদ্ধাস্ত্ৰবোৰ অতি ভয়ংকৰ একোপাত ব্ৰহ্মাস্ত্ৰ। এইবোৰৰ প্ৰয়োগ কৰি কোনো কাৰো ওপৰত ৰজা হ'ব নোৱাৰে। বালিলৈ যি পাত শৰ, সুগ্ৰীৱলৈও সেইপাত অস্ত্ৰৰ প্ৰয়োগ হোৱাত অকণো বিলম্ব কৰিব নালাগে। আজিৰ পৃথিৱীত প্ৰায় প্ৰত্যেকেই ব্ৰহ্মাস্ত্ৰৰ অধিকাৰী; ব্ৰহ্মাস্ত্ৰ মানে আমি পৰমাণু অস্ত্ৰৰ কথা কৈছো। এতিয়া কোন কাৰ কিমান ডাঙৰ শত্ৰু, সেই কথা জনাই টান হৈ পৰিছে। ৰাছিয়া আৰু ইউক্ৰেনৰ যুদ্ধখনলৈকে চাওকচোন। এতিয়া কওকচোন কোন কাৰ শত্ৰু?

ভাৰতলৈকো চাওক। দেশৰ কেন্দ্ৰীয় নেতৃত্ব আৰু ৰাজ্যসমূহৰ ক্ষমতাৰ বাবে কোনে কি কাম কৰা নাই? প্ৰয়োজন হ'লে ক্ষমতাৰ বাবে মানুহে মানুহক চৰম অপমান কৰিব পাৰে, আনকি নিজৰ ভিতৰতে। এতিয়া দল-সংগঠন বুলিও কোনো কথা নাই, ধন থাকিলেই যিকোনো কাম কৰিব পাৰে। নিজৰ দলকো ভৰিৰে গছকি, সদায় আদৰ্শ আদৰ্শ বুলি কৈ থকা দলকো বিশ্বাসঘাতকতা কৰি ক্ষমতা আঁজুৰি ল'ব পাৰে। সেই কাম কৰোঁতে কোনেও অকণমানো লাজ অনুভৱ নকৰে। শেহতীয়াভাৱে মহাৰাষ্ট্ৰৰ বিধায়কসকললৈকে চাওক, আনবোৰকো ইতিমধ্যে দেখিছেই। আমি তেওঁলোকৰ কোন শুদ্ধ বা অশুদ্ধ তাক আঁতৰৰ পৰা কৈ দিব নোৱাৰো। আমাৰ বক্তব্য হ'ল, তেওঁলোকৰ আভ্যন্তৰিণ বাদ-বিবাদবোৰ নিজৰ ৰাজ্যতে সমাধান কৰি ল'ব নোৱাৰিলে কিয়? ভাৰতত এইটো কি ধৰণৰ অপসংস্কৃতিয়ে গঢ় লৈ উঠিছে? নিজৰ ৰাজ্যতে নিজৰ সমস্যা সমাধান কৰিব নোৱাৰি আন ৰাজ্যত খোপনি পুতিব লগা হয়। এটকাও খৰচ কৰিব নলগীয়া কামটোত কোটিৰ হিচাপত খৰচ কৰা হয়। সেইসকল ছত্ৰপতি শিৱাজীৰ উত্তৰাধিকাৰী হয় নে? আমাৰ নেতাবোৰ যে সাধাৰণ মানুহতকৈ কিছু গুণী-জ্ঞানী বুলি ভাবো, তেওঁলোকৰ কামত তাৰ কিবা প্ৰমাণ পাওঁ নে? সকলো দলতে বিশাল দেশখনৰ সকলো ৰাজ্যতে পুনঃ পুনঃ সেই পৰিস্থিতিটোৰ কাৰণে জগৰীয়া কোন? দিন যোৱাৰ লগে লগে এনে কাৰ্যই সভ্যতাৰ সকলো সীমা অতিক্ৰম কৰি মানুহক স্তম্ভিত কৰিয়েই তোলা নাই, মুক-বধিৰো কৰি তুলিছে। ক্ষমতাৰ কাৰণে সকলোতে কৌৰৱ-পাণ্ডৱৰ দৰে ওখনা-ওখনি, হতাহতি আৰু শেষত মহাৰণত নামি পৰে কিয়? আজিৰ ৰাজনীতিত ক'ত আছে নীতি, আদৰ্শ? তেনেহ'লে ৰাজনীতি কি, কেৱল ক্ষমতাৰ যুঁজহে নেকি? এই প্ৰশ্নটো অৰ্থাৎ বিষয়টো লৈ আমাৰ দেশৰ সৰুবৰ সকলো দলৰ সকলো নেতাই আলোচনাত বহক, তেতিয়াহে তেওঁলোকে কিবা এটা সম্মানজনক ব্যৱস্থা কৰি ল'ব পাৰিব। তেওঁলোকে সেই কামটো কৰিব নোৱাৰিলে, কাহানিবা সাধাৰণ নাগৰিকেই অসন্তুষ্ট হৈ উঠিব পাৰে, বিদ্ৰোহো কৰিব পাৰে। ভৱিষ্যতে তেনে কিবা এটা অঘটন ঘটিলে কিন্তু দেশৰ সকলোৱে বাবে ই অত্যন্ত লাজৰ কথা হৈ পৰিব।

*ফোন ঃ ৭০৮৬২ ১৭৪২৫*


# আপোনাক কোনেও ভাল নাপায়

ৰীণা বিশ্বাস



**আমি** যদি কওঁ ---কোনেও কাকো ভাল নাপায় বুলি? কথাটো শুনিবলৈ বৰ নিষ্ঠুৰ যেন লাগিব; কিন্তু অলপ চিন্তা কৰি চালে বুজা যায় যে সঁচাকৈয়ে কোনেও কাকো সতকাই ভাল নাপায়। সম্পৰ্ক যিমানেই আপোন বা মৰমৰ নহওক কিয়, কোনোবা এজন যদি আন এজনৰ অসুবিধাৰ কাৰণ হৈ পৰে তেন্তে যিমান আপোন নহওক কিয় অসুবিধাৰ সৃষ্টি কৰাজনক দ্বিতীয় ব্যক্তিজনে ভাল নাপায় বা সাময়িকভাৱে হ'লেও বিৰক্তি বোধ কৰে। কেঁচুৱা এটা জন্মৰ আগতে মাকৰো যিমান হেঁপাহ থাকে, জন্মৰ পাছত কেঁচুৱাটোৱে বেছি আমনি কৰি মাকক ৰাতি টোপনি ব্যাঘাত কৰিলে অলপ সময়ৰ বাবে হ'লেও কেঁচুৱাটোৰ ওপৰত মাকৰ খং উঠে। কথাটো তেনেই সাধাৰণ। জীৱনত আমি অতি সহজেই ভালপোৱা আদায় কৰিব নোৱাৰো। কাৰোবাৰ ভাল পোৱা, স্নেহ-শ্ৰদ্ধা আদায় কৰাই কিজানি সকলো মানুহৰে মনৰ একান্ত বাঞ্ছা। সকলোৱেই আনৰ পৰা সদায় স্নেহ-শ্ৰদ্ধা আৰু ভালপোৱা আশা কৰে; কিন্তু জীৱনত ভালপোৱা-স্নেহ-শ্ৰদ্ধা সহজেই আদায় কৰিব নোৱাৰি। কোনো বস্তুৰ বিনিময় অবিহনে যেনেকৈ আন এটা বস্তু পোৱা নাযায়, ঠিক সেইদৰে ভালপোৱা, স্নেহ-শ্ৰদ্ধা আদায় কৰিবলৈয়ো বিনিময়ৰ প্ৰয়োজন। দিয়া আৰু নিয়া এই অংকটোৱেই আমাৰ গোটেই জীৱন জুৰি চলি থকা এটা অঘোষিত নিয়ম।

এতিয়া কথা হ'ল --- কি দিলে বিনিময়ত কি পোৱা যায় ? এনেকুৱা এটা প্ৰশ্ন আমাৰ মনলৈ আহিব পাৰে। আচলতে মৰম, স্নেহ আৰু শ্ৰদ্ধা এই তিনিপদ বিষয় আদায় কৰাৰ ঘাই গুৰিটোৱেই হৈছে কৰ্ম। এতিয়া আপুনি মই ভাবিম কৰ্মৰ দ্বাৰা কি দিলে বিনিময়ত ওপৰত উল্লেখ কৰা তিনিটা বস্তু পোৱা যাব? এটা সৰু কাহিনীৰ সহায় ল'লেও বিষয়টো ভালদৰে বুজাত সহায় হ'ব। দেৱৰো দেৱ মহাদেৱক পতিব্ৰতা পত্নী পাৰ্বতীয়ে এবাৰ ভৰ্ৎসনা কৰিছিল, কাম-বন নকৰি ঘৰতেই ভাং-ধতুৰা খাই বহি থকা বাবে। পাৰ্বতীৰ মতে তেওঁলোকৰ বৃষভ নামৰ যাঁৰ গৰুটোকো যিহেতু মহাদেৱে বিনা কামত দানা-পানী এসোপা খুৱাই ধন নষ্ট কৰিছে, গতিকে মহাদেৱে কেৱল ঘৰতেই বহি নাথাকি ইচ্ছা কৰিলে বৃষভৰে হাল বাই খেতি কৰি এগালমান ধান ঘৰৰ ভঁৰাললৈ চপাব পাৰে। শিৱ হৈছে ত্ৰিলোক পতি তথা পাৰ্বতীৰ স্বামী। শ্ৰদ্ধা আৰু ভক্তিৰ প্ৰতীক। সেইহেন দেৱতাক পত্নীৰ এনে ভৰ্ৎসনাই অপমানিত কৰিলে; ফলত শিৱই যাঁৰগৰু বৃষভৰ পিঠিত উঠি খেতি কৰাৰ মানসেৰে যি ঘৰৰ পৰা ওলাই গ'ল আৰু ঘৰৰ ফালে মুখ কৰিবলৈকে এৰিলে। দিন-ৰাতি একাকাৰ কৰি, খোৱা-শোৱা বাদ দি শিৱই একান্ত মনে খেতিৰ কামত লাগিল। শিৱৰ এই কাৰ্য দেখি পত্নী পাৰ্বতীৰ মনত চিন্তা হ'ল। শিৱক কেনেকৈ ঘৰলৈ ঘূৰাই আনিব পাৰি। মনে মনে অনুতপ্ত হ'ল ভাং-ধতুৰা খাই ঘৰত বহি থাকিলেও শিৱ ত্ৰিলোকৰ পতি, লগতে তেওঁৰ স্বামী। গতিকে শিৱক এনেকৈ ভৰ্ৎসনা কৰাটো পাৰ্বতীৰ ঠিক হোৱা নাই। ইফালে শিৱই খেতি কৰি উভৈনদী কৰি পেলালে অথচ ঘৰৰ ফালে মুখেই নকৰে, শিৱই যেন অঁকৰা মৈত উঠি ননমাই হ'ল। উপায়ান্তৰ হৈ পাৰ্বতীয়ে নন্দী, ভৃংগী আৰু নাৰদকো পঠিয়াই যেতিয়া শিৱক ঘৰলৈ ঘূৰাই আনিব নোৱাৰিলে তেতিয়া মহ, ডাঁহ, চেৰেপা কিছুমান সৃষ্টি কৰি শিৱক আমনি কৰিবলৈ পঠিয়াই দিলে। তথাপি পাৰ্বতীৰ পৰা পোৱা অপমানত শিৱই ঠেহ ধৰি পথাৰতে নিগাজি হ'ল। অৱশেষত পাৰ্বতীয়ে হাহা-হুহু নামৰ দুই মানস পুত্ৰ সৃষ্টি কৰি শিৱক ঘৰলৈ ঘূৰাই আনিলে। শিৱৰ এনে দৈবজ্ঞ কৰ্ম দেখি পাৰ্বতীৰ মনত শিৱৰ প্ৰতি স্নেহ, শ্ৰদ্ধা উপজিল, যাৰ বাবে এদিন কৰ্মহীন হৈ ঘৰতেই বহি থকাৰ দোষত ভৰ্ৎসনা কৰা শিৱক ঘৰলৈ ঘূৰাই আনিবলৈ বিভিন্ন উপায় অৱলম্বন কৰিলে। এতিয়া এই কাহিনীটোৱে আমাক এই কথাই বুজায় যে মানুহে



মানুহৰ পৰা ভাল কিবা আদায় কৰিব পাৰিলেহে তাৰ প্ৰতি স্নেহ, শ্ৰদ্ধা আৰু ভালপোৱা প্ৰকাশ কৰে। শিৱৰ দৰে ত্ৰিলোকৰ পতিৰো যদি এনে অৱস্থা, তেনেহ'লে আমাৰ দৰে সাধাৰণ নৰ-মনিচৰ কথা তেনেই সাধাৰণ।

আমি অতি চালুকীয়া বয়সৰ পৰাই আমাৰ আইৰ মুখত এটি বাংলা যোজনা শুনিছিলো। বিশেষকৈ আয়ে যেতিয়া আমাক কিবা কাম কৰিবলৈ পাচিছিল আৰু আমি কামটো কৰি আইক সহায় কৰিবলৈ মান্তি হোৱা নাছিলো, তেতিয়া ভৰ্ৎসনাৰ সুৰত আয়ে আমাক কৈছিল 'কামেৰ আদৰ সৰ্বদা, চামেৰ (ছাল) আদৰ নেই।' তেতিয়া কোমলমতীয়া স্বভাৱ, আইৰ সেই যোজনাক আমি হাঁহি-তামাচাৰে উৰুৱাই দিছিলো; কিন্তু এতিয়া পৰিপক্ক বয়সত আইৰ সেই সোণসেৰীয়া যোজনা ফাকি যে আমাক নীতি শিক্ষাৰ বাবে ব্যৱহাৰ কৰিছিল সেই কথা পদে-প্ৰমাণে অনুভৱ কৰিবলৈ সক্ষম হৈছো। আমি সকলো ক্ষেত্ৰতে নিজৰ কৰ্মদক্ষতাৰেহে আগবাঢ়ি যাব পাৰো, তাৰ ব্যতিৰেকে জীৱনত সৰল আৰু সহজ বাট নাই। কাঁইটীয়া জটিল বাটৰো হেজাৰ বাধা কৰ্মদক্ষতাৰে আঁতৰাই আগবাঢ়ি যাব নোৱাৰিলে অতি সাধাৰণ মানুহ হিচাপেও আমি আমাৰ স্থিতি বাহাল ৰাখিব নোৱাৰো। লগতে কাৰো পৰাই স্নেহ-শ্ৰদ্ধা আদায় কৰিব নোৱাৰো। ঈশ্বৰে প্ৰদান কৰা আমাৰ শাৰীৰিক ৰূপ-সৌন্দৰ্য কেৱল দেখাৰহে বস্তু বুলি গণ্য হয় যদি কাম আৰু সদিচ্ছাৰ পৰিচয় দিব পৰা নাযায়। উদাহৰণ স্বৰূপে চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰা ছাত্ৰ বা ছাত্ৰী গৰাকীৰ পৰীক্ষাৰ ফলাফল ওলোৱাৰ লগে লগেই নিমিষতে সকলোৱে আদৰ আৰু স্নেহ-শ্ৰদ্ধাৰ পাত্ৰ হৈ যায়। আচলতে তেনে ছাত্ৰ বা ছাত্ৰীসকলক কায়িকভাৱে মুখমণ্ডলৰ ওপৰত ভিত্তি কৰি কোনেও চিনি নাপায় বৰঞ্চ তেওঁলোকৰ দক্ষ কৰ্মইহে তেওঁলোকক হঠাৎ সকলোৱে চিনাকি আৰু মৰম-স্নেহৰ পাত্ৰ কৰি তোলে।

উপযুক্ত বয়সত পিতৃ-মাতৃয়েও নিজ সন্তানে কাম-বন নকৰি গা ঘেলাই ঘূৰি ফুৰিলে ভাল নাপায়। সন্তান সকলো পিতৃ-মাতৃৰ আশাভৰসা আৰু মৰমৰ সম্বল, সেই সন্তানে যদি উপযুক্ত বয়সত উপযুক্ত কাম কৰি পিতৃ-মাতৃৰ মনত সন্তুষ্টি দিব নোৱাৰে তেনেহ'লে চকুৰ কুটা দাঁতৰ শেললৈ পৰিৱৰ্তন হ'বলৈ বেছি পৰ নালাগে। এটা বয়সলৈকে সকলো সন্তান পিতৃ-মাতৃ আৰু শিক্ষা জীৱনত শিক্ষা গুৰুৰ অধীনত থাকে; তেতিয়ালৈকে পিতৃ-মাতৃ আৰু শিক্ষা গুৰুৰ আদৰ্শ লৈ কৰ্মদক্ষতাৰে কেনেকৈ জীৱনৰ বাটত আগবাঢ়ি যাব পাৰি সেই শিক্ষা লাভ কৰে। শিক্ষাই মানুহক কৰ্মদক্ষ কৰি তোলে আৰু সেই কৰ্মৰ দ্বাৰাই মানুহ উজ্বলি উঠিব পাৰে। অন্যথা মানুহৰ শাৰীৰিক ৰূপ-যৌৱনে মানুহক মানুহৰ প্ৰিয়পাত্ৰ কৰি তুলিব নোৱাৰে। সেয়েহে বিশিষ্ট প্ৰবন্ধকাৰ কালিৰাম মেধিয়ে তেওঁৰ 'গৌৰৱ' নামৰ প্ৰবন্ধত কৈছে-- ৰূপ-যৌৱন আৰু বল এইবোৰ ক্ষণস্থায়ী। মানুহৰ প্ৰকৃত গৌৰৱৰ কাৰণ হৈছে আত্মসংযম, আত্মদানৰ দ্বাৰা সম্পাদন কৰা কৰ্মদক্ষতা। এক কথাত ক'বলৈ গ'লে নিজ কৰ্মদক্ষতাৰে এজনে আনজনলৈ আগবঢ়োৱা সহায়-সহযোগৰ মাধ্যমেদিহে মৰম-স্নেহ, শ্ৰদ্ধা-ভাল পোৱা আদি বৰ্তি থাকে। আমি যদি কওঁ, তাত সকলোৱে স্বাৰ্থ লুকাই থাকে তথাপি সেইষাৰ মিছা কথা নহ'ব। কাৰণ এটা পৰিয়ালত গৃহস্বামীয়ে যদি উপাৰ্জন কৰি আনি পত্নী আৰু সন্তানক ভৰণ-পোষণেৰে নিৰাপত্তা দি ৰাখিব নোৱাৰে তেনহ'লে সেইজন গৃহস্বামী পৰিয়ালৰ আদৰ আৰু স্নেহ-শ্ৰদ্ধাৰ পাত্ৰ হ'ব নোৱাৰে। ঠিক তাৰ বিপৰীতে পৰিয়ালৰ গৃহিণীয়েও যদি দক্ষতাৰে গৃহকৰ্ম সমাপনৰ দ্বাৰা পৰিয়ালৰ সকলোৱে আল-পৈচান ধৰিব নোৱাৰে তেনেহ'লে তেনে গৃহিণী অকাজী নাম পায় আৰু ঘৰ-ঘৰুৱাৰ আদৰৰ পৰা বঞ্চিত হয়। আমাৰ পৰিচয় কামত। নামত নহয়। আমি একমাত্ৰ কামৰ দ্বাৰা আনৰ উপকাৰ সাধিহে মানুহৰ পৰা মৰম-স্নেহ আৰু শ্ৰদ্ধা আদায় কৰিব পাৰো।

আমাৰ সমাজত যিসকলে দুষ্কৃতিকাৰী অৰ্থাৎ আনৰ অপকাৰ হোৱাৰ সম্ভাৱনা থকা কামত লিপ্ত হয়, সেইসকলৰ কামে কিন্তু সচৰাচৰ কাৰো মন জয় কৰিব নোৱাৰে। সেয়েহে দুষ্কৃতিকাৰীসকল কাৰো স্নেহ-শ্ৰদ্ধা আৰু মৰমৰ পাত্ৰ নহয়। এনেকি জন্মদাতা পিতৃ-মাতৃৰো এনেকুৱা সন্তানৰ প্ৰতি মৰম-স্নেহ নাথাকে। গতিকে কৰ্ম আৰু দায়বদ্ধতাৰে পৰিয়াল আৰু দহোজনৰ উপকাৰ সাধিব পৰা কাৰ্য সম্পাদনৰ দ্বাৰাহে মানুহে মানুহৰ পৰা স্নেহ-শ্ৰদ্ধা আৰু মৰম পায়। বিজ্ঞজনে সদায় আমাক সোঁৱৰাই দিয়ে যে আমাৰ জীৱনটো বহুত বেছি দীঘল নহয়। এই স্বল্পম্যাদী জীৱনত আমি পৰাপক্ষত আনৰ মৰম-স্নেহ আৰু শ্ৰদ্ধাৰ পাত্ৰ হ'বলৈ প্ৰয়াস কৰিলেই হয়তো আমি যিবোৰ কাম কৰো তাৰ শুদ্ধাশুদ্ধ বিচাৰ হয়। নিজৰ লগতে আনৰ মংগলৰ বাবে যি কামৰ পৰিকল্পনা কৰা হয় সেই কামেই মানুহৰ সহায়ৰ কাৰক। মানুহৰ মাজত সঞ্চিত হৈ থকা শুভ চিন্তাৰ ফলশ্ৰুতিয়ে সম্পাদন কৰা কামৰ দ্বাৰাই আমি মানুহৰ প্ৰিয়ভাজন হ'ব পাৰো অন্যথা আমাক বা আপোনাক কোনেও ভাল নাপায় বা আমি কাৰো প্ৰিয়ভাজন হ'ব নোৱাৰো।

এজন ব্যক্তিৰ জীৱন কালত কিমান শুভশক্তি লুকাই আছে সেই কথা কামৰ মাজত অন্তৰ্নিহিত হৈ থাকে বাবেই হয়তো পৰিয়ালৰ জ্যেষ্ঠজনে কনিষ্ঠসকলক সৎকৰ্ম কৰিবলৈ উৎসাহিত কৰি বিফল হ'লেই তাৰ দণ্ড স্বৰূপে পুৰস্কাৰৰ পৰিৱৰ্তে তিৰস্কাৰ কৰে। ঘৰৰ বয়োজ্যেষ্ঠসকলৰ এনে ব্যৱহাৰত কনিষ্ঠসকল কেতিয়াবা ক্ষুন্ন হয় যে তেওঁলোকৰ পিতৃ-মাতৃয়ে তেওঁলোকক মৰম, স্নেহ আৰু আদৰ নকৰে। বৰঞ্চ কথাটো তেনেকুৱা নহয়। কৰ্মৰ প্ৰতি সচেতন হ'বলৈ আমি প্ৰত্যেকেই প্ৰথমে পৰিয়ালৰ পৰাই শিকিব লাগিব। পৰিয়ালৰ জ্যেষ্ঠজনে শাসন-অনুশাসনেৰে এই শিক্ষা নিদিলে আমি কৰ্মক্ষম হৈ নিজৰ জীৱন সুচাৰুৰূপে চলাই নিব নোৱাৰো। সেয়েহে মানুহে মানুহৰ মাজত অন্তৰ্নিহিত হৈ থকা শুভশক্তিৰ দ্বাৰা কিমানখিনি ভাল কাম কৰি নিজৰ লগতে পৰিয়াল আৰু দহোজনৰ মংগল সাধন কৰিব পাৰে তাৰ বাবেই মানুহে মানুহৰ শাৰীৰিক সৌন্দৰ্যৰ তুলনাত কৰ্মশক্তিক বেছিকৈ প্ৰাধান্য দিয়ে। সেয়ে চাগে বুঢ়া-মেথাসকলে কৈছিল ।

'দেহশ্ৰী হ'লে, হওক কুন্ধচ
কওতা নাই,
কৰ্মৰ বল কি চাবা,
বিদেশৰ বণিজলৈ যায়।'

গতিকে আমি কাৰোবাৰ যিমানেই হিয়াৰ আমঠু নহওঁ কিয়, মৰম-স্নেহ, শ্ৰদ্ধাৰ পাত্ৰ হ'বলৈ হ'লে আমাৰ মনত লুকাই থকা শুভশক্তিক উচিত দিশত প্ৰয়োগ কৰি এজনে আনজনৰ মংগলৰ হকে কাম কৰিব লাগিব। অন্যথা আমি কাৰো হিয়াৰ আমঠু হৈ বহুত দিনলৈ থাকিব নোৱাৰো। এদিন মোহভংগ হ'বই। সেয়ে কৈছো, আপোনাক-মোক কোনেও ভাল নাপায়। ভাল পায় আমাৰ সদিচ্ছাৰ বলত সম্পাদন কৰা কৰ্মশক্তিক। আমি যদি ঘৰতেই লাহ-বিলাসত মজি কাম-বন নকৰাকৈ থাকো, আমাৰ পৰা কোনো সম্ভাৱনাপূৰ্ণ কামৰ আশা নাথাকে তেনহ'লে আমি আনৰ চকুৰ লগতে নিজৰ চকুতেই নিজে অপ্ৰিয় আৰু আপচু হ'বলৈ বহুত বেছি সময় নালাগে।

*ফোন- ৭০০২৭৩৪৯৬২*

## তেজপুৰত খহনীয়াক্ৰান্ত অঞ্চলত মাটি

*তিনি পৃষ্ঠাৰ পৰা* লোৱা সত্ত্বেও চৰকাৰী বিভাগসমূহে সম্পূৰ্ণ নীৰৱতা অৱলম্বন কৰিছে বুলি অভিযোগ কৰি ৰাইজে লগতে কয় যে যোৱা মাহত এই স্থানতে এজন যুৱক জীয়াভৰলীত খৰি ধৰিবলৈ গৈ সন্ধানহীন হৈছিল। এই পৰ্যন্ত তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱা নাই যদিও বৰ্তমান সেই স্থানতে জধে-মধে নৈৰ মাটি খন্দাত জীয়াভৰলীৰ পানী বৃদ্ধি পালেই অঞ্চলটোত এইদৰে খননৰ ফলত হোৱা পুখুৰী সদৃশ অংশৰে পানী প্ৰৱেশ কৰি কোৰকানি অঞ্চলৰ অৱস্থা শোচনীয় কৰি তুলিব। এই ক্ষেত্ৰত প্ৰশাসন তথা আৰক্ষীক খননৰে জড়িত চক্ৰটোৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ক্ষুব্ধ ৰাইজে আহ্বান জনাইছে।

## কাঁহিকুছিত প্ৰধানমন্ত্ৰীৰ আবাস যোজনাৰ

*তিনি পৃষ্ঠাৰ পৰা* প্ৰতিষ্ঠান 'এছ আই পি আৰ ডি' চৌহদত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মিত আৰ্হি ঘৰৰ উদ্বোধন কৰি এই উপলক্ষে প্ৰেক্ষাগৃহত অনুষ্ঠিত দুদিনীয়া কৰ্মশালাত মুখ্য অতিথি হিচাপে ভাগ লৈ এই মন্তব্য কৰে দাসে। মন্ত্ৰী দাসে কৰ্মশালাত ভাগ লোৱা ৰাজ্যৰ কে'বাখনো জিলাৰ শতাধিক উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া আৰু কাৰিকৰী বিষয়াসকলক উদ্দেশ্যি কয় যে আপোনালোকৰ কৰ্ম দক্ষতা, কাৰ্য কুশলতা আদিৰ ওপৰতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত নতুন আৰ্হিৰ গৃহ নিৰ্মাণৰ আঁচনিখনৰ সফলতা বহুখিনি নিৰ্ভৰ কৰিছে। একে সময়তে পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ বাবে পৰিবেশ অনুকূল সেউজ সামগ্ৰী ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব। আনহাতে, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব মুনীন্দ্ৰ শৰ্মাৰ আদৰণি ভাষণৰে আৰম্ভ হোৱা অনুষ্ঠানত বিভাগৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে নিৰ্দিষ্ট বক্তা হিচাপে ভাগ লৈ খণ্ড উন্নয়ন বিষয়া, কাৰিকৰী বিষয়াসকলৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ গৃহ নিৰ্মাণৰ বাবে নতুন আৰ্হি 'নক্সা' আৰু বিকল্প সেউজ সামগ্ৰী ব্যৱহাৰৰ ওপৰত দুদিনীয়াকৈ অনুষ্ঠিত কৰ্মশালাখনৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত আলোকপাত কৰে। আনহাতে, আৰম্ভণিতে মন্ত্ৰী দাসে এছআইপিআৰডি চৌহদত স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক বৃক্ষৰোপণ আঁচনিৰ অধীনত এটি গছপুলি ৰোপণ কৰাৰ পাছত উপস্থিত বিষয়া-অভিযন্তাসকলে একোটিকৈ গছপুলি ৰোপণ কৰে ।

## নগাঁৱত মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ

*তিনি পৃষ্ঠাৰ পৰা* অনুষ্ঠান- প্ৰতিষ্ঠানে এমাহজোৰা এই কাৰ্যসূচীত নিজৰ নিজৰ চৌহদত গছপুলি ৰোপণ কৰি শ্যামলীৰূপে গঢ়ি তোলাৰ একান্ত প্ৰয়াস কৰা হৈছে বুলি নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। নগাঁও জিলাৰ বিভিন্ন স্কুল-কলেজ, কাৰ্যালয়, অনুষ্ঠান- প্ৰতিষ্ঠানতো গছপুলি ৰোপণ কাৰ্যসূচীয়ে সামৰি ল'ব। জলবায়ু পৰিৱৰ্তনৰ সংকট প্ৰতিৰোধত সহায়ক হোৱাকৈ ৰাজ্যখনত সেউজ আৱৰণ বৃদ্ধিৰ সামূহিক প্ৰয়াসক উদ্‌গনি জনাই অসম চৰকাৰে হাতত লোৱা 'মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্প'ৰ আজি কামপুৰতো আৰম্ভ কৰা হয়। কামপুৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত এই প্ৰকল্পৰ আৰম্ভ কৰে নগাঁও জিলাৰ নৱ-নিযুক্ত উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে। বিদ্যালয়খনৰ এনচিচি কেডেট, শিক্ষক- শিক্ষয়িত্ৰী তথা সচেতন নাগৰিকৰৰ উপস্থিতিত উপায়ুক্তজনে আৰম্ভ কৰি দিয়া ভাষণত বৰ্তমান জলবায়ু পৰিৱৰ্তনৰ সংকটৰ সময়ত পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ সকলো ৰাইজলৈ আহ্বান জনায়। আজি এই গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি উপায়ুক্তজনে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স'তে মত বিনিময়ো কৰে। উপায়ুক্তজনক আজি সংগ দিয়ে কামপুৰ ৰাজহ চক্ৰ বিষয়া সুজাতা গগৈ, বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত গোস্বামী আৰু কামপুৰ পৌৰসভাৰ ৱাৰ্ড কমিচনাৰসকলে। ইফালে, এই অনুষ্ঠানৰ পাছতে জিলা উপায়ুক্তজনে বানবিধ্বস্ত কামপুৰৰ কে'বাটাও অঞ্চল পৰিদৰ্শন কৰে আৰু ৰাইজৰ দুখ-দুৰ্দশাৰ খবৰ লয়। উপায়ুক্তজনে বানপানীত ক্ষতিগ্ৰস্ত হোৱা প্ৰকৃত লোকে সাহায্য লাভ কৰিব বুলি জানিবলৈ দিয়ে। ইপিনে, আজি জিলাখনৰ ৰূপহী চিনিয়ৰ মাদ্ৰাছাৰ চৌহদত বৃক্ষৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। এই বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে মাদ্ৰাছাখনৰ অধ্যক্ষ নুৰুল ইছলাম, গেৰেকী গাঁও পঞ্চায়তৰ সভাপতি মেহবুব আলী, ৰূপহী গাঁও পঞ্চায়তৰ সভাপতি আৰু আঞ্চলিক সদস্য ক্ৰমে হাৰুন ৰশিদ আৰু ৰিয়াজুল কবিৰ, মাদ্ৰাছাখনৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে মাদ্ৰাছাৰ পৰিচালনা কমিটীৰ সভাপতিকে আদি কৰি বিষয়ববীয়াসকলে।

## কাইলৈ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ মৃত্যু

*তিনি পৃষ্ঠাৰ পৰা* কৰা হ'ব। এই সূচী উদ্বোধন কৰিব কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মীনাক্ষী গোস্বামীয়ে। দিনৰ ১-৩০ বজাত অনুষ্ঠিত হ'ব অনুষ্ঠানৰ মূল কাৰ্যসূচী স্মৃতিচাৰণ সভা। কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা মৃত্যু শতবৰ্ষ সোঁৱৰণ সমিতিৰ সভাপতি তথা তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া স্মৃতিচাৰণ সভাখন উদ্বোধন কৰিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহালে। তদুপৰি এই সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাই। উল্লেখ্য যে বিহগুৰিৰ আন এক সামাজিক, সাংস্কৃতিক অনুষ্ঠান 'নন্দন কানন সংগীত বিদ্যালয়'ৰ অধীনস্থ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা বঁটা প্ৰদান সমিতিয়ে কৰ্মবীৰজনক বৰ্তমান প্ৰজন্মৰ মাজত পৰিচয় কৰোৱাৰ মূল উদ্দেশ্যৰে ২০১৪ ৰ পৰা ৰাজ্যৰ কে'বাগৰাকী সাহিত্যিক, সাংবাদিক, লেখকক প্ৰদান কৰি আহিছে 'কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা বঁটা'। এইবাৰ সমিতিয়ে এই বঁটা প্ৰদানৰ বাবে নিৰ্বাচিত কৰিছে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাক।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, বৰছলা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বু, তেজপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰাণজিৎ হাজৰিকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰিবলগীয়া চন্দ্ৰনাথ শৰ্মা মৃত্যু শতবৰ্ষৰ আৰম্ভণি অনুষ্ঠানৰ স্মৃতিচাৰণ সভাতে চতিয়া সমষ্টিৰ বিধায়ক হাজৰিকাক প্ৰদান কৰিব কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা বঁটা। ইয়াৰ পাছত সন্ধিয়া ৬-৩০ বজাত কৰ্মবীৰজনৰ জন্ম ভূমি বিহগুৰিৰ মেকনৰ চুবুৰিত অনুষ্ঠিত হ'ব স্মৃতিচাৰণ অনুষ্ঠানৰ অন্তিম কাৰ্যসূচী বন্তি প্ৰজ্বলন। স্বাধীনতা সংগ্ৰামী তথা জননেতা চন্দ্ৰনাথ শৰ্মাৰ নিস্বাৰ্থ কৰ্মৰাজি পুনৰবাৰ স্মৰণ কৰাৰ মানসেৰে বিহগুৰিৰ ৰাইজে আয়োজন কৰা মৃত্যু শতবৰ্ষৰ এই আৰম্ভণি কাৰ্যসূচীৰ লগতে অহা ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া সামৰণি অনুষ্ঠানৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি সৰ্বান্তকৰণে কামনা কৰিছে চন্দ্ৰনাথ শৰ্মা মৃত্যু শতবৰ্ষ সোঁৱৰণ সমিতিৰ সভাপতি ড° জ্যোতিকমল হাজৰিকা আৰু সম্পাদক ত্ৰৈলোক্য মোহন নাথে।

## উপযুক্ত পানীৰ অভাৱত কৃষকৰ হাহাকাৰ

*তিনি পৃষ্ঠাৰ পৰা* শুকাবলৈ লৈছে। বছৰটোৰ বাবে ধানখেতিকে নিৰ্ভৰ কৰি চলা কৃষকসকলৰ বাবে উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা নথকাত বিহগুৰিৰ কলিতা গাঁও পথাৰ, পমুৱা পথাৰ আৰু কাছমাৰী পথাৰৰ বহু অংশ ছন পৰাৰ উপক্ৰম ঘটিছে। উল্লেখ্য যে, স্থানীয় দুশৰো অধিক কৃষকে খেতি কৰা আৰু এহেজাৰ বিঘাৰ অধিক কৃষি পথাৰত পানীৰ অভাৱতে কঠীয়া ৰুব নোৱাৰি হাহাকাৰ কৰিবলগীয়া হৈছে কৃষকসকলে। প্ৰথমবাৰ সাজু কৰাৰ কঠীয়া বানে নিঃশেষ কৰাৰ পাছত পুনৰ কঠীয়া সাজু কৰিও পানীৰ অভাৱত ৰুব নোৱাৰা হৈছে। অভিযোগ অনুসৰি, কংগ্ৰেছ চৰকাৰৰ আমোলত জলসিঞ্চন ব্যৱস্থাৰ বাবে জৰীপ কৰাই নহয় মাটিৰ কাগজ পত্ৰও দাখিল কৰাৰ পাছতো এই পথাৰসমূহত আজিলৈকে জলসিঞ্চন ব্যৱস্থা হৈ নুঠিল। শেহতীয়াকৈ বিজেপি চৰকাৰৰ সময়ছোৱাতো কৃষকসকলে পানীৰ ব্যৱস্থা কৰাৰ আশ্বাস লাভ কৰিছিল যদিও সেয়াও আজিলৈকে মাত্ৰ আশ্বাসেই হৈ আছে। কৃষিৰ ওপৰত নিৰ্ভৰশীল কৃষক ৰাইজ ক'ভিডকালীন পৰিস্থিতিৰে মোকাবিলা কৰি অৰ্থনৈতিকভাৱে জুৰুলা হোৱাৰ পাছত পুনৰ খৰাঙৰ কবলত পৰাত তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হৈছে। একেদৰেই বাঁহবাৰী অঞ্চলতো পানীৰ অভাৱত পথাৰসমূহৰ বৃহৎ অংশ এই পৰ্যন্ত পৰি থকাৰ বিপৰীতে কঠীয়া ৰোপণৰ সময়ো ক্ৰমান্বয়ে শেষ হৈ অহাত কৃষকসকল চিন্তিত হৈ পৰিছে। কৃষকসকলে কয় যে, বান আৰু খৰাঙৰ বাবে জুৰুলা হোৱা কৃষকসকলে তেনে অৱস্থাত যদিহে সম্পূৰ্ণ পথাৰত ধান ৰোপণ কৰিব নোৱাৰে তেনেহ'লে সচৰাচৰ হোৱাৰ দৰে পুনৰ পোক-পতংগ তথা বনৰীয়া হাতীৰ দ্বাৰা খেতি বিনষ্ট হ'লে কৃষকসকলে ধান ভঁড়াললৈ কঢ়িয়াব পাৰিবনে নাই সেই লৈয়ো এক আশংকা থাকি যাব। উল্লেখ্য যে, শোণিতপুৰৰ বিভিন্ন অঞ্চলত পানীৰ অভাৱৰ এই সমস্যাই দেখা দিছে।

## বড়মপুৰৰ হায়ংথলত খেতিপথাৰত পানী

*তিনি পৃষ্ঠাৰ পৰা* স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে, ২০০৮তে কাৰ্বি স্বায়ত্ত পৰিষদৰ ফালৰ পৰা হায়ংথলত নিৰ্মাণ কৰা জলসিঞ্চনৰ কোটিটকীয়া নলা এবছৰৰ পাছতেই চুইছ গেট ভাঙি সম্পূৰ্ণৰূপে বিকল হৈ যোৱাৰ ফলত বছৰ বছৰ ধৰি কৃষিজীৱী দৰিদ্ৰ ৰাইজে বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিয়েই খেতি-বাতি কৰি আহিছিল যদিও যোৱা ছয়-পাঁচ বছৰ ধৰি বড়মপুৰৰ হায়ংথল অঞ্চলৰ খেতিয়কসকলৰ শ শ বিঘা মাটি ছন পৰি ৰোৱাত বহিঃৰাজ্যলৈ কৰ্মসংস্থাপন বিচাৰি গমন কৰা পৰিলক্ষিত হৈছে । অঞ্চলটোৰ কৃষক ৰাইজে ক্ষোভেৰে এই প্ৰতিবেদকক জনাই যে আমাৰ চাৰিওফালৰ প্ৰায় সকলো পঞ্চায়তেই স্থানীয় কৃষকসকলৰ সুবিধাৰ্থে খেতিপথাৰত পানী পাম্পৰ ব্যৱস্থা কৰিছে কিন্তু আমি সকলো ফালৰ পৰা সীমামূৰীয়া হোৱাৰ হেতুকে আমাৰ স্থানীয় বৰবাৰী গাঁও পঞ্চায়তে খেতিপথাৰত কোনো ধৰণৰ পানী পাম্পৰ ব্যৱস্থা কৰা নাই বুলি অভিযোগ তুলিছে। ইফালে বড়মপুৰ সমষ্টিৰ স্থানীয় বিধায়ক জিতু গোস্বামীকো উক্ত অঞ্চলৰ কৃষক ৰাইজে খেতিপথাৰত পানী যোগানৰ ব্যৱস্থা কৰি দিবলৈ আবেদন-নিবেদন কৰি আহিছিল আৰু বিধায়কগৰাকীয়ে আজিৰ পৰা কিছুবছৰ পূৰ্বে ৰাইজৰ এই সমস্যা সমাধান কৰি দিয়াৰ প্ৰতিশ্ৰুতিও দিছিল যদিও আজি পৰ্যন্ত কৃষকৰ সমস্যা, সমস্যা হৈয়ে ৰ'ল । এতিয়া দৰিদ্ৰ কৃষক ৰাইজে বৰষুণৰ পানী অহালৈ গভীৰ আশাৰে বাট চাই ৰোৱাৰ বাহিৰে যেন আন কোনো গত্যন্তৰ নাই। যাৰ বাবে এইসকল কৃষকৰ মাজত এতিয়া পানীৰ হাঁহনচৰা অৱস্থা সৃষ্টি হৈছে। কিন্তু এইক্ষেত্ৰত বৰ্তমানলৈকে কাণসাৰ নাই কৃষিবিভাগ, স্থানীয় বিধায়ক কিম্বা গাঁও পঞ্চায়তৰ। সেয়ে উপায়হীন কৃষকসকলে অতি শীঘ্ৰে গাঁওখনত জলসিঞ্চন ব্যৱস্থা প্ৰয়োগ কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষ, নগাঁও জিলা প্ৰশাসন তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনাই তেওঁলোকক এই গভীৰ সংকটৰ পৰা উদ্ধাৰ কৰিবলৈ দাবী জনাইছে ।

## ঘৰ-বাৰী উছন হোৱা ৪০টা পৰিয়াল

*তিনি পৃষ্ঠাৰ পৰা* কটাইছে গাঁওখনৰ গৃহহীন হোৱা কৃষক ঘনশ্যাম পাটগিৰিয়ে। গাঁওখনৰ দিন মজদুৰ অৰূপ তালুকদাৰৰ অৱস্থাও অতি দুখলগা। ঘৰ-বাৰী, গৰু-ছাগলী সকলো হেৰুওৱাৰ পাছত এতিয়া তেওঁৰ পৰিয়ালে মূৰে-কপালে হাত দি আশ্ৰয় শিবিৰতে দিন অতিবাহিত কৰিছে। এনে দুৰ্যোগৰ মাজতে চৰকাৰৰ উপৰি বিভিন্ন দল-সংগঠন আৰু বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানে গাঁওখনৰ লগতে বৃহত্তৰ অঞ্চলটোৰ বানাক্ৰান্ত পৰিয়ালসমূহলৈ সহায়ৰ হাত আগবঢ়াই আহিছে যদিও কেতিয়া নিজৰ ঘৰৰ ভেটিটোৰ চিন-মোকাম উলিয়াই এটা জুপুৰী সাজিব পাৰিব তাক লৈ বানাক্ৰান্তসকল চিন্তিত হৈ পৰিছে। উল্লেখ্য যে ইয়াৰ মাজতে আজি ইউনাইটেড ৰে' মুম্বাইৰ অৰ্থ সাহায্যত আৰু নলবাৰীৰ বৰবৰীস্থ গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত অঞ্চলটোত বান সাহায্য বিতৰণ কৰা হয়। অনুষ্ঠান দুটাই আজি মেধিকুছি নামঘৰ প্ৰাংগণত বানত গৃহহীন হোৱা পৰিয়ালসমূহৰ মাজত তিৰ্পাল, পাটি, ৰছী, বিছনা চাদৰ, আঁঠুৱা, কাঁহী, গিলাচ, ৰন্ধন সঁজুলিৰ উপৰি মচুৰ দাইল সাত কেজি, বুট দুই কেজি, মিঠাতেল দুই লিটাৰ, অসম মিক্স দুই পেকেট, আটা পাঁচ কিলো, আলু পাঁচ কিলো, পিঁয়াজ দুই কিলো, চেনি এক কিলো, চয়াবিন এক কিলো, চাহপাত ২৫০ গ্ৰাম, বিস্কুট তিনি পেকেটৰ উপৰি চাফ-চিকুনৰ এটি টোপোলা প্ৰদান কৰা হয়। উল্লেখ্য যে গৃহহাৰা আৰু ক্ষতিগ্ৰস্ত মুঠ তিনিশ পৰিয়ালৰ মাজত এই সামগ্ৰীসমূহ বিতৰণ কৰা হয়। বিতৰণ অনুষ্ঠানত ইউনাইটেড ৰে' মুম্বাইৰ প্ৰতিনিধি অজয় গোভালে আৰু ৰবীন্দ্ৰ আৰৱেল, গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি পৃথ্বিভূষণ ডেকা, সম্পাদক দিবাকৰ ডেকা, বজালী জিলাৰ অতিৰিক্ত সহকাৰী আয়ুক্ত আয়াজ তনভিৰ আলম, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ বজালী জিলা প্ৰৱন্ধক চন্দন তালুকদাৰ, মেধিকুছি গাঁও উন্নয়ন সমিতিৰ সভাপতি গণেশ তালুকদাৰ উপস্থিত থাকে। গ্ৰাম্য বিকাশ মঞ্চৰ ভালেসংখ্যক স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাৰ উপস্থিতিত জিলা প্ৰৱন্ধক তালুকদাৰে আঁত ধৰা অনুষ্ঠানত এই সামগ্ৰী বিতৰণ অনুষ্ঠান মুকলি কৰে অতিৰিক্ত সহকাৰী আয়ুক্ত আলমে। উল্লেখ্য যে অনুষ্ঠানত গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি ডেকাৰ লগতে মুম্বাইৰ প্ৰতিনিধি দলটোৱে বানপীড়িত লোকসকলৰ স'তে মত বিনিময় কৰে।

## পৱিত্ৰ শাওণৰ পহিলা দিনটোত

*তিনি পৃষ্ঠাৰ পৰা* বেবেজীয়াৰ মাহৰিআটিৰ হৰিহৰ দেৱালয়, দক্ষিণপাটৰ কালিকা থান, হাতীগড়ৰ বুঢ়া গোহাঁই থান, জামুগুৰিৰ হৰগৌৰী মন্দিৰ, চকলাঘাট সোণাইপাৰৰ গৌৰীনাথ শিৱ মন্দিৰ, আমোলাপট্টি শ্মশানঘাট শিৱ মন্দিৰ নগাঁও সাৰ্বজনীন কৃষ্ণাশ্ৰম শিৱ মন্দিৰ, ভেৰভেৰীৰ মহামৃত্যুঞ্জয় মন্দিৰকে ধৰি অঞ্চলৰ বিভিন্ন সৰু-বৰ শিৱ মন্দিৰত আজি পুৱাৰে পৰা ভক্তপ্ৰাণ ৰাইজ তথা দৰ্শনাৰ্থী ৰাইজে অনাগত বছৰৰ দিনসমূহ যেন ভালে-কুশলে পাৰ হৈ যোৱাৰ মানসেৰে মহাদেৱ শিৱবাবাৰ শ্ৰীচৰণত আশীৰ্বাদ লৈ নতুন উৎসাহ, নতুন উদ্যমেৰে নতুন জীৱন যাত্ৰা আৰম্ভ কৰিবলৈ প্ৰাৰ্থনা কৰাৰ লগতে বছৰটো কুশল-মংগলে যোৱাৰ কামনা কৰে। আনহাতে, নগাঁও জিলাৰ সাৰ্বজনীন ৰেংবেং শিৱ মন্দিৰস্থিত বলবম স্থলীৰ পৰা নিশাৰে পৰা শিৱ ভক্তসকলে হাতত পানীৰ কলহ হৈ পদব্ৰজে নগাঁৱৰ সাৰ্বজনীন কৃষ্ণাশ্ৰম শিৱ মন্দিৰৰ উপৰি মহামৃত্যুঞ্জয় মন্দিৰৰ লগতে বিভিন্ন শিৱ মন্দিৰ লিংগত পানী ঢালি আশীৰ্বাদ লোৱাৰ বাবেও সমবেত হয়।

## চিৰাঙত আৰক্ষীৰ অভিযানত

*তিনি পৃষ্ঠাৰ পৰা* থানাৰ অন্তৰ্গত খাগ্ৰাবাৰী গাঁৱৰ পৰা এন্থনি বসুমতাৰী (৩৫),মনোজ বসুমতাৰী (৩২) আৰু পৰাঞ্জয় বসুমতাৰী ওৰফে থাবলা (৩০) নামৰ অপৰাধিক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ স্বীকাৰোক্তিৰ ভিত্তিত অভিযান অব্যাহত ৰাখিছিল। উক্ত ঘটনাৰে জড়িত আন দুই অপৰাধী পলাতক আছিল যদিও কালি আত্মসমৰ্পন কৰে ক্ৰমে ৰুণীখাতা শালবাৰীৰ উদয় নাৰ্জাৰী (৬০) আৰু চন্দন বৰগয়াৰী (৩৭)। অভিযুক্ত উদয় নাৰ্জাৰীৰ ঘৰত তালাচী চলাই উক্ত ডকাইতিত ব্যৱহাৰ কৰা মেগজিন আৰু দুই জাই সজীৱ গুলিসহ এটা একে ৪৭ উদ্ধাৰ কৰে। সম্প্ৰতি গ্ৰেপ্তাৰ কৰা আটাইকেইজনক জেললৈ প্ৰেৰণ কৰিছে চিৰাং আৰক্ষীয়ে।

## বৃত্তিধাৰী অৰ্হতা নথকা টিউটৰৰ

*তিনি পৃষ্ঠাৰ পৰা* নিয়মীয়া পাঠ্যক্ৰমত টিউটৰসকলে কোনো প্ৰতিষ্ঠানত নামভৰ্তি কৰি ডিএলএড কৰাটো মুঠেই সম্ভৱ নহ'ব। যিহেতু এই টিউটৰসকলে সংশ্লিষ্ট বিদ্যালয়ত আন নিয়মীয়া শিক্ষকৰ নিচিনাকৈ একে সময়েই বিদ্যালয়ত পাঠদান কৰিব লাগে, সেয়েহে নিয়মীয়াকৈ কোনো প্ৰতিষ্ঠানলৈ গৈ তাত শিক্ষাগ্ৰহণ কৰি তেওঁলোকে ডিএলএড পাঠ্যক্ৰম পঢ়ি ডিএলএডৰ ডিগ্ৰী লোৱাটো মুঠেই সম্ভৱ নহয়। এওলোকে ডিএলএডৰ দুবছৰীয়া পাঠ্যক্ৰম কৰিবলগীয়া হ'লে মুক্ত আৰু দূৰশিক্ষাৰ ব্যৱস্থাৰ জৰিয়তে কৰিব লাগিব। অন্যথা চৰকাৰে এই টিউটৰসকলক অৰ্হতা সম্পন্ন কৰি তুলিবলৈ হ'লে বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। যিহেতু ডিএলএড নথকা অথবা বুনিয়াদী প্ৰশিক্ষণ নথকা বুজন সংখ্যক টিউটৰেই ডিএলএডৰ দুবছৰীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব পৰাকৈ অৰ্হতা আছে আৰু তেওঁলোক ডিএলএড কৰিবলৈকো আগ্ৰহী। সেয়েহে চৰকাৰে বন্ধ কৰি ৰখা ডিএলএডৰ মুক্ত আৰু দূৰশিক্ষাৰ দুবছৰীয়া পাঠ্যক্ৰম পুনৰ আৰম্ভ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। অন্যথা তেওঁলোকৰ বাবে বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। উল্লেখ্য যে মুক্ত আৰু দূৰশিক্ষাৰ বহুতো ডিএলএডৰ শিক্ষাৰ্থীয়ে বিভিন্ন কাৰণত প্ৰথম বৰ্ষ আৰু দ্বিতীয় বৰ্ষৰ পৰীক্ষা দিব পৰা নাছিল। এছচিইআৰটি, অ'ডিএল, এনআইঅ'এছ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কেন্দ্ৰসমূহৰ জৰিয়তে পুনৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ পৰীক্ষা একেলগে অনুষ্ঠিত কৰি শিক্ষাৰ্থীসকলক সকাহ দিবলৈকো ভুক্তভোগীসকলে চৰকাৰক আবেদন জনাইছে।

স্মৰ্তব্য যে কেইমাহমানৰ পূৰ্বে টিউটৰসকলক শিক্ষক হিচাপে স্বীকৃতি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰি ডিএলএড, বিএড নথকা অথবা বুনিয়াদী প্ৰশিক্ষণ নথকা টিউটৰসকলক যথা সম্ভৱ সোনকালেই বৃত্তিমূলক অৰ্হতাখিনি আহৰণ কৰিবলৈ অৰ্থাৎ ডিএলএড, বিএড, বুনিয়াদী প্ৰশিক্ষণ সম্পূৰ্ণ কৰিবলৈ কৈছে যদিও তাকে কৰিবলৈ কোনো ধৰণৰ সুযোগ-সুবিধা দিয়া পৰিলক্ষিত হোৱা নাই। উল্লেখ্য যে এই টিউটৰসকলে শিক্ষক হিচাপে ২০-৩০ বছৰ ধৰি সেৱা আগবঢ়াই আছিল যদিও তেওঁলোকক পৰৱৰ্তী সময়ত টিউটৰ কৰি চাকৰি নিয়মীয়াকৰণ কৰা হৈছিল। সেয়েহে টিউটৰ সন্থাই তেওঁলোকক সীমিত সময়ৰ প্ৰশিক্ষণ দি পুনৰ শিক্ষকৰ মৰ্যাদা দিবলৈকে চৰকাৰক দাবী জনাই আহিছে। এই দুৰ্ভগীয়া টিউটৰসকলৰ ভৱিষ্যৎ এতিয়া চৰকাৰৰ সদিচ্ছাৰ ওপৰতেই ওলমি ৰৈছে।

## তেজপুৰত সাহিত্য সভাৰ যুৱ

*তিনি পৃষ্ঠাৰ পৰা* অতিথিৰূপে উপস্থিত থাকি অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে সাহিত্য বা সংস্কৃতিয়েহে সমাজখনক এক বৌদ্ধিক বাতাবৰণ সৃষ্টি তথা সূচনাৰে চিন্তন আৰু মনন জগতখনক প্ৰভাৱিত কৰি সমৃদ্ধিশালী কৰি তোলে বুলি মন্তব্য কৰে। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে ইতিহাস তথা বৰ্তমান আৰু ভৱিষ্যতৰ সংযোগ সাধনেৰে মানুহৰ মন তথা মানসিক আত্মাক আলোড়িত কৰাৰ ক্ষেত্ৰত সাহিত্যই অপৰিসীম শক্তি যোগায়। সাহিত্যৰ যি সৌন্দৰ্য, সেই সৌন্দৰ্যৰ মাজেৰে মানুহৰ জীৱন যাত্ৰাক গতি প্ৰদান কৰি জীৱনমুখী চেতনাক ব্যক্ত কৰি তোলে বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে মইনাৰ মৌ মাত আদিৰে মুখৰিত এই অনুষ্ঠানত অসম সাহিত্য সভাৰ আজীৱন সদস্যা তথা অপৰাজিতা মইনা পাৰিজাতৰ সম্পাদিকা বিউতি বেজবৰুৱাৰ 'অনুৰণন' শীৰ্ষক আবৃত্তিৰ এক এলবামো মুকলি কৰে অশীতিপৰ দেৱীয়ে। 'মা নিষাদ প্ৰতিষ্ঠাং ত্বমগম শ্বাশ্বতী সমা' শীৰ্ষক শ্ল'কেৰে ভাষণ আৰম্ভ কৰি কবিতাৰ পংক্তিসমূহে পাঠক আৰু কবিগৰাকীৰ মাজত এক মহাসেতুৰ সন্ধান দিয়ে বুলি কৈ কবিসকলক সেয়েহে স্ৰষ্টা আৰু দ্ৰষ্টা বুলি কোৱা হয় বুলি মন্তব্য কৰি তেওঁ লগতে কবিতাসমূহত কবিৰ প্ৰাণৰ স্পন্দন, আংগিক অলংকাৰ, ব্যঞ্জনা, চিত্ৰ, উপমা, ৰূপক বা প্ৰতীকি কল্পনাসমূহত বাস্তৱ সত্য নিহিত হৈ থাকে বুলিও কয়। আনহাতে, প্ৰাচীন আৰু আধুনিক কবিতাত কল্পনাৰ অন্তৰ্নিহিত উদ্দেশ্য তথা বৈদিক সাহিত্যত উপমাৰ প্ৰয়োগৰ বিষয়েও আলোকপাত কৰে। অসম সাহিত্য সভাৰ উপ-সভাপতিগৰাকীক অপৰাজিতা মইনা পাৰিজাতৰ তৰফৰ পৰা প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তেজপুৰ বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী ৰ'দালী শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত আদৰণি ভাষণ দাঙি ধৰে অপৰাজিতা মইনা পাৰিজাতৰ সম্পাদিকা বিউতি বেজবৰুৱাই। অপৰাজিতা মইনা পাৰিজাতৰ সদস্যাসকলৰ 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিৰ প্ৰাকমুহূৰ্তত মুখ্য অতিথি দেৱীয়ে কে'বাটিও মইনাৰ সহযোগত বন্তি প্ৰজ্বলন কৰে। তেজপুৰ চহৰৰ উত্তৰ অসম বণিক সন্থাৰ সন্মিলন কক্ষত অনুষ্ঠিত এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়াই একোটি কবিতা সুন্দৰ শৈলীৰে আবৃত্তিৰ পৰ্যায়লৈ উন্নীত হ'লে কবিতাটোৱে প্ৰকৃত মৰ্যাদা লাভ কৰে বুলি মন্তব্য কৰি কবিতা মানুহৰ সুপ্ত অনুভূতিৰ কলাসুলভ বহিঃপ্ৰকাশ বুলি মন্তব্য কৰে। অপৰাজিতা মইনা পাৰিজাতৰ কে'বাটিও কণ কণ মইনাই নাগাৰা আৰু তাল বাদন কৰি দিহানাম পৰিৱেশন কৰা অনুষ্ঠানটিত বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মাই চমু ভাষণত আবৃত্তি এক উৎকৃষ্ট কলা বুলি মন্তব্য কৰি লগতে কয় যে এই কলা শুদ্ধ শৈলীৰে আয়ত্ত কৰিব পাৰিলে কবিতাৰ লগতে আবৃত্তি কলাইও পূৰ্ণতা পায়। অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱা, শোণিতপুৰ জিলা সাহিত্য সভাৰ সভাপতি বাসুদেৱ শৰ্মা, সম্পাদক দুলাল নাথ, দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অৰুণী কুমাৰ শৰ্মাই সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰা অপৰাজিতা মইনা পাৰিজাতৰ মইনা নিকিতা শইকীয়াই অনুষ্ঠানত মৃণালিনী দেৱীৰ এখন সুন্দৰ প্ৰতিচ্ছবি অংকন কৰি নিজে অৰ্পণ কৰাৰ মুহূৰ্তত ছবিখন প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰে মৃণালিনী দেৱীৰ লগতে উপস্থিত অতিথিবৃন্দ। উল্লেখ্য যে এইগৰাকী মইনাই অপৰাজিতা মইনা পাৰিজাতৰ ইতিহাস আৰু কাম-কাজ অতি সুন্দৰ ৰূপত বাগ্মিতাৰে আলোকপাত কৰা অনুষ্ঠানটোত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'গছ ভালপোৱা ককাৰ খং' শীৰ্ষক শিশু কবিতাটি সুন্দৰ ৰূপত মইনা প্ৰণাক্ষী বৰাই আবৃত্তি কৰে। আনহাতে, আন এগৰাকী মইনা প্ৰতিষ্ঠা দেৱীয়েও এটা শিশু কবিতা অ' কুলি অ' কুলি আবৃত্তি কৰে। অপৰাজিতা মইনা পাৰিজাতৰ সদস্যা নিতা শৰ্মাই বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত পৰিৱেশন কৰা এই অনুষ্ঠানত বিগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত দশম স্থানেৰে তেজপুৰলৈ সুনাম কঢ়িয়াই অনা কল্লোল বিশ্বাসক অপৰাজিতা মইনা পাৰিজাতে বিশেষভাৱে অভিনন্দন পত্ৰৰে অভিনন্দন জনোৱাৰ লগতে 'অনুৰণন' শীৰ্ষক আবৃত্তিৰ এলবামটোৰ সংগীত ব্যৱস্থাপক সীমান্ত কাকতিকো সন্মান জনোৱা হয়। তদুপৰি, অপৰাজিতা মইনা পাৰিজাতৰ সভানেত্ৰী বন্দনা হাজৰিকাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটোত অসম সাহিত্য সভাৰ যুৱ সংসদ উপ-সমিতিৰ আহ্বায়ক সিদ্ধাৰ্থ শংকৰ বেজবৰুৱাই ভাষণ প্ৰদান কৰি কয় যে সমগ্ৰ বিশ্বৰ ভিতৰতেই জিলিকি থকা সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই বৌদ্ধিক আন্দোলন আগবঢ়াই নিয়াৰ প্ৰতিশ্ৰুতিৰে যুৱ সংসদে ৰাজ্যজুৰি এনেদৰে বৌদ্ধিক অনুষ্ঠানৰ আয়োজন কৰি আহিছে।

## ৰাষ্ট্ৰপতি নিৰ্বাচনত পছন্দৰ প্ৰাৰ্থীৰ

*তিনি পৃষ্ঠাৰ পৰা* বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহা দ্ৰৌপদী মুৰ্মুক সেই সময়ত বিশেষভাৱে সহায় কৰিছিল ৰুক্মিণীয়ে। সাতদিন ধৰি দ্ৰৌপদী মুৰ্মুৰ লগত ছাঁটোৰ দৰে থকা বিশ্বনাথৰ পাভৈৰ ৰুক্মিণী কিষাণে আজি দ্ৰৌপদী মুৰ্মুয়ে যাতে ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰে তাৰ বাবে বিশ্বনাথৰ মিজিকা চাহ বাগিচাৰ শিৱ মন্দিৰত পূজা-অৰ্চনা কৰে। মন্দিৰত ধূপ-ধূনা জ্বলাই এভাগ শৰাই দি অদৃশ্যজনৰ ওচৰত সেৱা লৈছে কিষাণে। উদ্দেশ্য এটাই এসপ্তাহ ধৰি নিচেই কাষৰ পৰা পোৱা দ্ৰৌপদী মুৰ্মুৰ যাতে মংগল হয় আৰু ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰে।

## নগাঁৱৰ ক'ভিড হাস্পতালৰ পৰা ধৃত

*তিনি পৃষ্ঠাৰ পৰা* হৈ থকা নেকিবুৰে ক'ভিড হাস্পতালখনৰ পৰা যোৱা নিশা পলায়ন কৰে। ক'ভিড হাস্পতালখনত আৰক্ষীৰ নিৰাপত্তাৰক্ষী আৰু অপৰাধী ৰোগীৰ বাবে সুকীয়া নিৰাপত্তাৰক্ষী থকাৰ পাছতো কেনেকৈ নেকিবুৰ ৰহমান পলায়ন কৰিবলৈ সক্ষম হ'ল তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। ক'ভিড হাস্পতালখনৰ নিৰাপত্তাৰ দায়িত্বত থকা আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি নেকিবুৰ ৰহমান নামৰ আৰক্ষীৰ জিম্মাত থকা অপৰাধীজন পলাই যাবলৈ সক্ষম হ'ল বুলি সচেতন মহলে অভিযোগ কৰিছে। নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়খনৰ চৌহদত এখন আৰক্ষী চকীও আছে। আৰক্ষীয়ে পলাতক অপৰাধীজনৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা সময়লৈকে নেকিবুৰৰ সন্ধান উলিয়াব পৰা নাই। আৰক্ষীয়ে নেকিবুৰ পলায়নৰ সমগ্ৰ ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ইতিপূৰ্বেও নগাঁৱৰ এই ক'ভিড হাস্পতালখনৰ পৰা কে'বাজনো ক'ভিড ৰোগীয়ে পলায়ন কৰিছিল।

## এবিলাকৰ কৰ্মচাৰী মনীষা কাকতিৰ

*তিনি পৃষ্ঠাৰ পৰা* থানাত এখন এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এটা গোচৰ পঞ্জীয়ন কৰে। ইয়াৰ পাছত তদন্ত অব্যাহত ৰাখি ঘটনাৰ ১৫ দিনৰ পাছত যোৱা নিশা আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৪৯৮ (এ)/৩০৪ (বি) ধাৰাৰ অধীনত নৱজিতক গ্ৰেপ্তাৰ কৰে।উল্লেখ্য যে কালি গ্ৰেপ্তাৰ হোৱাৰ পাছতে নৱজিতে সংবাদ মাধ্যমৰ আগত ভিনিহিয়েকৰ নাম উল্লেখ কৰে। দোভাগ নিশা তেওঁৰ পত্নীৰ কোঠাত ভিনিহিয়েক ডেকাই কি কৰিছিল বুলিও কৌশলী প্ৰশ্ন কৰে। ইফালে, প্ৰত্যক্ষদৰ্শীয়ে জনাইছে যে ঘটনাৰ সময়ত স্বামী নৱজিতক তেওঁলোকৰ বাসগৃহৰ সমীপতে দেখা গৈছিল।

আনকি ঘটনা সংঘটিত হোৱাৰ পাছতে নৱজিত ঘটনাস্থলীত উপস্থিত হৈছিল আৰু সেই মুহূৰ্তত মনীষাই অন্তিম শ্বাস-প্ৰশ্বাস লৈ আছিল বুলিও প্ৰত্যক্ষদৰ্শীয়ে জনাইছে। প্ৰাপ্ত তথ্য অনুসৰি, মাত্ৰ সাত মাহৰ পূৰ্বে বিবাহপাশত আৱদ্ধ হোৱা মনীষা আৰু নৱজিতৰ মাজত সঘনে কাজিয়াৰ সৃষ্টি হৈছিল। মনীষাই আত্মহত্যা কৰাৰ পূৰ্বে কোনো কামত এসপ্তাহৰ বাবে মাজুলীলৈ যোৱা বুলি ঘৰৰ পৰা ওলাই গৈছিল নৱজিত। যদিও পত্নীৰ ওপৰত কিবা কাৰণত সন্দেহ ওপজাত তেওঁ মাজুলীলৈ যোৱাৰ পৰিৱৰ্তে ঘৰৰ কাষতে থাকি পহৰা দিছিল বুলি এক সূত্ৰই জনাইছে। সূত্ৰই লগতে কয় যে ঘটনাৰ নিশাও নৱজিতে পত্নীৰ স'তে ফোনত বাৰ্তালাপ কৰিছিল।

## লাহৰীঘাটত আৰক্ষীৰ পৃথক অভিযানত

*তিনি পৃষ্ঠাৰ পৰা* আৰক্ষীৰ এটি দলে কালি গোপন খবৰৰ ভিত্তিত থানাৰ সন্মুখত তালাচী চলাই এখন চাৰিচকীয়া বাহনেৰে আহি থকা অৱস্থাত দুজন সৰবৰাহকাৰীক বুজন পৰিমাণৰ ড্ৰাগছসহ আটক কৰে। টেঙাগুৰিৰ পৰা লাহৰীঘাট অভিমুখে এছ- ০৪ এচি- ৫৭৩১ নম্বৰৰ চাৰিচকীয়া বাহনেৰে বিক্ৰীৰ বাবে ড্ৰাগছখিনি আনি থকা অৱস্থাত আৰক্ষীয়ে ৰফিকুল ইছলাম (২৯) আৰু ছিদ্দিক আলী (৩২)ক কৰায়ত্ত কৰে। আৰক্ষীয়ে ধৃত লোক দুজনৰ পৰা পাঁচটা চাবোনৰ বাকচত অনা ৪৮.৫৬ গ্ৰাম ড্ৰাগছৰ লগতে দুটা ম'বাইল ফোন আৰু চাৰিচকীয়া বাহনখনো জব্দ কৰে। ধৃত ৰফিকুল শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি আৰক্ষী থানাৰ অন্তৰ্গত ফাটা শিমলুগুৰী গাঁৱৰ আৰু ছিদ্দিক মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বালিপাৰা গাঁৱৰ বুলি আৰক্ষীয়ে জনাইছে। উল্লেখ্য যে ধৃত লোক দুজনে দীৰ্ঘদিন ধৰি বহিঃৰাজ্যৰ পৰা ড্ৰাগছ আনি লাহৰীঘাটৰ লগতে জিলাখনৰ বিভিন্ন ঠাইত বিক্ৰি কৰি থকাৰ অভিযোগ আছিল। সেই অভিযোগৰ ভিত্তিতেই আৰক্ষীয়ে বহুদিন ধৰি এই সৰবৰাহকাৰীদ্বয়ক কৰায়ত্ত কৰিবলৈ ফান্দ পাতি আছিল।

ইপিনে, যোৱা নিশা গোপন খবৰৰ ভিত্তিত মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীয়ে যুটীয়াভাৱে টেঙাগুৰিত অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ চাৰিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন আমিৰ হামজা, ইনামুল হক, মতিবুৰ ৰহমান আৰু আনাৰুল হুছেইন বুলি আৰক্ষীয়ে জনাইছে। ধৃত লোক কেইজনৰ পৰা ড্ৰাগছ ভৰ্তি ৩১টা কন্টেইনাৰ, চাৰিটা ম'বাইল ফোন আৰু নগদ ছহেজাৰ টকা জব্দ কৰা বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। টেঙাগুৰি অঞ্চলত দীৰ্ঘদিন ধৰি নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই থকাৰ অভিযোগ আছিল ধৃত লোক চাৰিজনৰ বিৰুদ্ধে। লাহৰীঘাট আৰক্ষীয়ে ধৃত ড্ৰাগছ সৰবৰাহকাৰী ছজনৰ বিৰুদ্ধে নিচাযুক্ত দ্ৰব্য বিৰোধী (এনডিপিএছ) আইনৰ অধীনত ২৮৬/২২ আৰু ২৮৭/২২ নম্বৰত দুটা গোচৰ ৰুজু কৰি আজি মৰিগাঁও আদালতত হাজিৰ কৰোৱাৰ পাছত আদালতে তেওঁলোকক কাৰাগাৰলৈ প্ৰেৰণ কৰে।

## সন্দেহজনক ভোটাৰৰ জাননী

*এক পৃষ্ঠাৰ পৰা* তেওঁলোকৰ ভাগ্য নিৰ্ভৰ কৰে। তাৰে বহুতকে অন্যায়ভাৱে বিদেশী ঘোষণা কৰা হয়। খানে কয়, 'চৰকাৰৰ ভুলৰ বাবে এনে শাস্তি ভোগ কৰিবলগীয়া হৈছে লাখ লাখ ভাৰতীয় নাগৰিকে।' সংবাদমেলত খানৰ লগত তেওঁৰ মাতৃ তাহামিনা খাতুনো উপস্থিত থাকে। খানে কয় যে তেওঁৰ মাতৃ পৰিয়াল পেঞ্চনভোগী এগৰাকী মহিলা। অথচ তেৰোঁ 'ডি' ভোটাৰ। খানে কয়, 'মোৰ মাৰ সমান ডাঙৰ পৃথিৱীত কোনো নহয়। সেই মাক মই 'ডি' ভোটাৰৰ নামত কাঠগৰাত থিয় নকৰাও। যদি মোৰ মা ডিটেনচন কেম্পলৈ যাবলগীয়া হয় তেন্তে মই সপৰিয়ালে বিশেষ সিদ্ধান্ত ল'ম। মই 'ডি' ভোটাৰৰ জাননী অহা কোনো লোককে কাঠগৰাত থিয় নহ'বলৈ আহ্বান জনাইছো। কাৰণ 'ডি' ভোটাৰসকল কোনো অপৰাধী নহয়।'

## আলফাৰ সমৰ্থনত ফেচবুকত লিখি

*এক পৃষ্ঠাৰ পৰা* গ্ৰেপ্তাৰ হয়। কলাইগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বৰঙাবাৰী গাঁৱৰ কেশৱ কলিতাৰ পুত্ৰ প্ৰমোদ কলিতা টংলা কলেজৰ চতুৰ্থ যাণ্মাসিকৰ ছাত্ৰ। প্ৰমোদে নিজৰ ফেচবুক একাউণ্টত 'মই আলফাৰ কাৰণে প্ৰাণ দিবলৈ সাজু, ককাইদেউ পৰেশ বৰুৱা মোৰ এখন হৃদয়। মই সদায়ে আলফাক সমৰ্থন কৰো। জয় সংযুক্ত মুক্তি বাহিনী অসম স্বাধীন জয় আই অসম।' আদি লিখাৰ বাবে কলাইগাঁও আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে ছাত্ৰজনক।


## উদ্ধাৰ হ'ল আৰক্ষী নিবেশৰ পৰা চুৰি

*এক পৃষ্ঠাৰ পৰা* টেংকীৰ ওচৰৰ এটা পৰিত্যক্ত ঘৰত লুকুৱাই থোৱা অৱস্থাত আৰক্ষীয়ে উদ্ধাৰ কৰে চুৰি হোৱা গুলিখিনি। উল্লেখ্য যে এই চুৰি কাণ্ডত জড়িত থকাৰ সন্দেহত শ্যাম হাজৰিকা আৰু ফিৰোজ খান নামৰ দুজন যুৱকক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰে বিভিন্ন চুৰিকাৰ্যত লিপ্ত থকা ফিৰোজক মাৰাথন জেৰা কৰাত তেওঁ চুৰি কৰাৰ কথা স্বীকাৰ কৰাৰ লগতে চুৰি কৰি নিয়া এ কে-৪৭ ৰাইফলৰ গুলিসমূহ চহৰখনৰ ফৌজদাৰীপট্টিৰ পানী টেংকীৰ ওচৰৰ এটা পৰিত্যক্ত ঘৰত লুকুৱাই থোৱাৰ কথাও স্বীকাৰ কৰে। নগাঁও সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ ৰাজবংশীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযান চলাই এ কে-৪৭ ৰাইফলৰ চুৰি হোৱা গুলিসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গুলিখিনিৰ লগতে আৰক্ষীয়ে এটি কৃষ্ণৰ মূৰ্তিও উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ লগে লগে নগাঁও আৰক্ষীয়েও স্বস্তিৰ নিশ্বাস এৰিছে। উল্লেখ্য যে এ কে-৪৭ ৰাইফলৰ গুলিসমূহ আৰক্ষী কনিষ্টবল অৰুণজ্যোতি শইকীয়াৰ আবাসগৃহৰ পৰা যোৱা ন জুলাইত ঘৰত কোনো নথকা অৱস্থাত চুৰি হৈছিল। ইয়াৰ পাছতে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেয়ে আৰক্ষী কনিষ্টবল শইকীয়াক তৎকালে বলৱৎ হোৱাকৈ চাকৰিৰ পৰা নিলম্বিত কৰিছিল।

## খুচুৰাৰ অজুহাতত অতিৰিক্ত ধন আদায়

*এক পৃষ্ঠাৰ পৰা* নিয়োজিত কৰ্মচাৰীসকলৰ এটা চক্ৰই খুচুৰা টকা নথকাৰ অজুহাত দেখুৱাই যাত্ৰীৰ পৰা অতিৰিক্ত ধন সংগ্ৰহ কৰি এক বৃহৎ ছিণ্ডিকেট চলাই অহাৰ তথ্য পোহৰলৈ আহিছে। ভুক্তভোগী যাত্ৰীয়ে সদৰী কৰা অনুসৰি, দ্বিতীয় শ্ৰেণীৰ টিকটৰ নামত এই বৃহৎ ছিণ্ডিকেট অব্যাহত ৰাখিছে ৰেল কৰ্মচাৰীৰ এটা চক্ৰই। এই সমগ্ৰ বিষয়ত এজন ভুক্তভোগী যাত্ৰীয়ে 'দৈনিক অগ্ৰদূত'ৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'আজি বিয়লি ৪-১৫ বজাত মোৰ যাত্ৰা আছিল। দ্বিতীয় শ্ৰেণীৰ তিনিটা টিকট কাটিবলৈ মই পল্টনবজাৰ ৰেল ষ্টেছনত দুই বজাত উপস্থিত হৈ টিকটৰ বাবে দীঘলীয়া শাৰী পাতিলো। প্ৰায় ২-৩০ বজাত মই দুই নম্বৰ কাউণ্টাৰৰ সন্মুখ পালো আৰু তিনিটা টিকট সংশ্লিষ্ট কৰ্মচাৰীজনৰ পৰা সংগ্ৰহ কৰিলো। টিকটৰ মূল্য ২২৫ টকা হোৱাত মই কৰ্মচাৰীজনক পাঁচশ টকীয়া এখন নোট প্ৰদান কৰিলো। কৰ্মচাৰীজনে খুচুৰা নাই বুলি টিকটকেইটা ওভতাই ল'লে আৰু মোক খুচুৰা আনিবলৈ ক'লে। সেই সময়ত ষ্টেছনত ক'ত খুচুৰা পাম? তাতে শাৰী এৰি গ'লে আকৌ শাৰী পাতিব লাগিব। ফলত মোৰ যাত্ৰা বাতিল হোৱাটো নিশ্চিত বুলি ভাবি বন্ধু এজনক ফোন কৰি খুচুৰা আনিবলৈ ক'লো। ইতিমধ্যে সংশ্লিষ্ট কৰ্মচাৰীজনে আন যাত্ৰীক টিকট প্ৰদান কৰি আছে আৰু মই সন্মুখতে ৰৈ থকাত ২০ টকা এটা দিলে তেওঁ মোক তিনিশ টকা ওভতাই দিব পাৰিব বুলি ক'লে। মোৰ ওচৰত কেৱল পাঁচশ টকাৰ নোটখনেই আছিল, গতিকে আকৌ বন্ধুজনক ফোন কৰি শীঘ্ৰে ২০ টকাৰ নোট এখন লৈ আহিবলৈ আহ্বান জনালো। প্ৰায় ৩-৩০ বজাত বন্ধুজন আহি উপস্থিত হোৱাত ২০ টকা প্ৰদান কৰি টিকট আৰু তিনিশ টকা লৈ ৰেলত উঠিলো; কিন্তু মোৰ পৰা পাঁচ টকা সংশ্লিষ্ট কৰ্মচাৰীজনে কিয় কমাই ল'লে সেয়া হে ডাঙৰ প্ৰশ্ন।' উল্লেখ্য যে ভুক্তভোগী যাত্ৰীজনে প্ৰায় এঘণ্টা সময় কাউণ্টাৰৰ সন্মুখত খুচুৰাৰ অভাৱত পৰ দি বহু ঘটনাৰ সাক্ষী হৈ ৰ'ল বুলি মন্তব্য কৰি পুনৰ কয়, 'মোৰ সন্মুখতে চাৰি-পাঁচজন যাত্ৰীয়ে খুচুৰাৰ অভাৱত দুশ-আঢ়ৈশ টকা পৰ্যন্ত এৰি যোৱা দেখিবলৈ পালো। মোৰ হাততো যদি আৰু টকা থাকিলহেঁতেন অথবা বন্ধুজন নাথাকিলহেঁতেন, ময়ো সেই টকা এৰি আহিবলৈ বাধ্য হ'লোহেঁতেন। কাৰণ নহ'লে মোৰ যাত্ৰা বাতিল হ'ব। মোৰ পৰা যে দুই নম্বৰ কাউণ্টাৰৰ কৰ্মচাৰীজনে পাঁচ টকা কমকৈ ল'লে সেই টকাটো নিশ্চয় এই এৰি যোৱা অতিৰিক্ত টকাৰ পৰা শেষত মিলাব! অৰ্থাৎ এক বৃহৎ ছিণ্ডিকেট চলি আছে ৰেল ষ্টেছনৰ টিকট কাউণ্টাৰত।' তেওঁ পুনৰ কয় যে দৈনিক শ শ যাত্ৰীয়ে টিকট ক্ৰয় কৰে গুৱাহাটী ৰেল ষ্টেছনত আৰু বহু যাত্ৰীয়ে খুচুৰাৰ অভাৱত যাত্ৰা বাতিল হোৱাৰ ভয়ত ধন এৰি যাবলৈ বাধ্য হৈ পৰে। দৈনিক যদি মাত্ৰ এশজন যাত্ৰীয়ে দুশ-তিনিশ টকাকৈ ধন এৰি যাবলৈ বাধ্য হয়, এই অতিৰিক্ত ধন কাৰ পকেটলৈ যায় বুলি ভুক্তভোগী যাত্ৰীজনে প্ৰশ্ন উত্থাপন কৰি কয়, 'সংশ্লিষ্ট কৰ্মচাৰীৰ খুচুৰা নথকাটো এক অজুহাতহে। এই অজুহাত দেখুৱাই দৈনিক হেজাৰ হেজাৰ টকা আত্মসাৎ কৰি আহিছে। মই খুচুৰাৰ অভাৱত ৰৈ থকা সময়ত প্ৰায় শতাধিক যাত্ৰীয়ে টিকট ক্ৰয় কৰিছে আৰু ইয়াৰে প্ৰায় ১৫-২০জন যাত্ৰীক খুচুৰা নাই বুলি সংশ্লিষ্ট কৰ্মচাৰীয়ে ৰখাই থৈছে। যিসকলে খুচুৰা টকাৰে টিকট ক্ৰয় কৰিছে, ইচ্ছা কৰিলে কৰ্মচাৰীজনে সেই খুচুৰা টকা ৰখাই থোৱাসকলক ওভতাই দিব পাৰিলেহেঁতেন। মোৰ হাতত অতিৰিক্ত টকা নথকাৰ বাবে আৰু অলপ ধৈৰ্য ধৰাৰ বাবেই মই পাঁচ টকা ৰেহাই মূল্যত টিকট লাভ কৰিলো; কিন্তু যিসকলৰ ধৈৰ্য নাই বা যাত্ৰা বাতিল হ'ব বুলি ভয়, তেওঁলোকে ওভতাই দিবলগীয়া ধন নালাগে বুলি ক'বলৈ বাধ্য হৈ পৰে। ফলত দৈনিক হেজাৰ হেজাৰ টকা খুচুৰাৰ অজুহাতত সংশ্লিষ্ট ৰেল কৰ্মচাৰীয়ে সংগ্ৰহ কৰি এক বৃহৎ ছিণ্ডিকেট চলাই আহিছে।' উল্লেখ্য যে পল্টনবজাৰ ৰেল ষ্টেছনৰ গৰিষ্ঠ সংখ্যক কাউণ্টাৰতে এই পন্থাৰে সংশ্লিষ্ট কৰ্মচাৰীয়ে টিকটৰ বাবদ অতিৰিক্ত ধন সংগ্ৰহ কৰি অহাৰ অভিযোগ উঠিছে। দৰমহাৰ টকাতে সন্তুষ্ট নথকা এনে কৰ্মচাৰীৰ বিৰুদ্ধে ৰেল বিভাগে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে পোহৰলৈ আহিব।

## সেতুৰ পৰা নৰ্মদাত বাগৰিল বাছ, কমেও ১৩ জনৰ মৃত্যু



**নিউজ ব্যুৰ', ইণ্ডোৰ, ১৮ জুলাই ঃ** মধ্যপ্ৰদেশত এক ভয়াৱহ বাছ দুৰ্ঘটনাত কমেও ১৩ জন লোকৰ মৃত্যু হ'ল। আজি পুৱাতে ইণ্ডোৰৰ পৰা পুনেগামী এজন যাত্ৰীবাহী বাছে সেতুৰ ৰেলিং ভাঙি নৰ্মদা নদীত বাগৰি পৰিছিল। ঘটনাস্থলীৰ পৰা ১৩ জন ব্যক্তিৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। তদুপৰি আন ১৫ জন যাত্ৰীক জীৱিত উদ্ধাৰ কৰা হয়। বাছখনত কিমানজন যাত্ৰী আছিল সেই সন্দৰ্ভত নিশ্চিত তথ্য লাভ কৰা নাই যদিও একাংশ প্ৰত্যক্ষদৰ্শীয়ে প্ৰকাশ কৰা মতে ৩৫-৫০ জনমান যাত্ৰী বাছৰ ভিতৰত আছিল। বৰষুণৰ বতৰত পথত চকা পিছলি এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি আৰক্ষীয়ে প্ৰাথমিক তদন্তত অনুমান কৰিছে। সন্ধানহীন যাত্ৰীৰ উদ্ধাৰ অভিযান প্ৰশাসনে অব্যাহত ৰাখিছে।

## নতুন জনমত সমীক্ষাত দাবী, ব্ৰিটেইনৰ বাবে ভাল প্ৰধানমন্ত্ৰী প্ৰমাণিত হ'ব ঋষি



**নিউজ ব্যুৰ', লণ্ডন, ১৮ জুলাই ঃ** ব্ৰিটেইনৰ শাসকীয় কনজাৰভেটিভ পাৰ্টিৰ সমৰ্থক ভোটদাতাসকলৰ অৰ্ধেকাংশৰ মতে ঋষি ছুনক দেশখনৰ এজন ভাল প্ৰধানমন্ত্ৰী হিচাপে পৰিচিত হ'ব পাৰিব। দেওবাৰে সম্পন্ন কৰা এক নতুন জনমত সমীক্ষাত এই কথা প্ৰকাশ পালে, 'দ্য ছানডে টেলিগ্ৰাফ' কাকতৰ বাতৰিত উল্লেখ কৰা অনুসৰি জে এল পাৰ্টনাৰ্ছৰ জৰিয়তে সম্পন্ন কৰা উক্ত জনমত সমীক্ষাত ৪৪০০ৰো অধিক লোকে অংশ লৈছিল। এই সমীক্ষাত উল্লেখ কৰা মতে, ২০১৯ৰ সাধাৰণ নিৰ্বাচনত কনজাৰভেটিভ পাৰ্টিক সমৰ্থন কৰা ভোটদাতাসকলৰ ৪৮ শতাংশই ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক ঋষি ছুনক ব্ৰিটেইনৰ এজন ভাল প্ৰধানমন্ত্ৰী প্ৰমাণিত হ'ব বুলি মত পোষণ কৰে। এই সমীক্ষাত লগতে প্ৰকাশ যে ব্ৰিটিছ প্ৰধানমন্ত্ৰী পদৰ দৌৰত ঋষিয়ে প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থানত আছে বৈদেশিক মন্ত্ৰী লিজ ট্ৰাছ। সমীক্ষাত ঋষিয়ে প্ৰধানমন্ত্ৰী পদৰ দাবীদাৰ হিচাপে ৪৮ শতাংশ লোকৰ সমৰ্থন লাভ কৰাৰ বিপৰীতে ট্ৰাছে ৩৯ শতাংশ আৰু পেনি মৰ্ডাণ্টে ৩৩ শতাংশ লোকৰ সমৰ্থন লাভ কৰে।

## পঞ্জাৱ প্ৰদেশৰ উপ-নিৰ্বাচনত ইমৰানৰ পাকিস্তান তেহৰিক-এ-ইনছাফ দলৰ বৃহৎ জয়



**নিউজ ব্যুৰ', লাহোৰ, ১৮ জুলাই ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ দল পাকিস্তান তেহৰিক-এ-ইনছাফ (পি টি আই)-এ দেশখনৰ পঞ্জাৱ প্ৰদেশৰ উপ-নিৰ্বাচনত বৃহৎ জয় সাব্যস্ত কৰিলে। 'দ্য এক্সপ্ৰেছ ট্ৰিবিউন'ৰ বাতৰি অনুসৰি, পঞ্জাৱ প্ৰদেশৰ মূলতান, ডেৰা গাজী খান, চাহিৱাল আৰু খুচাবত ইমৰানৰ দলে বৃহৎ জয় সাব্যস্ত কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি উপ-নিৰ্বাচনত মুঠ ২০ সমষ্টিৰ ১৬ টাত ইমৰান নেতৃত্বাধীন পি টি আইৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিলে। পাকিস্তান মুছলিম লীগ (নৱাজ) দলে পৰাজয় স্বীকাৰ কৰি উপ-নিৰ্বাচনত জয়ৰ বাবে পি টি আইক শুভেচ্ছা জনালে। উপ-নিৰ্বাচনত দলত নেতৃত্ব দান কৰা পাকিস্তান মুছলিম লীগ (নৱাজ)ৰ নেত্ৰী মৰিয়ম নৱাজে কয় যে নিৰ্বাচনৰ ফলাফলক আমি সকলোৱে হৃদয়ৰ পৰা স্বীকাৰ কৰা উচিত।

## কাশ্মীৰৰ পুঞ্চত গ্ৰেণেড বিস্ফোৰণত কেপ্টেইন-জে চি অ' হ'ল ছহিদ



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ১৮ জুলাই ঃ** জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাত গ্ৰেণেড বিস্ফোৰণৰ এক ঘটনাত দুজন সেনা বিষয়া ছহিদ হ'ল। দেওবাৰে নিশা নিয়ন্ত্ৰণ ৰেখাত সেনাই পহৰা দি থকাৰ সময়তে হঠাতে সংঘটিত হোৱা গ্ৰেণেড বিস্ফোৰণৰ ঘটনাত কেপ্টেইন আনন্দ আৰু জুনিয়ৰ কমিছনড অফিচাৰ (জে চি অ') ভগৱান সিং নিহত হয়। এই ঘটনাত আন ছজন জোৱান আহত হৈছে। কেনেকৈ গ্ৰেণেডৰ বিস্ফোৰণ হ'ল সেই সন্দৰ্ভত সেনাই তদন্ত আৰম্ভ কৰিছে।

## ঘানাত অতি সংক্ৰামক মাৰবাৰ্গ ভাইৰাছৰ সংক্ৰমণত নিহত দুজন



**নিউজ ব্যুৰ', ডাকাৰ, ১৮ জুলাই ঃ** অতি সংক্ৰামক ইব'লা সদৃশ মাৰবাৰ্গ ভাইৰাছৰ সংক্ৰমণৰ তথ্য নিশ্চিত কৰিলে ঘানাৰ স্বাস্থ্য বিভাগে। স্বাস্থ্য বিভাগৰ বিবৃতিত উল্লেখ কৰা মতে চলিত মাহৰ আৰম্ভণিতে দুজন ব্যক্তিৰ শৰীৰত মাৰবাৰ্গ ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল আৰু পাছত দুয়োজন ৰোগীৰ মৃত্যু হয়। উল্লেখ্য যে পশ্চিম আফ্ৰিকাত দ্বিতীয়বাৰৰ বাবে মাৰবাৰ্গৰ সংক্ৰমণ চিনাক্ত কৰা হ'ল। যোৱা বছৰত গুৱেনাত মাৰবাৰ্গ ভাইৰাছৰ প্ৰথম সংক্ৰমণ চিনাক্ত কৰা হৈছিল।

### নতুন আইন প্ৰৱৰ্তন কৰিব কেন্দ্ৰই ঃ আন সংস্থাৰ খবৰ প্ৰকাশ কৰি মুনাফা অৰ্জন গুগল, ফে'চবুক, টুইটাৰসহ একাধিক সংস্থাৰ

# সংবাদ মাধ্যমৰ খবৰ প্ৰকাশ কৰিলে ধন ভৰিব লাগিব ফে'চবুক-গুগলে

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ জুলাই ঃ** দেশৰ সংবাদ মাধ্যমসমূহৰ খবৰ প্ৰকাশ কৰি মুনাফা অৰ্জন কৰিছে গুগল, ফে'চবুক, টুইটাৰসহ একাধিক সংস্থাই। ইয়াৰ ফলত এইসমূহ বা-বাতৰিৰ প্ৰকৃত প্ৰকাশক বা প্ৰচাৰকে লাভ অৰ্জনৰ পৰা বঞ্চিত হৈছে। এই সন্দৰ্ভত ভাৰতত শীঘ্ৰে এখন আইন বলবৎ কৰিব কেন্দ্ৰৰ চৰকাৰে। ফে'চবুক-গুগলসহ বিভিন্ন




সংস্থাই প্ৰকাশ-প্ৰচাৰ কৰা আন সংস্থাৰ বা-বাতৰিত বিজ্ঞাপন প্ৰদৰ্শনৰে বৃহৎ পৰিমাণৰ ধন উপাৰ্জন কৰি আহিছে। কিন্তু এই ধনৰ অতি কম অংশ প্ৰকৃত বাতৰি পৰিৱেশকে লাভ কৰিছে। কেন্দ্ৰীয় তথ্য প্ৰযুক্তি মন্ত্ৰণালয়ৰ ৰাজ্যমন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে কয় যে দেশৰ সংবাদ মাধ্যমে সন্মুখীন হোৱা এই সমস্যাৰ সমাধানৰ বাবে এখন আইন প্ৰস্তুত কৰা হ'ব।

ফে'চবুক, টুইটাৰ, গুগলসহ অন্যান্য বৃহৎ তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানসমূহে আগন্তুক সময়ত আন প্ৰতিষ্ঠানৰ বা-বাতৰি প্ৰচাৰ কৰিলে উক্ত প্ৰতিষ্ঠানক নিৰ্দিষ্ট পৰিমাণৰ ধন আদায় দিব লাগিব। অষ্ট্ৰেলিয়া আৰু ফ্ৰান্স চৰকাৰে ইতিমধ্যে আইন প্ৰৱৰ্তন কৰি গুগল আৰু অন্যান্য প্লেটফৰ্মত কোনো বাতৰি প্ৰকাশ বা প্ৰচাৰ কৰিলে ইয়াৰ বাবদ আৰ্জিত আয়ৰ এক অংশ নিৰ্দিষ্ট সংবাদ সংস্থাক আদায় দিয়াটো বাধ্যতামূলক কৰিছে। এনেধৰণৰ আইন কানাডা আৰু ব্ৰিটেইনতো আছে। এইবাৰ ভাৰততো একেধৰণৰ আইন প্ৰৱৰ্তন কৰা হ'ব।


## আমেৰিকাত পুনৰ বন্দুকধাৰীৰ আক্ৰমণত নিহত কমেও চাৰিজন



**নিউজ ব্যুৰ' ইণ্ডিয়ানা, ১৮ জুলাই ঃ** পুনৰ বন্দুকধাৰীৰ আক্ৰমণত ৰক্তাক্ত হ'ল আমেৰিকা। স্থানীয় সময় অনুসৰি দেওবাৰে সন্ধিয়া ইণ্ডিয়ানা প্ৰদেশত এখন শ্বপিং ম'লত এজন ব্যক্তিয়ে জধে-মধে গুলিবৰ্ষণ কৰিছিল। এই ঘটনাত প্ৰাণ হেৰুৱালে কমেও চাৰিজন লোকে। তদুপৰি দুজন লোক আহত হয়। অৱশ্যে আৰক্ষীৰ গুলিত বন্দুকধাৰীও ধৰাশায়ী হ'ল। বিগত কে'বামাহ ধৰি বন্দুকধাৰীয়ে আমেৰিকাত এনেধৰণৰ আক্ৰমণ সংঘটিত কৰি আহিছে। দেওবাৰে ইণ্ডিয়ানা প্ৰদেশৰ গ্ৰীণউড পাৰ্ক ম'লত অত্যাধুনিক ৰাইফলসহ প্ৰৱেশ কৰা এজন ব্যক্তিয়ে এই ঘটনা সংঘটিত কৰিলে।

## দুই দশকৰ প্ৰেমৰ অন্তত বিবাহ সম্পন্ন জেনিফাৰ-বেনৰ

**নিউজ ব্যুৰ', হলিউড, ১৮ জুলাই ঃ** প্ৰায় ২০ বছৰৰ প্ৰেম সম্পৰ্কৰ পাছত হলিউডৰ দুই তাৰকা যুটি জেনিফাৰ ল'পেজ আৰু বেন এফ্লেকে বিবাহপাশত আবদ্ধ হ'ল। দুই দশকৰ ৰোমাঞ্চৰ পাছত অৱশেষত লাছ ভেগাছত এই দুই হলিউড তাৰকাই আনুষ্ঠানিকভাৱে বিবাহ সম্পন্ন কৰিলে। এটা বগা ৰঙৰ গাউন পৰিধান কৰি জনপ্ৰিয় সংগীত শিল্পী জেনিফালে বেনক স্বামীৰৰণ কৰে। ২০০১ বৰ্ষত প্ৰথমবাৰ 'গিগলি' ছবিখনত জেনিফাৰ আৰু বেনে একেলগে অভিনয় কৰিছিল। প্ৰকাশিত বাতৰি অনুসৰি এইখন চিনেমাত অভিনয় কৰাৰ সময়তে উভয়ৰে প্ৰেমত পৰিছিল জেনিফাৰ আৰু বেনে। ২০০৪ বৰ্ষত অৱশ্যে হঠাতে বিচ্ছেদ ঘোষণা কৰিছিল জেনিফাৰ আৰু বেনে। ২০১৯ৰ পাছত পুনৰ জেনিফাৰ আৰু বেনক বিভিন্ন অঞ্চলত একেলগে প্ৰত্যক্ষ হৈছিল। অৱশেষত দুই দশকৰ প্ৰেমৰ সফল পৰিণতি ঘটালে এই দুই তাৰকাই।




## আমেৰিকাত অৱতৰণৰ সময়ত দুখন বিমানৰ মুখামুখি সংঘৰ্ষত চাৰিজন লোকৰ মৃত্যু



**নিউজ ব্যুৰ', লাছ ভেগাছ, ১৮ জুলাই ঃ** আমেৰিকাৰ উত্তৰ লাছ ভেগাছ বিমানকোঠত অৱতৰণৰ সময়ত এখন বিমানৰ মুখামুখি সংঘৰ্ষৰ ঘটনাত কমেও চাৰিজন লোকৰ মৃত্যু হ'ল। চি বি এছ নিউজ চেনেলৰ বাতৰি অনুসৰি, পাইপৰ পি এ-৪৬ বিমানখনে স্থানীয় সময় অনুসৰি দেওবাৰে দুপৰীয়া ১২ বজাত বিমানকোঠত অৱতৰণ কৰাৰ সময়তে চেছনা ১৭২ বিমানক খুন্দা মাৰিছিল। ফলত পাইপৰ বিমানখনে ৰানৱেত দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ লগতে চেছনা বিমানখন এটা খালত বাগৰি পৰে। বিমান দুখনৰ পৰা মুঠ চাৰিজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে।

# আই আই এম ৰাইপুৰত নতুন ইতিহাস, ছাত্ৰতকৈ বাঢ়িল ছাত্ৰীৰ সংখ্যা

**নিউজ ব্যুৰ' ৰাইপুৰ, ১৮ জুলাই ঃ** ইণ্ডিয়ান ইনষ্টিটিউট অব্ মেনেজমেণ্ট (আই আই এম), ৰাইপুৰত ছাত্ৰৰ তুলনাত ছাত্ৰীৰ সংখ্যা অধিক হ'ল। ২০২২ শিক্ষাবৰ্ষত আই আই এম (ৰাইপুৰ)ত ২০৫ গৰাকী ছাত্ৰীৰ নামভৰ্তিৰ বিপৰীতে এই শিক্ষানুষ্ঠানত ১২৫ ছাত্ৰই প্ৰৱেশ কৰিলে। উল্লেখ্য যে যোৱা বছৰত



একেখন শিক্ষানুষ্ঠানত ১৪৬ ছাত্ৰ আৰু ১২০ ছাত্ৰীয়ে নামভৰ্তিৰ সুবিধা লাভ কৰিছিল। ২০২২ বৰ্ষত আই আই এম ৰাইপুৰ ছাত্ৰৰ তুলনাত ছাত্ৰীৰ সংখ্যা ২০ শতাংশ বৃদ্ধি পালে। এইসকল ছাত্ৰ-ছাত্ৰীয়ে মেনেজমেণ্টৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তি কৰালে। একেদৰে আই আই এম কোঝিকোড়ত ২০১৯ বৰ্ষত ৬০ গৰাকী ছাত্ৰীয়ে নামভৰ্তিৰ সুবিধা লাভ কৰিছিল। ২০২২ বৰ্ষত এইখন আই আই এমত ছাত্ৰীৰ সংখ্যা ৪৬.৭ শতাংশ বৃদ্ধি পালে। ৰাইপুৰ আৰু কোঝিকোড়ৰ বাদেও দেশৰ আন কে'বাখনো আই আই এমত চলিত বৰ্ষত ছাত্ৰীৰ সংখ্যা ৩০ শতাংশলৈ বৃদ্ধি পালে। আই আই এম আহমেদাবাদ আৰু আই আই এম কলকাতাৰ ছাত্ৰীৰ সংখ্যাও পূৰ্বতকৈ বৃদ্ধি পাইছে। ২০২১ বৰ্ষত বিশ্বৰ লগতে বাণিজ্যিক শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰৰ তুলনাত ছাত্ৰীয়ে নামভৰ্তিৰ বাবে অধিক সংখ্যক আবেদন দাখিল কৰিছিল। ভাৰতত মেনেজমেণ্ট শিক্ষাৰ প্ৰতি যুৱতীসকলৰ মাজত আগ্ৰহ বৃদ্ধি পাইছে। আই আই এমৰ সৰহ সংখ্যক ছাত্ৰীয়ে নামভৰ্তিৰ সুবিধা লাভ কৰাৰ প্ৰতি লক্ষ্য ৰাখি ক'ব পাৰি যে আগন্তুক সময়ত আই আই এমসমূহত ছাত্ৰীৰ সংখ্যা অধিক বৃদ্ধিৰ সম্ভাৱনা আছে। আই আই এম ৰাইপুৰ এখন ১২ বছৰ পুৰণি শীৰ্ষ মেনেজমেণ্ট শিক্ষানুষ্ঠান। একেদৰে আই আই এম কোঝিকোড় হৈছে হাৰ্ভাৰ্ড বিজনেছ স্কুল আৰু অক্স'ফৰ্ড বিজনেছ স্কুলৰ সম পৰ্যায়ৰ এখন মেনেজমেণ্ট শিক্ষানুষ্ঠান।

## দেশত সম্পূৰ্ণৰূপে ক্ৰিপ্টকাৰেন্সি নিষিদ্ধকৰণৰ পক্ষত ৰিজাৰ্ভ বেংক



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ জুলাই ঃ** ক্ৰিপ্টকাৰেন্সিৰ ওপৰত ভাৰতত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা আৰোপ কৰা হ'ব পাৰে। দেশৰ সৰ্বোচ্চ বেংকিং প্ৰতিষ্ঠান ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বি আই)এ দেশত ক্ৰিপ্টকাৰেন্সি সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ বাবে কেন্দ্ৰৰ চৰকাৰক পৰামৰ্শ দিছে। ক্ৰিপ্টকাৰেন্সিৰ সন্দৰ্ভত আৰ বি আইৰ দীৰ্ঘদিন ধৰি বিভিন্ন অধ্যয়ন আৰু পৰ্যালোচনা চলোৱাৰ পাছত দেশত এই ডিজিটেল কাৰেন্সিৰ ভৱিষ্যৎ মুঠেও আশাবাদী নহয় বুলি মত প্ৰকাশ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি আৰ বি আয়ে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনক ভাৰতত সম্পূৰ্ণৰূপে ক্ৰিপ্টকাৰেন্সি নিষিদ্ধ কৰাৰ পৰামৰ্শ দিছে। সাংসদ থিৰুমা ভালাভানৰ এক প্ৰশ্নৰ উত্তৰ দি সদনত বিত্ত মন্ত্ৰী সীতাৰমনে কয়, 'আৰ বি আয়ে চৰকাৰক ক্ৰিপ্টকাৰেন্সি বিষয়ক সঠিক নীতি-নিৰ্দেশনা অথবা নিৰ্দেশিকা জাৰি কৰিবলৈ পৰামৰ্শ দিছে। চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া আগন্তুক দিনত স্পষ্ট হ'ব।' উল্লেখ্য যে গৱৰ্ণৰ শক্তিকান্ত দাসৰ নেতৃত্বাধীন আৰ বি আয়ে সময়ে সময়ে ক্ৰিপ্টকাৰেন্সিৰ বিৰোধিতা কৰি আহিছে। বিটকইনসহ সকলো ধৰণৰ ক্ৰিপ্টকাৰেন্সি দেশৰ অৰ্থনীতিৰ স্বাৰ্থত বন্ধ কৰা উচিত বুলি পূৰ্বে একাধিকবাৰ আৰ বি আয়ে মত প্ৰকাশ কৰিছিল।

## পঞ্জাৱত যানবাহন আইন অমান্য কৰিলে জৰিমনাৰ লগতে কৰিব লাগিব ৰক্তদান

**নিউজ ব্যুৰ', চণ্ডীগড়, ১৮ জুলাই ঃ** সুৰাপান কৰি যানবাহন চলালে বা গতিৰ সীমা উলংঘন কৰিলে পঞ্জাৱত এতিয়াৰে পৰা কেৱল জৰিমনা ভৰিলে নহ'ব, বাধ্যতামূলকভাৱে ৰক্তদানো কৰিব লাগিব। অন্যথা নিকটৱৰ্তী কোনো বিদ্যালয় বা চিকিৎসালয়ত সেৱা আগবঢ়াব লাগিব। দেওবাৰে এই নতুন যানবাহন বিধি জাৰি কৰিলে পঞ্জাৱ আৰক্ষীয়ে। পঞ্জাৱত যানবাহন আইন কোনো ব্যক্তিয়ে বাৰে বাৰে লংঘন কৰিলে প্ৰতিবাৰে জৰিমনাৰ পৰিমাণো বৃদ্ধি পাব। প্ৰথমবাৰ আইন ভংগ কৰিলে যি পৰিমাণৰ জৰিমনা দিব লাগিব, দ্বিতীয়বাৰ এই পৰিমাণ দুগুণ হ'ব। তদুপৰি চালকৰ অনুজ্ঞাপত্ৰও সাময়িকভাৱে নিষ্ক্ৰিয় কৰা হ'ব। ৰাজ্যখনত প্ৰথমবাৰ গতিৰ সীমা উলংঘন কৰিলে এহেজাৰ টকা জৰিমনা আদায় দিব লাগিব আৰু চালকৰ অনুজ্ঞাপত্ৰ তিনিমাহৰ বাবে নিষ্ক্ৰিয় কৰা হ'ব। দ্বিতীয়বাৰ এই ভুল কৰিলে



জৰিমনা দুহেজাৰ টকা আদায় দিব লাগিব। একেদৰে সুৰাপান কৰি গাড়ী চলাই প্ৰথমবাৰ ধৰা পৰিলে পাঁচ হেজাৰ টকা জৰিমনা ভৰিব লাগিব আৰু তিনিমাহৰ বাবে অনুজ্ঞাপত্ৰ নিষ্ক্ৰিয় কৰা হ'ব। দ্বিতীয়বাৰত একে অপৰাধত জৰিমনা দুগুণ আদায় দিব লাগিব। আইন ভংগকাৰীসকলে নিকট ব্লাড বেংকত কমেও এক ইউনিট ৰক্তদান কৰিব লাগিব। অন্যথা চিকিৎসালয়ত দুঘণ্টা সেৱা আগবঢ়াব লাগিব।

## ২৪ ঘণ্টাত দেশত ১৬,৯৩৫ জন লোক ক'ভিড সংক্ৰমিত, ৫১ জনৰ মৃত্যু

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ জুলাই ঃ** একেৰাহে চাৰিদিন ধৰি দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ২০ হেজাৰৰ ঊৰ্ধ্বত থকাৰ পাছত সোমবাৰে দৈনিক সংক্ৰমণ ১৬,৯৩৫ জনলৈ হ্ৰাস পালে। সংক্ৰমণৰ তালিকাত দেশৰ ভিতৰতে শীৰ্ষত থকা পশ্চিমবংগত যোৱা ২৪ ঘণ্টাত ক'ভিড সংক্ৰমিত হ'ল ২,৬৫৯ জন লোক। একেদৰে কেৰালাত ২৬০৪, তামিলনাডুত ২৩১৬, মহাৰাষ্ট্ৰত ২১৮৬ আৰু কৰ্ণাটকত ৯৪৪ জন লোক বিগত এদিনত ক'ভিড সংক্ৰমিত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত সোমবাৰে দেশত ৫১ জন লোকৰ মৃত্যু হ'ল। কেৰালাত ২৯ জন, পশ্চিমবংগত পাঁচজন আৰু উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, অসমত তিনিজন, দিল্লী, কৰ্ণাটক, তামিলনাডু, পঞ্জাৱ, চত্তিছগড়, মণিপুৰ, ছিকিম আৰু নগালেণ্ডত এজনকৈ ৰোগীৰ মৃত্যু হ'ল।



## মই অপৰাধী নহয় ঃ ছিংগাপুৰ ভ্ৰমণৰ বাবে অনুমতি লাভত বিলম্বত ক্ষুব্ধ দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱাল




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ জুলাই ঃ** 'বিশ্ব চহৰ সন্মিলন'ত অংশ লোৱাৰ বাবে প্ৰস্তাৱিত ছিংগাপুৰ ভ্ৰমণৰ যাৱতীয় অনুমতি লাভত বিলম্ব হোৱাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিলে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে। ৰাজনৈতিক কাৰণত তেওঁক ছিংগাপুৰলৈ যোৱাৰ বাবে প্ৰয়োজনীয় অনুমতি প্ৰদানত কেন্দ্ৰই বিলম্ব কৰাৰ অভিযোগ উত্থাপন কৰিলে দিল্লীৰ মুখ্যমন্ত্ৰীয়ে। কেজৰিৱালে কয়, 'মই কোনো অপৰাধী নহয়, মই এজন ৰাজ্যৰ নিৰ্বাচিত মুখ্যমন্ত্ৰী। মোক উক্ত সন্মিলনত অংশ লোৱাৰ ক্ষেত্ৰত কিয় বাধা দিয়া হৈছে সেই কথা মই বুজি পোৱা নাই। মই ভাবো যে এই ভ্ৰমণৰ জৰিয়তে ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰিম।' উল্লেখ্য যে কেজৰিৱালে ছিংগাপুৰত অনুষ্ঠিত হ'বলগীয়া বিশ্ব চহৰ সন্মিলনত অংশ লৈ 'দিল্লী মডেল'ৰ সন্দৰ্ভত সবিশেষ ব্যাখ্যা কৰাৰ কথা আছিল। কিন্তু আপৰ মুৰব্বীজনে অভিযোগ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰে ৰাজনৈতিক ষড়যন্ত্ৰ ৰচি তেওঁক এই সন্মিলনত যোগদানৰ ক্ষেত্ৰত বাধা দান কৰিছে।

## ২০১৮ৰ তুলনাত দেশৰ একাংশ কৃষকৰ উপাৰ্জন দুগুণ বৃদ্ধি ঃ এছ বি আইৰ তথ্য

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ জুলাই ঃ** দেশৰ একাংশ ৰাজ্যৰ কৃষকৰ উপাৰ্জন ২০১৮-১৯ বিত্তীয় বৰ্ষৰ তুলনাত ২০২১-২২ বিত্তীয় বৰ্ষত দুগুণ বৃদ্ধি পালে। নিৰ্দিষ্ট কেতবোৰ শস্যৰ কৃষিকাৰ্যৰ জৰিয়তে দেশৰ একাংশ ৰাজ্যত ২০২১-২২ বিত্তীয় বৰ্ষত নিজৰ উপাৰ্জন দ্বিগুণ বৃদ্ধি কৰিবলৈ সফল হৈছিল কৃষক। এছ বি আইৰ এক অধ্যয়নত এই তথ্য প্ৰকাশ পালে। অন্যান্য ক্ষেত্ৰত দেশৰ কৃষকসকলৰ উপাৰ্জন ২০২১-২২ বিত্তীয় বৰ্ষত ১.৩-১.৭ গুণ হাৰত বৃদ্ধি পাইছিল বুলিও একেটা প্ৰতিবেদনত উল্লেখ কৰা হৈছে। এছ বি আইৰ কৃষি বিভাগে বিগত পাঁচ বছৰৰ কৃষকৰ উপাৰ্জনৰ পৰিৱৰ্তনৰ সন্দৰ্ভত অধ্যয়ন চলাই এই প্ৰতিবেদন যুগুত কৰিছে। প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০১৪ৰ পৰা বৰ্তমানলৈকে দেশত কৃষিকাৰ্য সামগ্ৰীৰ



ন্যূনতম সমৰ্থন মূল্য (এম এছ পি) ১.৫-২.৩ গুণলৈকে বৃদ্ধি পাইছে। একেখন প্ৰতিবেদনত লগতে প্ৰকাশ কৰা অনুসৰি ২০১৪ বৰ্ষৰ পৰা প্ৰায় ৩.৭ কোটি যোগ্য কৃষকৰ মাত্ৰ ৫০ শতাংশইহে ঋণ ৰেহাইৰ সুবিধা ২০২২ৰ মাৰ্চলৈকে লাভ কৰিলে। অৱশ্যে একাংশ ৰাজ্যত ৯০ শতাংশতকৈ অধিক কৃষকে ঋণ ৰেহাইৰ সুবিধা লাভ কৰা বুলিও প্ৰতিবেদনত প্ৰকাশ।



## ধনৰ বাবে ললিতৰ কাষলৈ যোৱা নাই, হীৰা ক্ৰয়ৰ ক্ষমতা আছে মোৰ ঃ সুস্মিতা

**নিউজ ব্যুৰ', মুম্বাই, ১৮ জুলাই ঃ** প্ৰেমত পৰিছে আই পি এলৰ প্ৰাক্তন মুৰব্বী ললিত মোদী আৰু প্ৰাক্তন ব্ৰহ্মাণ্ড সুন্দৰী-অভিনেত্ৰী সুস্মিতা সেন। ইয়াকে লৈ সামাজিক মাধ্যমত চলিছে নানা সৰস চৰ্চা। চেহেৰাৰ পৰা বয়স—সকলো দিশৰ পাৰ্থক্যক লৈ একাংশই সামাজিক মাধ্যমত ললিত আৰু সুস্মিতাক কটাক্ষও কৰিছে। ইতিমধ্যে ললিতে সুস্মিতাৰ স'তে তেওঁৰ সম্পৰ্কৰ প্ৰসংগত নিজৰ স্থিতি স্পষ্ট কৰিছে। প্ৰেম কৰাটো কোনো অপৰাধ নহয় বুলি ললিতে উল্লেখ কৰিছে। এইবাৰ ঘটনাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে সুস্মিতাই। অভিনেত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে স্পষ্টভাৱে কয়, 'মই সোণৰ লোভত ললিতৰ কাষলৈ যোৱা নাই। ইয়াৰ বাহিৰে মোৰ হীৰাও ভাল লাগে আৰু হীৰা ক্ৰয় কৰাৰ ক্ষমতা মোৰ নিজৰ আছে।' উল্লেখ্য যে সুস্মিতা আৰু ললিতে যোৱা ১৪ জুলাইত তেওঁলোকৰ প্ৰেম সম্পৰ্কৰ কথা ৰাজহুৱা কৰিছিল। ইয়াৰ পাছতে একাংশ লোকে সুস্মিতাৰ স্বামী নিৰ্বাচনক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। আই পি এল কেলেংকাৰিত অভিযুক্ত ললিত মোদীক কিয় প্ৰেমিক বা স্বামী হিচাপে সুস্মিতাই নিৰ্বাচন কৰিলে বুলিও সামাজিক মাধ্যমত চৰ্চা চলিছে। এনে চৰ্চাতে একাংশই মন্তব্য কৰি কৈছে যে দৰাচলতে ধনৰ লোভতহে অভিনেত্ৰীগৰাকীয়ে ললিতৰ স'তে সম্পৰ্ক গঢ়িছে। এই মন্তব্যৰে উত্তৰ দিলে সুস্মিতাই।

# বঙাইগাঁৱৰ তিলপুখুৰী এম ই মাদ্ৰাছা অস্থায়ী শিবিৰ পৰিদৰ্শন



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৮ জুলাইঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুই নম্বৰ বাশবাৰীৰ ১০৭ টা পৰিয়াল আই নৈৰ খহনীয়াত সৰ্বহাৰা হৈ তিলপুখুৰী আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। ক্ষতিগ্ৰস্তসকলক জিলা প্ৰশাসনে প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰি আহিছে। আজি খহনীয়াত সৰ্বহাৰা হৈ আশ্ৰয় গ্ৰহণ কৰা ১০৭ টা পৰিয়ালৰ কাষত উপস্থিত হয় বিটিআৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে। কাৰ্যবাহী সদস্যজনে খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলৰ সংস্থাপনৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে। পৰিদৰ্শন কালত বিটিআৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেৰ উপৰি বিটিআৰৰ পাৰিষদ প্ৰদীপ কুমাৰ বায়ন, বিজেপিৰ বঙাইগাঁও জিলা সভানেত্ৰী হিমনী অধিকাৰী, চিৰাং জিলা বিজেপিৰ সভাপতি ৰিন্টু কুমাৰ দাসে সংগ দিয়ে।

## খহনীয়াগ্ৰস্তসকলক সংস্থাপনৰ আশ্বাস প্ৰদান

# শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভা সম্পন্ন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৮ জুলাই ঃ** শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশনখনৰ কালি প্ৰথমদিনা কাৰ্যসূচী সম্পন্ন হয়। পুৱাৰ ভাগত শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় জিলাভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতাৰ। ইয়াৰ পাছতেই ক্লাবৰ প্ৰেক্ষাগৃহত আবেলি অনুষ্ঠিত হয় কাৰ্যনিৰ্বাহক। খলিলুৰ ৰহমান হাজৰিকাৰ সভাপতিত্বত আৰু সম্পাদক মনোজ কুমাৰ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা আৰু আঁত ধৰা সভাৰ ৰাজ্যিক সমিতিৰ সভাপতি টুটুমণি ফুকন, প্ৰাক্তন সভাপতি কেশৱ কলিতা আৰু প্ৰাক্তন সাংগঠনিক সম্পাদক ভাস্কৰ শৰ্মা প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰি প্ৰতিগৰাকীয়ে বাৰ্তজীৱী সংঘৰ লক্ষ্য আৰু উদ্দেশ্যৰ সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সভাত উপস্থিত থকা বহুকেইগৰাকী সাংবাদিকে নিজৰ মত ব্যক্ত কৰাৰ লগতে কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত পুৰণি সমিতি ভংগ হোৱাৰ পাছত সৰ্বসন্মতি সিদ্ধান্ত অনুসৰি খলিলুৰ ৰহমান হাজৰিকাক সভাপতি, দীপক বড়া, মুনীন্দ্ৰ নাথ শইকীয়া আৰু ৰাতু কুমাৰ দাসক উপ-সভাপতি, মনোজ কুমাৰ গগৈক সাধাৰণ সম্পাদক, মুজাহিদ আলী, নজিউল্লা হাজৰিকা, হিমাংশু নেওগ আৰু মফিদুল ইছলামক সহকাৰী সম্পাদক, আশ্ৰফুল ৰহমানক প্ৰচাৰ, চৈয়দ মুস্তাকুৰ ৰহমান, ৰাতুল শৰ্মা আৰু দিলিস্তান খানক সাংগঠনিক সম্পাদক, দেৱজ্যোতি বৰুৱাক কোষাধ্যক্ষ, অৰুণ কুমাৰ ঠাকুৰ, খাইৰুদ্দিন আহমেদ, মিনহাজ আহমেদ, ফৰিদ আলী, ৰূপজ্যোতি চাংমাই আৰু আব্দুল মতিনক কাৰ্যনিৰ্বাহক সদস্য হিচাপে লৈ ২১ জনীয়া জিলা সমিতিখন গঠন কৰা হয়। ইফালে আজি দ্বিতীয় দিনা শিৱসাগৰ বৰপুখুৰীস্থিত যুৱ দল প্ৰেক্ষাগৃহত দিনৰ ৯-৩০ বজাৰ পৰা সাংবাদিক কৰ্মশালা আৰু দিনৰ এক বজাৰ পৰা আৰম্ভ হয় মুকলি সভা অসমৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা মুকলি সভাত এখন তথ্যসম্বলিত বাৰ্তা নামৰ স্মাৰকগ্ৰন্থও উন্মোচন কৰা হয়।

# গোৱৰ্ধনাত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ জিলা সন্মিলন সম্পন্ন

**ছয়গাঁও, ১৮ জুলাই ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও শিক্ষাখণ্ডৰ অন্তৰ্গত গোৱৰ্ধনা প্ৰাথমিক বিদ্যালয়ত চিআইটিইউ আৰু এমডিএমডব্লিউএফআইৰ অন্তৰ্ভুক্ত সংগ্ৰামী ট্ৰেড ইউনিয়ম 'সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন'ৰ দক্ষিণ কামৰূপ জিলা সন্মিলন অনুষ্ঠিত হয়। সন্মিলনৰ আৰম্ভণিতে ইউনিয়ন আৰু চিআইটিইউৰ পতাকা উত্তোলন কৰে ক্ৰমে লাৱণ্য দাস আৰু হিতেশ দাসে। তাৰ পাছতে লাৱণ্য দাস, চুণিমা ৰাভা আৰু বিউতী দাসক লৈ গঠিত সভাপতি মণ্ডলীয়ে সন্মিলনৰ উদ্বোধনী অনুষ্ঠান আৰু প্ৰতিনিধি সভাৰ কাম পৰিচালনা কৰে। চিআইটিইউৰ জিলা সম্পাদক তথা ইউনিয়নৰ ৰাজ্যিক উপ-সভাপতি হিতেশ দাসে সন্মিলনৰ উদ্বোধনী ভাষণ ৰাখে। অসম ৰাজ্যিক কৃষক সভাৰ পক্ষৰ পৰা কিৰণ চন্দ্ৰ কলিতা আৰু সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ পৰা অনিল দাসে অভিনন্দন সূচক বক্তব্য ৰাখে। জিলা সম্পাদিকা কনকলতা দাসে উত্থাপন কৰা সাংগঠনিক আৰু হিচাপ সম্পৰ্কীয় প্ৰতিবেদন প্ৰতিনিধিসকলৰ গঠনমূলক আলোচনাৰ অন্তত সৰ্বসন্মতিক্ৰমে গৃহীত হয়। সন্মিলনে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবীত আৰু ৰন্ধন কৰ্মীসকলক মাননিৰ সলনি মজুৰি প্ৰদানৰ লগতে সামাজিক সুৰক্ষাৰ দাবীত প্ৰস্তাৱ গ্ৰহণ কৰে। সন্মিলনে তিনি ছেপ্টেম্বৰত ছয়গাঁও মাজপাৰাত অনুষ্ঠিত হ'বলগীয়া চিআইটিইউৰ জিলা সন্মিলন আৰু ১৫-১৬ অক্টোবৰত তিনিচুকীয়া জিলাৰ ডুমডুমা চহৰত অনুষ্ঠিত হ'বলগীয়া ইউনিয়নৰ ৰাজ্যিক সন্মিলনলৈ ১০ গৰাকীকৈ প্ৰতিনিধি নিৰ্বাচন কৰে। তদুপৰি লাৱণ্য দাসক সভানেত্ৰী, পৱিত্ৰ পাঠকক সম্পাদক আৰু কনকলতা দাসক কোষাধ্যক্ষ হিচাপে লৈ ২৩ জনীয়া দক্ষিণ কামৰূপ জিলা সমিতিখন গঠন কৰে। সন্মিলনৰ সামৰণি ভাষণ আগবঢ়ায় ৰাজ্যিক সমিতিৰ সহকাৰী সম্পাদিকা ভনিতা পাঠকে। উল্লেখ্য যে প্ৰতি মাহৰ শনিবাৰে দিনত দুই বজাৰ পৰা এই সংগীত বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে সংগীতৰ শিক্ষা গ্ৰহণ কৰিব বুলি জানিবলৈ দিছে সমলয় সংগীত গোষ্ঠীৰ সম্পাদক দীপক বৰুৱাই।

# টংলাত ভিচুৱেল আৰ্ট এণ্ড ক্ৰাফট ছ'চাইটিৰ উদ্যোগত গ্ৰীষ্মকালীন কাৰুকলা-চিত্ৰাংকন কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৮ জুলাইঃ** ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক-মানসিক বিকাশৰ লগতে সুপ্ত প্ৰতিভাবোৰ জগাই তুলিবলৈ গঢ় লোৱা টংলাস্থিত ভিচুৱেল আৰ্ট এণ্ড ক্ৰাফট ছ'চাইটিৰ উদ্যোগত টংলা আদৰ্শ বিদ্যাপীঠৰ তিনিদিনীয়া গ্ৰীষ্মকালীন কাৰুকলা আৰু চিত্ৰকলাৰ কৰ্মশালাৰ কালি সামৰণি পৰে। প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰা কৰ্মশালাত লটাছ ফাইন আৰ্ট এণ্ড ক্ৰাফ্‌ট ছ'চাইটিৰ অধ্যক্ষ তথা চিত্ৰশিল্পী ৰঞ্জুল সূত্ৰধৰ আৰু সহ শিক্ষক চন্দ্ৰীচৰণে ছাত্ৰ-ছাত্ৰীক কেনভাচত তৈল্য চিত্ৰ অংকন কৰা, ৰিবনেৰে ফুল বনোৱা, পেপাৰ কাৰ্টিং, কলাচ আদি বনোৱাৰ প্ৰশিক্ষণ দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ছবি অঁকা প্ৰতিযোগিতাও অনুৰ্ষ্ঠিন কৰে। কালি কৰ্মশালাৰ সামৰণি অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকে সমাজ সেৱক ড° হৰিৰাম দাসে।

# যমুনামুখত অংগনৱাড়ী কৰ্মী নিযুক্তিৰ নামত গোপনে নিযুক্তিৰ যো-জাক লৈ ৰাইজৰ ক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৮ জুলাই ঃ** সমাজ কল্যাণ বিভাগৰ কঠিয়াতলি শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ যমুনামুখ চিকামাৰী গাঁৱৰ ১২০ নম্বৰ চিকামাৰী কালীবাৰী অংগনৱাড়ী কৰ্মী পদটো পূৰণৰ বাবে সংশ্লিষ্ট বিভাগে লোৱা ব্যৱস্থাত অসন্তুষ্টি প্ৰকাশ কৰিছে কেন্দ্ৰটোৰ ৰাইজে। উল্লেখ্য যে অলপতে অংগনৱাড়ী কেন্দ্ৰটোৰ মিণ্টু মালাকাৰ নামৰ কৰ্মীজনে অৱসৰ গ্ৰহণ কৰাত খালী পদৰ বিপৰীতে যোৱা পাঁচ জুলাইত সমাজ কল্যাণ বিভাগে এক বিজ্ঞাপন প্ৰকাশ কৰে। বিভাগে এই পদৰ বাবে আবেদন পত্ৰ জমা দিয়াৰ অন্তিম দিন ১১ জুলাই ধাৰ্য কৰে। প্ৰাৰ্থীৰ যোগ্যতাৰ চৰ্তাৱলী বিসংগতিৰে বিজ্ঞাপন প্ৰকাশ কৰা কঠিয়াতলি শিশু উন্নয়ন প্ৰকল্প বিষয়াই এই বিজ্ঞাপন অতি গোপনে প্ৰকাশ কৰাৰ অভিযোগ উঠিছে। কিয়নো কেন্দ্ৰটোৰ অঞ্চলৰ স্থানীয় ৰাইজ তথা শিক্ষিত যুৱতীসকলে এই বিষয়ে জ্ঞাত নহয়। কেন্দ্ৰটোৰ সহায়িকাগৰাকীক কৰ্মী পদত পদোন্নতি দিয়াৰ বাবে কঠিয়াতলি শিশু উন্নয়ন প্ৰকল্প বিষয়াই উঠি-পৰি লগাৰো অভিযোগ উঠিছে। এই সন্দৰ্ভত যোৱা ১৪ জুলাইত যমুনামুখ চিকামাৰি গাঁৱত এক ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত ১২০ নম্বৰ চিকামাৰি কালীবাৰী অংগনৱাড়ী কৰ্মী পদটোত কেন্দ্ৰৰ জৰীপ অঞ্চলৰ শিক্ষিত প্ৰাৰ্থীক নিযুক্তি দিয়াৰ লগতে কেন্দ্ৰটোত কৰ্মৰত সহায়িকা মাধুৰী বৰুৱাক একে পদতে বাহাল ৰখাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰি বিভাগীয় কৰ্তৃপক্ষলৈ ইয়াৰ প্ৰতিলিপি প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি সহায়িকা মাধুৰী বৰুৱা কেন্দ্ৰটোৰ বাসিন্দা নহয় বুলি ৰাইজে অভিযোগ কৰিছে। সেয়েহে ১২০ নম্বৰ চিকামাৰী কালীবাৰী অংগনৱাড়ী কৰ্মী পদটোৰ বাবে পুনৰ বিজ্ঞাপন প্ৰকাশ কৰি কেন্দ্ৰটোৰ জৰীপ অঞ্চলৰ স্থানীয় প্ৰাৰ্থীক নিযুক্তিৰ বাবে সংশ্লিষ্ট বিভাগক ৰাইজে দাবী জনাইছে।



কমলাবাৰীত অনুষ্ঠিত গীতৰ কৰ্মশালা।

# মূল্যবোধৰ শিক্ষাইহে ভাল মানুহ হিচাপে গঢ় দিব পাৰে

## ■ ভৱানীপুৰত যুৱ-ছাত্ৰ পৰিষদৰ অভিনন্দন অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ১৮ জুলাই ঃ** 'সম্প্ৰতি যি কেৰিয়াৰ শিক্ষা ব্যৱস্থা চলি আছে, এই শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক উচ্চ পদস্থ বিষয়াৰহে জন্ম দিব পাৰে কিন্তু সমাজত এগৰাকী ভাল মানুহ হিচাপে পৰিচয় দিব নোৱাৰে। মূল্যবোধৰ শিক্ষা ব্যৱস্থাইহে ছাত্ৰ-ছাত্ৰীক সমাজত ভাল মানুহ হিচাপে গঢ় দিব পাৰে।' যোৱা ১৭ জুলাইত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক বিজন বায়নে ভৱানীপুৰত যুৱ-ছাত্ৰ পৰিষদৰ 'অভিনন্দন অনুষ্ঠান'ৰ আদৰণি ভাষণত কয়।



সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ভৱানীপুৰ আৰু সৰুপেটাৰ পৰীক্ষা কেন্দ্ৰৰ পৰা ডিষ্টিংছনপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে ভৱানীপুৰত কালি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ভৱানীপুৰ আৰু সৰুপেটা আঞ্চলিক সমিতিয়ে এক 'অভিনন্দন অনুষ্ঠান'ৰ আয়োজন কৰিছে। ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত দিনজোৱা কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত কালিৰ 'অভিনন্দন অনুষ্ঠান'ৰ কাৰ্যসূচী মৰ্মে পুৱা ন বজাত সংগঠনটোৰ পতাকা উত্তোলন কৰে যুৱ-ছাত্ৰ পৰিষদৰ ভৱানীপুৰ আঞ্চলিক সমিতিৰ সভাপতি জিণ্টু ডেকাই, পুৱা ৯-৩০ বজাত ছহিদ তৰ্পণ কৰে যুৱ-ছাত্ৰ পৰিষদৰ ভৱানীপুৰ আৰু সৰুপেটা আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ক্ৰমে নয়ন কলিতা আৰু অভিজিৎ তালুকদাৰে। পুৱা ৯-৪৫ বজাত গছপুলি ৰোপণ কৰে ভৱানীপুৰ স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ তাৰিফ হুছেইনে। ইয়াৰ পাছতে পুৱা ১০ বজাত 'অভিনন্দন অনুষ্ঠান' মুকলি কৰা হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দিগ্বিজয় ডেকা আৰু বজালী জিলা সমিতিৰ প্ৰচাৰ সম্পাদক সঞ্জীৱ সাগৰ দাসে পৰিচালনা কৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নিপল ডেকাই। আদৰণি ভাষণ ৰাখে যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক বিজয় বায়নে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে বিএইছবি মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মৃণাল দত্ত আৰু ভৱানীপুৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰণ্টু কুমাৰ দাস, অমন্ত্ৰিত অতিথিৰূপে ভৱানীপুৰ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি চণ্ডীপ্ৰসাদ দাস, অৱসৰপ্ৰাপ্ত শিক্ষক বাবুল ডেকা, যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক মণ্টু কুমাৰ শৰ্মা, বজালী জিলা সমিতিৰ সভাপতি বাবুল আলী আহমেদ, সাধাৰণ সম্পাদক লক্ষেশ্বৰ দাস, কাৰ্যনিৰ্বাহক সদস্য সঞ্জিৎ ডেকা, বৱানীপুৰ আঞ্চলিক সমিতিৰ উপদেষ্টা ৰাজীৱ বায়ন উপস্থিত থাকে। উল্লেখ্য যে কালিৰ এই অভিনন্দন অনুষ্ঠানত ভৱানীপুৰ সৰুপেটা পৰীক্ষা কেন্দ্ৰৰ প্ৰায় ৫১ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক গামোচা, অভিনন্দন পত্ৰ আৰু কলমেৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# হাজোৰ বাগটাত ১২০ টা পৰিয়ালৰ মাজত বান সাহায্য নিপকোৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৮ জুলাইঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বান অধ্যুষিত বাগটা গাঁৱৰ অতি গৰীব আৰু বিশেষ সক্ষম পৰিয়ালসহ ১২০ টা পৰিয়ালৰ মাজত যোৱা ১৭ জুলাই নিপকোৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কল্যাণ সন্থাই বান সাহায্য বিতৰণ কৰে। এই উদ্দেশ্যে বাগটা শ্ৰীশ্ৰীজগদ্ধাত্ৰী পূজা মণ্ডপত এখন সভা অনুষ্ঠিত হয়। বাগটা গাঁও উন্নয়ন সমিতিৰ সভাপতি অতুল চন্দ্ৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত নিপকোৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কল্যাণ সন্থাৰ সভাপতি মুকুন্দ ডেকাই কয় যে এইবেলি সমগ্ৰ ৰাজ্যতে বানপানীয়ে ৰাইজক ক্ষতিগ্ৰস্ত কৰিছে। বহুলোকৰ ঘৰ-দুৱাৰ জহি-খহি গৈছে। সেয়ে নিপকোৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কল্যাণ সন্থাই আলোচনাৰ ভিত্তিত এই দুখীয়া দৰিদ্ৰ লোকসকলক যৎকিঞ্চিত সহায় সহযোগ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। কৰ্মচাৰী কল্যাণ সন্থাৰ সম্পাদক অৰবিন্দ গগৈয়ে কয় এই বাগটা গাঁৱৰ অতি দুখীয়া দৰিদ্ৰ তথা বিশেষভাৱে সক্ষম লোকৰ পৰিয়ালে কিছু হ'লেও সকাহ পাব বুলি প্ৰকাশ কৰে। কালিৰ এই বান সাহায্য অনুষ্ঠানত নিপকোৰ অৱসৰপ্ৰাপ্ত কল্যাণ সন্থাৰ সঞ্জীৱ বৰুৱা, পি এছ বৰঠাকুৰ, বসন্ত ডেকা শশী বৰুৱা, ছহিদ সত্যনাথ গাঁও পঞ্চায়তৰ সভানেত্ৰী মাধবী মালাকাৰ, বয়োজ্যেষ্ঠ মহিলা কবিতা ডেকা প্ৰমুখ্যে গাঁৱৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত সন্থাই বাগটা গাঁৱৰ ১২০ টা পৰিয়ালক চাউল, দাইল, আলু, মিঠাতেল, আমূল তাজা, চাবোন, মমবাতি আৰু কাপোৰ বিতৰণ কৰে।

# পশ্চিম বড়িগোগৰ বিভিন্ন ঠাইত শংকৰদেৱ সংঘৰ বিনামূলীয়া চিকিৎসা শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৮ জুলাই ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰঙিয়া জিলা শাখাৰ অন্তৰ্গত বাসুদেৱ আঞ্চলিক শাখাৰ উদ্যোগত বিশিষ্ট ব্যক্তি তথা অভিজ্ঞ চিকিৎসকৰ সহযোগত বানপীড়িত হাজো সমিষ্টিৰ পশ্চিম বড়িগোগ মৌজাৰ তিনিটা ঠাইত ৰাইজ সেৱাৰ মনোভাবেৰে বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰি সকলো পৰ্যায়ৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। ইতিমধ্যে মৌজাখনৰ অন্তৰ্গত সৌৰামূৰী হাইস্কুলত তিনি জুলাইত হৈ যোৱা প্ৰথমটো বিনামূলীয়া চিকিৎসা শিবিৰ আৰু ন জুলাইত ১৯৪ নম্বৰ চাপোন প্ৰাথমিক বিদ্যালয়ত হৈ যোৱা দ্বিতীয়টো বিনামূলীয়া চিকিৎসা শিবিৰত সকলো পৰ্যায়ৰ ৰাইজে ব্যাপক সঁহাৰি জনাইছে। কালি পুনৰ মৌজাখনৰ অন্তৰ্গত পূৰ্ণখুমদুম প্ৰাথমিক বিদ্যালয়ত এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। শিবিৰটো উদ্বোধন কৰে সাংবাদিক নৰেন শৰ্মাই। সংঘৰ বিষয়ববীয়া ভৰেশ চন্দ্ৰ বৈশ্যই আঁত ধৰা শিবিৰত দুই শতাধিক ৰোগীয়ে চিকিৎসা লাভ কৰে।

# ইস্কন আৰু ক'ল ইণ্ডিয়াৰ বান সাহায্য ছিপাঝাৰত

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১৮ জুলাই ঃ** ইস্কন গুৱাহাটীৰ উদ্যোগত ক'ল ইণ্ডিয়াৰ সহযোগত আৰু বিশিষ্ট সমাজসেৱক ৰাণা বশিষ্ঠৰ বিশেষ তৎপৰতাত বানপীড়িত ৰাইজৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৰা হয়। উল্লেখ্য যে যোৱা মাহত হোৱা প্ৰলয়ংকৰী বানত অসমৰ লগতে দৰং জিলাৰ ছিপাঝাৰ অঞ্চল ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হয়। ইস্কন গুৱাহাটীৰ সভাপতি শ্ৰীজীৱ দাস, ইস্কন বাংগালুৰুৰ মহাপ্ৰভু চৈতন্য দাস আৰু ক'ল ইণ্ডিয়াৰ ডেপুটী মেনেজাৰ শান্তনু হাজৰিকাৰ উপস্থিতিত দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত গণেশকুঁৱৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত ক্ৰমে কলিতাপাৰা, গাখীৰখোৱা, ৰামদেলী পাৰা (খলিহৈ গাঁও), বড়ো চুবা, চমুৱাপাৰা, খলিহৈ পথাৰ, কুঁৱৰী গাঁও আৰু বাজনাপথাৰ পঞ্চায়তৰ অন্তৰ্গত বমন পথাৰৰ একাংশ, গন্ধিয়া পথাৰৰ একাংশ, একচেলীয়া গাঁৱকে ধৰি প্ৰায় ৭৫০ ঘৰ পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। প্ৰতিটো পৰিয়ালৰ বাবে চাউল পাঁচ কেজি দাইল এক কেজি, মিঠাতেল আধা লিটাৰ, আলু পাঁচ কেজি, খোৱাপানী পাঁচ লিটাৰ, নিমখ এক কেজি, পাঁচ ফোৰণ, চাবোন আদি সামগ্ৰী বিতৰণ কৰা হয়।

# কমাৰগাঁৱত চুতীয়া জনগোষ্ঠীৰ চুতীয়া ভাষা-সংস্কৃতি আৰু ইতিহাসৰ কৰ্মশালা

**খুমটাই, ১৮ জুলাইঃ** গোলাঘাট জিলাৰ কমাৰগাঁৱৰ কমাৰগাঁও আঞ্চলিক সাংবাদিক সংস্থাৰ প্ৰেক্ষাগৃহত কালিৰে পৰা বোকাখাত মহকুমা ভিত্তিত চুতীয়া জনগোষ্ঠীসকলৰ চুতীয়া ভাষা, সংস্কৃতি আৰু ইতিহাসৰ কৰ্মশালা অনুষ্ঠিত হয়। বোকাখাত মহকুমাৰ চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক লাচিত কাকতিয়ে আঁত ধৰা অনুষ্ঠানত চুতীয়া ৰাণী সাধনীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। বোকাখাত জিলা চুতীয়া জাতি সন্মিলনৰ সভাপতি প্ৰতাপ চন্দ্ৰ বৰাই। ইয়াৰ পাছতেই চুতীয়া জনগোষ্ঠীৰ ভাষা, সংস্কৃতি আৰু ইতিহাসৰ ওপৰত ব্যাখ্যা আগবঢ়ায় সদৌ অসম দেউৰী চুতীয়া সাহিত্য সভাৰ সভাপতি প্ৰতাপ চন্দ্ৰ নেওগে আৰু দেউৰী চুতীয়া সাহিত্য সভাৰ সম্পাদক যতীন শইকীয়াই। দুকুৰি ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰশিক্ষণ কৰ্মশালাত গোলক বৰবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহেন শইকীয়া, সাংবাদিক চন্দন বৰা, কমাৰগাঁও আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি পংকল কাকতি আদি কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# 'গ্ৰীণভেলী ফৰেষ্ট এণ্ড ৱাইল্ডলাইভ প্ৰটেকছন' ছ'চাইটিৰ উদ্যোগত গছপুলি ৰোপণ



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৮ জুলাই ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত হাতী-মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। বনাঞ্চলত অন্যান্য জীৱ-জন্তুৰ লগতে বিশেষকৈ বনৰীয়া হাতীৰ খাদ্যৰ সংকটৰ লগতে বিচৰণস্থলীৰ তীব্ৰ নাটনিৰ ফলত বনাঞ্চলৰ পৰা জনাঞ্চলত শ শ হাতীৰ প্ৰৱেশ ঘটিছে। বিশেষকৈ বনৰীয়া হাতীৰ সন্ত্ৰাসৰ পৰা ৰক্ষা পাবলৈ বনৰীয়া হাতীৰ জাকসমূহে যাতে বনাঞ্চলতে পৰ্যাপ্ত খাদ্য আৰু বিতৰণ স্থলীৰ সুবিধা লাভ কৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ওদালগুৰি জিলাৰ অন্যতম প্ৰকৃতিপ্ৰেমী সংস্থা গ্ৰীণভেলী ফৰেষ্ট এণ্ড ৱাইল্ডলাইভ প্ৰটেক্সন ছ'চাইটিয়ে বনাঞ্চলত হাতীৰ বাবে উত্তম খাদ্য তৰা গছ আৰু বিভিন্ন প্ৰজাতিৰ ফল-মূলৰ পুলি ৰোপণৰ ব্যৱস্থা কৰিছে। প্ৰকৃতিপ্ৰেমী সংস্থাটোৱে বনাঞ্চল তথা বন্যপ্ৰাণী সংৰক্ষণৰ বাবে কালি ওদালগুৰি জিলাৰ অন্তৰ্গত চেগুনবাৰী এছএছবি কেম্পৰ নিলগৱৰ্তী অৰণ্যত তৰাবন আৰু অন্যান্য প্ৰজাতিৰ ফল-মূলৰ পুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰে। গ্ৰীণভেলী ফৰেষ্ট এণ্ড ৱাইল্ডলাইভ প্ৰটেক্সন ছ'চাইটিয়ে ধনশিৰি বন সংমণ্ডল অধীনষ্ঠ খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চলক ইতিমধ্যে প্ৰথম পৰ্যায়ত ১০ হেজাৰ তৰা গছৰ পুলি ৰোৱাৰ বিপৰীতে কালি খালিংদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত চেগুনবাৰী অঞ্চলত পাঁচহেজাৰ তৰা গছ আৰু প্ৰায় পাঁচশ বিভিন্ন ফল-মূল গছৰ পুলি ৰোপণ কৰে। গছপুলি ৰোপণ কাৰ্যসূচীত বিঅ'পি কামাণ্ডাৰ গণেশ ৰাৱাত, সহকাৰী বিঅ'পি কমাণ্ডাৰ জোনাহ চন্দ্ৰ শইকীয়া, খণ্ড বনাঞ্চলিক বিষয়া ললিত বড়ো, বন কৰ্মচাৰী আৰু চেগুনবাৰী ৰাইজে অংশগ্ৰহণ কৰে। গ্ৰীণভেলী ফৰেষ্ট এণ্ড ৱাইল্ডলাইভ প্ৰটেক্সন ছ'চাইটিৰ বিষয়ববীয়া জয়ন্ত ভেৰা নাৰ্জাৰী আৰু মিঠু সৰকাৰে সদৰী কৰা মতে, গছপুলি ৰোপণ কাৰ্যসূচীটো স্থানীয় বহুতো প্ৰকৃতিপ্ৰেমী লোকৰ সহায় আৰু সহযোগিতা সম্ভৱপৰ হৈছে। আনফালে, গ্ৰীণভেলী ফৰেষ্ট এণ্ড ৱাইল্ডলাইভ প্ৰটেক্সন ছ'চাইটিয়ে সমূহ ৰাইজক অৰণ্য আৰু বন্যপ্ৰাণী সংৰক্ষিত কৰিবলৈ প্ৰচেষ্টা হাতত ল'বলৈ অনুৰোধ জনায়।

# পূব নলবাৰীত চিন্তন বৈঠক



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৮ জুলাই ঃ** পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত কালি পুৱা বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনৰ পৌৰোহিত্যত চিন্তন বৈঠক এখন অনুষ্ঠিত হয়। বিদ্যালয়খনৰ অধ্যক্ষ হেমন্ত কুমাৰ শৰ্মাৰ আহ্বান মৰ্মে অনুষ্ঠিত সভাত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ নৰেন শৰ্মাৰ লগতে বিশিষ্ট ক্ৰীড়া সংগঠক দীপক কুমাৰ দাসে শৈক্ষিক উত্তৰণৰ বাবে দিহা-পৰামৰ্শ আগবঢ়ায়। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ শ্ৰেণী আৰম্ভ হোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যতৰ বাবে কেতবোৰ নতুন আৰু বিজ্ঞানসন্মত পদক্ষেপ লোৱা হ'ব বুলি বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি সুভাষ বৰ্মনে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ আগ্ৰহত নলবাৰী নাট্য মন্দিৰত অলপতে হৈ যোৱা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, উপ-সভাপতি আৰু সদস্য-সচিবৰ বৈঠকত দিয়া নিৰ্দেশাৱলী এই চিন্তন বৈঠকত বিশেষভাৱে আলোচিত হয়। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক ফণীধৰ ৰাজবংশী, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য উৎপল কুমাৰ শৰ্মা, স্মিতম কুমাৰ দত্তৱে প্ৰাসংগিক বক্তব্য উপস্থাপন কৰে। মেণ্টৰ শিক্ষকৰ প্ৰয়োগ, অভিভাৱকৰে সম্পৰ্ক স্থাপন, সময়ে সময়ে বিদ্যায়তনিক আৰু সহ-বিদ্যায়তনিক দিশত কৰ্মশালাৰ আয়োজন আদি দিশেও চিন্তন বৈঠকত প্ৰাধান্য লাভ কৰে।

## ■ আজাদী কা অমৃত মহোৎসৱ ■ ৰাষ্ট্ৰীয় পথৰ কাষত বৃক্ষৰোপণ কাৰ্যসূচী

# অসমত একলাখ গছপুলি ৰোপণৰ লক্ষ্য

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৮ জুলাই ঃ** ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে ৰাষ্ট্ৰজুৰি ২০২২তো আজাদী কা অমৃত মহোৎসৱ হিচাপে উদ্‌যাপন কৰিছে। এই উপলক্ষে ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে সমগ্ৰ দেশজুৰি কালি এশটা স্থানত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিব। পথ উন্নয়ন আৰু সেউজ ঘাইপথৰ জৰিয়তে এখন পৰিস্কাৰ, সেউজ আৰু প্ৰদূষণমুক্ত ভাৰত গঢ়াৰ দিশত ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ এয়া এক বিশেষ প্ৰচেষ্টা বুলি অভিহিত কৰিছে। উল্লেখ্য যে কালি পুৱা আঠ বজাত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ৰ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে নাগপুৰত এই কাৰ্যসূচীৰ আৰম্ভ কৰে। এই বৃক্ষৰোপণ কাৰ্যসূচীত সমগ্ৰ দেশৰ বিভিন্ন প্ৰান্তত দেশৰ স্বাধীনতাৰ ৭৫ বৰ্ষ উপলক্ষে সৰ্বমুঠ ৭৫ লাখ গছপুলি ৰোপণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। আনহাতে, অসমতো একলাখ গছপুলি ৰোপণৰ দিহা কৰিছে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, ক্ষেত্ৰীয় কাৰ্যালয় গুৱাহাটীৰ সৌজন্যত নলবাৰী আৰু কামৰূপ জিলাৰ নোনা নৈৰ পাৰৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ উপৰি নলবাৰী জিলাৰ বানেকুছি আৰু



মৰিগাঁও জিলাৰ ধৰমতুল বিলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত বৃক্ষৰোপণ কৰিব। এই উপলক্ষে পুৱা নোনা নৈৰ পাৰৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত এখন উদ্বোধনী সভা অনুষ্ঠিত হয়। যুৱ উদ্যান শস্য বিশেষজ্ঞ বৰ্ষালী বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত আৰ অ' সঞ্জীৱ কুমাৰ শৰ্মা, বন বিষয়া বিকাশ ব্ৰহ্ম, ডিজি এম এছ আৰ ভট্টাচাৰ্য, পিডি সুৰেশ কুমাৰ, পিডি প্ৰদ্যুৎ দাস, অৱসৰপ্ৰাপ্ত বন বিষয়া ৰিতেশ ভট্টাচাৰ্য, সামাজিক বনানীকৰণৰ ডিএফঅ' মুকুট দাস, কল্যাণ দত্ত, সমাজকৰ্মী ভ্ৰমৰ মজুমদাৰ, সাংবাদিক বীৰেন কলিতাই গছপুলি ৰোপণৰ উপকাৰিতাৰ ওপৰত বক্তব্য ৰাখি ভাষণ দিয়ে। অনুষ্ঠানটোৰ সামগ্ৰিক পৰিচালনা কৰে নিৰেন মল্ল বৰুৱাই। সভাৰ শেষত বন বিষয়া তথা সমাজকৰ্মীসকলে সোণাৰু, এজাৰ, বকুল, কৃষ্ণচূড়া আদি গছ ৰোপণ কৰে। এই বৃক্ষৰোপণ কাৰ্যসূচীৰ প্ৰধান অংশীদাৰ হৈছে অসম বন বিভাগ, অসম ভূমিসংৰক্ষণ বিভাগ, অসম বাগিচা শস্য উন্নয়ন নিগম, বেচৰকাৰী প্ৰতিষ্ঠান আৰু ব্যক্তিগত খণ্ডৰ সংস্থাসমূহ।

# বাহাৰঘাটৰ বানে বিধ্বস্ত কৰা কালভাৰ্টৰ ঠাইত আছুৰ বিক্ষোভ

## ■পুনৰ কালভাৰ্ট নহয় দলং দিয়াৰ দাবীত সৰৱ



অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ১৮ জুলাই ঃ** নলবাৰী আৰু কামৰূপ জিলাৰ সীমান্তৱৰ্তী পূৰ্ণদৈচপৰাত বানে বিধ্বস্ত কৰা কালভাৰ্টৰ ঠাইত কালি নলবাৰী জিলাৰ বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাই বিক্ষোভ কাৰ্যসূচীৰে পৰিৱেশ উত্তাল কৰি তোলে। আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আকাশ বৰুৱা আৰু ভাৰপ্ৰাপ্ত সম্পাদক মইনুল হকৰ লগতে বিতোপন শৰ্মাৰ নেতৃত্বত প্ৰায় ৫০ গৰাকীতকৈ অধিক আছু কৰ্মী সমবেত হৈ বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগক ধিক্কাৰ দিয়ে। আছু কৰ্মীসকলে উক্ত ভগ্ন কালভাৰ্টৰ ঠাইত পুনৰ কালভাৰ্ট স্থাপনৰ বিৰোধিতা কৰি কয় যে ইয়াত কালভাৰ্টৰ সলনি দলঙৰ ব্যৱস্থা কৰিব লাগিব। যদিহে বিভাগে তাকে নকৰি পুনৰ কালভাৰ্টৰ ব্যৱস্থা কৰে তেতিয়াহ'লে আছুৱে তীব্ৰ বিৰোধিতা কৰিব। উল্লেখ্য যে এইবেলি জুনত বৰলীয়া নৈৰ মথাউৰি ছিঙাৰ ফলত বৰলীয়া নৈৰ পূব অংশ প্ৰবল পানীয়ে ডুবাই পেলাইছিল। পানীৰ তীব্ৰ সোঁতে ছিঙি পেলাইছিল কে'বাটাও পথ। ইয়াৰ ভিতৰত অতিপাত গুৰুত্বপূৰ্ণ মৰোৱা কমলপুৰ পথটো কে'বা ঠাইতো খহনীয়াৰ সৃষ্টি কৰাৰ উপৰি উক্ত কালভাৰ্টটো সম্পূৰ্ণৰূপে উটুৱাই নিছিল। বানপানীৰ সময়ত উক্ত বিধ্বস্ত অংশ মঙলদৈৰ সাংসদ দিলীপ শইকীয়াৰ লগতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, নন্দিতা গৰ্লোছা, সঞ্জয় কিষাণ আদিয়ে প্ৰত্যক্ষ কৰাৰ সময়ত বানবিধ্বস্ত ৰাইজে উক্ত ঠাইত পুনৰ কালভাৰ্টৰ ব্যৱস্থা নকৰি এখন দলঙৰ ব্যৱস্থা কৰাৰ দাবী তুলিছিল। আজি আছু নেতৃত্বয়ো তাৰে দাবী তুলি কয় যে আমি ৰাইজৰ পক্ষত সদায় থাকিম। সেয়েহে ৰাইজৰ দাবীক সন্মান জনাবলৈ লোক নিৰ্মাণ বিভাগ তথা জনপ্ৰতিনিধিৰ ওচৰত দাবী জনাইছে।

# বিজেপিৰ আমগুৰি গ্ৰাম্য মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন ঃ সামগ্ৰী বিতৰণ



বিশেষ সংবাদদাতা
**শিৱসাগৰ, ১৮ জুলাই ঃ** শিৱসাগৰ বিজেপিৰ আমগুৰি গ্ৰাম্য মণ্ডলৰ দ্বিতীয়খন কাৰ্যনিৰ্বাহক সভা কালি অনুষ্ঠিত হয়। লালিমছিগা ৰাজহুৱা প্ৰেক্ষাগৃহত মণ্ডল সভাপতি দীপক গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিজেপিৰ জিলা সভাপতি ময়ূৰ বৰগোহাঁই, অ'বিচি মৰ্চাৰ জিলা সভাপতি হৰিপ্ৰসন্ন হাজৰিকা প্ৰভাৰী পংকজ গগৈ, সহকাৰী প্ৰভাৰী ৰুবুল চেতিয়া, উপ-সভাপতি ধ্ৰুৱ চাংমাই, বীৰেন গোৱালাই কাৰ্যকৰ্তাসকলক মাৰ্গদৰ্শন দিয়ে। সভাত দেশৰ প্ৰধানমন্ত্ৰীৰ জনপ্ৰিয় অনুষ্ঠান তথা দলৰ অন্যতম কাৰ্যক্ৰম 'মন কী বাত' অনুষ্ঠানত মণ্ডলৰ অন্তৰ্গত ৭৬টা বুথত অনুষ্ঠিত কৰিব পৰাকৈ অ'বিচিৰ মৰ্চা জিলা সভাপতি হাজৰিকাই জিলা সভাপতি ময়ূৰ বৰগোহাঁইৰ উপস্থিতিত প্ৰত্যেকগৰাকী বুথৰ সভাপতিক একোটাকৈ ৰেডিঅ' প্ৰদান কৰে। সভাৰ শেষত অ'বিচি মৰ্চাৰ জিলা সভাপতি হাজৰিকাই বৰাহীবাৰী গাঁও পঞ্চায়তৰ এক নম্বৰ ৱাৰ্ডৰ ১৩ পৃষ্ঠাত চাওক

# নটৰাজ কলা মন্দিৰৰ ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ১৮ জুলাই ঃ** যোৰহাটৰ অন্যতম সংগীত বিদ্যালয় নটৰাজ কলা মন্দিৰে কালি টাউন ষ্টেছন পুৰণি গোডাউন ৰোডত অৱস্থিত প্ৰণবানন্দ বিদ্যামন্দিৰ প্ৰেক্ষাগৃহত ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হয়। অনুষ্ঠান আৰম্ভ এগছি বন্তি প্ৰজ্বলনেৰে কৰা হয়। বন্তি প্ৰজ্বলন কৰে প্ৰণবানন্দ বিদ্যালয়ৰ অধ্যক্ষ ড° শিবানি সৰকাৰে। ইয়াৰ পাছত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন নৃত্য তথা গীতৰ অনুষ্ঠান পৰিবেশন কৰে। অনুষ্ঠানত শিল্পা শৰ্মাৰ কথক, সংগীতা দাস, গৌৰঙি শৰ্মা, আৰাধ্য বৰুৱা, মৃদুপৰ্ণ বৰঠাকুৰ, সংস্কৃতা শৰ্মা, অন্যান্য বৰুৱা আৰু পিংকি গুপ্তাসহ কে'বাজনো শিল্পীয়ে নৃত্যৰে অনুষ্ঠান পৰিবেশন কৰাৰ লগত অৰিত্ৰ হেজাৰৰ ধ্ৰুপদী সংগীত আৰু চম্পা সৰকাৰৰ পৰিচালনাত সমবেত সংগীতে উপস্থিত দৰ্শক শ্ৰোতাক আপ্লুত কৰে। সম্পূৰ্ণ অনুষ্ঠানৰ আঁত ধৰে আল্পনা শৰ্মাই। কলামন্দিৰৰ অধ্যক্ষ ইন্দ্ৰজিৎ কৰ্মকাৰৰ পৰিচালনাত সম্পূৰ্ণ অনুষ্ঠানটোৱে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে।

# ইণ্ডিয়ান ৰেডক্ৰছ ছ'চাইটিৰ ভূৰাগাঁৱত বান বিধ্বস্তক অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ



অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ১৮ জুলাইঃ** বছৰৰ দ্বিতীয়টো প্ৰলয়ংকৰী বানে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ লগতে মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত সংহাৰী ৰূপ ধাৰণ কৰাৰ পাছত বানাক্ৰান্ত লোকসকলৰ মাজত বাৰুকৈয়ে অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱত দিন অতিবাহিত কৰিব লগা হৈছে। তেনে সময়তে যোৱা ১৬ জুলাইত জিলাখনৰ ভূৰাগাঁৱৰ সোণডুবা মধ্য ইংৰাজী বিদ্যালয়ত ইণ্ডিয়ান ৰেডক্ৰছ ছ'চাইটিৰ গুৱাহাটী জিলা শাখা উদ্যোগত আৰু ভূৰাগাঁও উপ-জিলা শাখাৰ সহযোগত বিষয়ববীয়াসকল উপস্থিত হৈ বানাক্ৰান্ত ৰাইজৰ মাজত অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে। ভূৰাগাঁও অঞ্চলত প্ৰলয়ংকৰী বানত বিধ্বস্ত হোৱা প্ৰায় ৩০০ টা পৰিয়ালত গুৱাহাটী জিলা শাখাই একোটা পৰিয়ালক টাৰ্পলিন, আঁঠুৱা, হাইজিন সামগ্ৰী, কিটচেন সামগ্ৰীৰ লগতে গা-ধোৱা চাবোন আৰু মাস্ক আদি বিতৰণ কৰে। ভূৰাগাঁও উপ-জিলা শাখাৰ উপ-সভাপতি টুটুল বৰঠাকুৰে আঁত ধৰা বান বিধ্বস্ত অঞ্চলৰ পৰিয়ালসমূহক সাহায্য প্ৰদান কাৰ্যসূচীত গুৱাহাটী জিলা শাখাৰ সহকাৰী প্ৰৱন্ধক ক্ৰমে লৱ শৰ্মা, শচীন চক্ৰৱৰ্তী, বিত্ত প্ৰৱন্ধক সাধন চক্ৰৱৰ্তী, সদস্য মৃদুল শৰ্মা, ৰাজ শৰ্মাৰ লগতে ভূৰাগাঁও উপ-জিলা শাখাৰ মাধৱ সিংহ, ৰংধৰ বণিয়া, হৰেন বৰা, তপন সেন, শুক্লেশ্বৰ ডেকা, পূৰ্ণ ডেকা, মৃণাল সৰকাৰৰ উপৰি প্ৰায় ২০ গৰাকী স্বেচ্ছাসেৱক উপস্থিত থাকে।

# ২২ জুলাইত দৰঙী কলাকৃষ্টিৰ দৰঙী শিৰোমণি বঁটা প্ৰদান অনুষ্ঠান

বিশেষ সংবাদদাতা
**মঙলদৈ, ১৮ জুলাই ঃ** দৰঙীয়াৰ আপুৰুগীয়া সম্পদ দৰঙী লোক কৃষ্টিৰে সংপৃক্ত নিভাঁজ লোকশিল্পীসকলক উৎসাহিত কৰি আগুৱাই নিয়াৰ লক্ষ্যৰে ৰাজহুৱাভাৱে প্ৰদান কৰিবলৈ লোৱা 'দৰঙী শিৰোমণি বঁটা' অহা ২২ জুলাইত লোক কৃষ্টি প্ৰদৰ্শনৰ মাজেৰে প্ৰদান কৰা হ'ব। সেইদিনা দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ ভৱনত দিনৰ ১০-৩০ বজাত দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক, অৱসৰপ্ৰাপ্ত অধ্যক্ষ নীলকান্ত চহৰীয়াই বন্তি প্ৰজ্বলন, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই ভোটা প্ৰজ্বলন আৰু ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে উদ্বোধন কৰিব লোককৃষ্টি প্ৰদৰ্শন। জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই সংঘৰ মুখপত্ৰ 'দৰঙী' উন্মোচন আৰু সাংসদ দিলীপ কুমাৰ শইকীয়াই প্ৰদান কৰিব 'দৰঙী শিৰোমণি বঁটা-২২'। সুকনান্নি ওজাপালি, ব্যাসৰ ওজাপালি, দেওধনী নৃত্য, মালচী গীত, লিগিৰী ওজা, চিয়াগীত, খুলীয়া ভাউৰীয়াৰ সূত্ৰধাৰী নৃত্য, মহৌখুন্দা, ১৩ পৃষ্ঠাত চাওক

# তৰাজান সন্মিলনত জিনামণি বৰা-ডাঃ তুলতুল বৰাৰ দুখন গ্ৰন্থ উন্মোচন



ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ১৮ জুলাই ঃ** তৰাজান সন্মিলনৰ প্ৰেক্ষাগৃহত নাট্যকৰ্মী তথা তৰাজান মহিলা চ'ৰাৰ প্ৰতিষ্ঠাপক সম্পাদিকা জিনামণি বৰাৰ 'আত্মজ' নামৰ এখন গল্প সংকলন কালি উন্মোচন কৰা হয়। ১০টা ভিন্ন ধৰ্মী গল্পৰ এই সংকলনখন উন্মোচন কৰে ৰামায়ণী আৰু মহাভাৰতীয় সাহিত্যৰ গৱেষক তথা বিশিষ্ট সাহিত্যিক ড° মালিনীয়ে। গল্প সংকলনখন উন্মোচন কৰি তেওঁ কয় যে বাস্তৱ ঘটনাৰ ওপৰত ভিত্তি কৰি লিখি উলিওৱা গল্পৰ বিষয়বস্তুৱে পাঠকক আকৰ্ষিত কৰিব। তেওঁৰ গল্পত নাটকীয়তাও প্ৰত্যক্ষ কৰা যায়। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰি বিশিষ্ট নাট্যকাৰ, অভিনেতা অখিল চক্ৰৱৰ্তীয়ে কয় যে অপসংস্কৃতি, দুষ্কৃতি বিনাশৰ বাবে নাৰী শক্তিস্বৰূপা দুৰ্গাৰ আবিৰ্ভাৱ হৈছিল' বৰ্তমান সময়ত নাৰী সমাজেও সকলো ক্ষেত্ৰতে মুখ্য ভূমিকা পালন কৰিব পাৰে। সাহিত্যৰ ক্ষেত্ৰখনত নাৰী এতিয়া বহুত আগবাঢ়ি আছে। গ্ৰন্থ উন্মোচনী সভাৰ বিশিষ্ট অতিথি বিশিষ্ট সাহিত্যিক ড° বসন্ত গোস্বামীয়ে কয় যে লক্ষ্মীনাথ বেজবৰুৱাৰ দিনৰ পৰা বৰ্তমানলৈকে গল্পৰ শৈলী বহু পৰিৱৰ্তন হৈছে। তেওঁ কয় যে গল্প হৈছে এটা দিনৰ চাৰিভাগৰ এভাগ। কম শব্দৰে এটা চিন্তাক বাস্তৱ ৰূপ দিয়াটোৱেই গল্প। বৰ্তমান সময়ত গল্পৰ ধাৰা সলনি হৈছে। আজিৰ গল্প লিখকে এই ধাৰাসমূহ অনুধাৱন আৰু অধ্যয়ন কৰা ভাল। সাংবাদিক বাবুল কুমাৰ বৰুৱা আৰু মঞ্জুলা বৰদলৈয়ে ১৩ পৃষ্ঠাত চাওক

# কমাৰগাঁৱত সমলয় সংগীত গোষ্ঠীৰ উদ্যোগত অনুষ্ঠিত সংগীত কৰ্মশালাৰ সামৰণি



**খুমটাই, ১৮ জুলাই ঃ** গোলাঘাট জিলাৰ কমাৰগাঁৱত সমলয় সংগীত গোষ্ঠী আৰু কমাৰগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ যৌথ উদ্যোগত অনুষ্ঠিত ন-পুৰণি অসমীয়া গীতৰ সাতদিনীয়া কৰ্মশালাৰ কালি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে সামৰণি পৰে। সামৰণি অনুষ্ঠানত কমাৰগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মালৱিকা হাজৰিকাই উদ্বোধন কৰাৰ পাছতেই সংগীত কৰ্মশালাত প্ৰশিক্ষণ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত, একক গীত, নৃত্য প্ৰদৰ্শন কৰাৰ লগতে বাদ্যযন্ত্ৰ বজাই উপস্থিত দৰ্শকৰ মন আপ্লুত কৰে। সমলয় সংগীত গোষ্ঠীৰ সম্পাদক দীপক বৰুৱাই আঁত ধৰা অনুষ্ঠানত সংগীতৰ মুখ্য প্ৰশিক্ষক সুন্দৰ ফুকন, বাদ্যযন্ত্ৰ সহায়ক দুলেন বৰা, ৰাজীৱ বৰা, ৰাহুল গগৈক বিশেষভাৱে সম্বৰ্ধনা জনায়। এশৰ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে এই সংগীত কৰ্মশালাৰ সামৰণি অনুষ্ঠানত।

# কৃষ্ণাই ব্লক কংগ্ৰেছ কমিটীৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

## আম আদমী পাৰ্টিৰ পৰা কংগ্ৰেছত যোগদান



অগ্ৰদূত বাৰ্তা
**কৃষ্ণাই, ১৮ জুলাই ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত কালি কৃষ্ণাই ব্লক কংগ্ৰেছ কমিটীৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কৃষ্ণাই ব্লক কংগ্ৰেছৰ উদ্যোগত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে কৃষ্ণাই ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি ডাঃ দিলীপ কুমাৰ ঘোষে। ইফালে, সভাত আম আদমী পাৰ্টিৰ পৰা মুঠ ১২জন লোকে কংগ্ৰেছত যোগদান কৰা বুলি কৃষ্ণাই ব্লক কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰছুল আল ফাৰুকে জানিবলৈ দিয়ে। আগন্তুক পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছে কৃষ্ণাই ব্লকৰ অন্তৰ্গত নখন গাঁও পঞ্চায়তৰ আটাইকেইখনতে বিজয় সাব্যস্ত কৰিব বুলিও মত পোষণ কৰে সাধাৰণ সম্পাদক ফাৰুকে। উল্লেখ্য যে সাধাৰণ সম্পাদক ফাৰুকে আঁত ধৰা সভাত কৃষ্ণাই ব্লক কংগ্ৰেছ কমিটীৰ উপ-সভাপতি মহিজুদ্দিন শ্বেখ, বিত্ত সম্পাদক জব্বৰ খান, মহিলা সভানেত্ৰী সুৰিয়া বেগম, যুৱ সভাপতি ছফিকুল ইছলাম, দুধনৈ বিধানসভা সমষ্টি এনএছইউআইৰ সভাপতি হজৰত আলী, এপিচিচিৰ যুটীয়া সম্পাদিকা মাৰ্চিলা চাংমাৰ লগতে শতাধিক কংগ্ৰেছী নেতা-কৰ্মী উপস্থিত থাকে।

# বিহগী মিডিয়া গ্ৰুপ অসমৰ ৰামধেনু বঁটা ঘোষণা

## প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত ডাঃ ভূমিধৰ বৰ্মনলৈ মৰণোত্তৰভাৱে ৰামধেনু বঁটা



**মুকালমুৱা, ১৮ জুলাই ঃ** 'বিহগী মিডিয়া গ্ৰুপ' অসমৰ ২০২২ৰ ৰামধেনু বঁটা প্ৰদানৰ আয়োজন চলিছে। বিহগী মিডিয়া গ্ৰুপ অসমৰ সঞ্চালক তথা সাংবাদিক কনক কলিতাই কালি সংবাদমেলযোগে এই কথা সদৰী কৰিছে। সঞ্চালক কলিতাই মুকালমুৱাৰ দৰংগিপাৰাৰ বাসগৃহত অনুষ্ঠিত সংবাদমেলত কয় যে ৰাজনৈতিক, অনুগত, পেছাদাৰী, ঈৰ্ষা, স্বজনপ্ৰীতি, তোষামোদ আদি অনেক কাৰণত এচাম যোগ্য আৰু প্ৰতিভাৱান ব্যক্তিয়ে যুগ যুগ ধৰি প্ৰাপ্য সন্মান আৰু স্বীকৃতিৰ পৰা বঞ্চিত হৈ অহাৰ ফলতে ২০০৭ত যোগ্য ব্যক্তিক যোগ্য সন্মান প্ৰাপ্তিৰ মূলমন্ত্ৰৰে বিহগী মিডিয়া গ্ৰুপ অসমৰ জন্ম হয়। শতাধিক সাংবাদিক, চিন্তাবিদ, সাহিত্যিক, শিক্ষাবিদ, বুদ্ধিজীৱী, শিল্পী, কলা-কুশলীৰ সুচিন্তিত পৰিকল্পনাত ১৫ বছৰ পূৰ্বে জন্মলাভ কৰা সামাজিক, সাংস্কৃতিক আৰু সাংবাদিক সংস্থা বিহগী মিডিয়া গ্ৰুপ অসমে প্ৰদান কৰি অহা ৰামধেনু বঁটা এইবেলি ১৬ সংখ্যক বৰ্ষ ২০২২ৰ নিৰ্বাচিত বঁটা প্ৰাপকৰ নামবোৰ সংবাদমেলযোগে ঘোষণা কৰা হয়। সচেতন ৰাইজ, অভিজ্ঞ নাট্যকাৰ, নাট সমালোচক, বিশিষ্ট সাংবাদিক, বিশিষ্ট চিন্তাবিদ আদিৰে গঠিত নিৰ্বাচক মণ্ডলীৰ নিৰ্বাচন মৰ্মে এইবেলি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিচক্ষণ ৰাজনীতিবিদ প্ৰয়াত ডাঃ ভূমিধৰ বৰ্মনলৈ প্ৰথমবাৰৰ বাবে ৰামধেনু বঁটা মৰণোত্তৰভাৱে প্ৰদানৰ ১৩ পৃষ্ঠাত চাওক

# প্ৰফেছৰ উমাকান্ত দেৱ শৰ্মা ফাউণ্ডেছন - ধৰ্মপুৰ বিকাশ মঞ্চৰ কৃতী শিক্ষাৰ্থীক অভিনন্দন



অগ্ৰদূত বাৰ্তা
**টিহু, ১৮ জুলাই ঃ** প্ৰফেছৰ উমাকান্তদেৱ শৰ্মা ফাউণ্ডেছন আৰু ধৰ্মপুৰ বিকাশ মঞ্চৰ উদ্যোগত কালি কৈঠালকুছিৰ অসম কেশৰী জাতীয় বিদ্যালয়ত এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা স্বামী বিবেকানন্দৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ পাছত অসম কেশৰী জাতীয় বিদ্যালয়ৰ ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ কৰা সভাত অসম কেশৰী জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হেমচন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত বিশিষ্ট সমাজকৰ্মী তথা ধৰ্মপুৰ বিকাশ মঞ্চৰ সভাপতি জ্যোতিৰ্ময় শৰ্মাই উপস্থিত থাকি নিজৰ ভাষণত কয় যে যিকোনো কাম কৰাৰ আগত আত্মবিশ্বাস থাকিব লাগিব। আত্মবিশ্বাস হৈছে মানুহৰ কৃতকাৰ্যতাৰ চাবি-কাঠি। মানুহৰ মনত উদয় হোৱা সংকল্প, মনোবলৰ স'তে আত্মবিশ্বাস লগলাগি অসাধ্য সাধন কৰিব পাৰি। তেওঁ বৃহত্তৰ ধৰ্মপুৰ অঞ্চলৰ বিদ্যায়তনিক দিশত বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলক আৰ্থিকভাৱে সহায় কৰাৰ বাবে অঞ্চলটোৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তিক আহ্বায়ক হিচাপে লৈ অচিৰেই এটি পুঁজি গঠন কৰা হ'ব বুলি উল্লেখ ১৩ পৃষ্ঠাত চাওক

# গোৰেশ্বৰত নিউজ এক্সপ্ৰেছ অসমৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**গোৰেশ্বৰ, ১৮ জুলাই ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ পৰা আত্মপ্ৰকাশ কৰা 'নিউজ এক্সপ্ৰেছ অসম' নামৰ সংবাদ প্ৰতিষ্ঠানৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা ১৬ জুলাইত সন্ধিয়া স্থানীয় কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা ভৱন প্ৰাংগণত উদ্‌যাপন কৰা হয়। সন্ধিয়া ৰাজু বিশ্বাসে বন্তি প্ৰজ্বলনৰে প্ৰতিষ্ঠান দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতেই অন্তৰংগ আলাপ তথা সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। 'নিউজ এক্সপ্ৰেছ' অসমৰ মুখ্য সম্পাদক দীপাংকৰ দাসে আঁত ধৰা অনুষ্ঠানত গোৰেশ্বৰ প্ৰেছ ক্লাবৰ সম্পাদক আব্দুল লতিফ চৌধুৰীৰ লগতে গোৰেশ্বৰ অঞ্চলৰ শিক্ষানুষ্ঠানৰ পৰা হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকৰ (কলা আৰু বিজ্ঞান) পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ ক্ৰমে নিৰজ প্ৰতিম ডেকা, শুভ্ৰনন্দন ডেকা আৰু হৃদয়ৰঞ্জন দৈমাৰীক ফুলাম গামোচা, গছপুলি আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত চমু ভাষণ দিয়ে পেঞ্চন সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত পেঞ্চন সঞ্চালক নিমাই দাস, সাংবাদিক নাজিৰ আহমেদ, 'ভাঙা টিভি' চেনেলৰ শিল্পীবৃন্দ ক্ৰমে দীপজ্যোতি ডেকা, অমৰেন্দ্ৰ বৰুৱা, অনামিকা ডেকা আৰু বনশ্ৰী ডেকাৰ লগতে গোৰেশ্বৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাই। অনুষ্ঠানত স্থানীয় কে'বাগৰাকী জ্যেষ্ঠ লোকক 'নিউজ এক্সপ্ৰেছ'ৰ কৰ্মকৰ্তাসকলে ফুলাম গামোচাৰে শ্ৰদ্ধা নিবেদন কৰে।

# ছহিদ নগৰী ঢেকীয়াজুলিত 'ৰূপকথা নাট্যচৰ্চা কেন্দ্ৰ'ৰ উদ্বোধনী অনুষ্ঠান

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ১৮ জুলাই ঃ** ছহিদ নগৰী হিচাপে খ্যাত শোণিতপুৰৰ ঢেকীয়াজুলিত 'ৰূপকথা নাট্যচৰ্চা কেন্দ্ৰ' নামৰ এটা নাট্য শিক্ষানুষ্ঠানৰ জন্ম হৈছে। প্ৰতি দেওবাৰে ইয়াত প্ৰণালীবদ্ধৰূপত ধাৰাবাহিকতা অটুট ৰাখি নাট্য শিক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে আৰু ঢেকীয়াজুলিৰ তৰুণ প্ৰতিভাবান অভিনয় শিল্পী সমৰ মালাকাৰৰ পৃষ্ঠপোষকতাত তথা এদল তৰুণৰ উদ্যোগত ভূমিষ্ঠ হোৱা নাট্যচৰ্চা কেন্দ্ৰটোৰ ১১ জুলাইত আৰম্ভ ঘটোৱা হয়। সেই উপলক্ষে ঢেকীয়াজুলি ট্ৰাক ব্যৱসায় সন্থাৰ ভৱনত এক অনুষ্টুপীয়া উদ্বোধনী অনুষ্ঠান আয়োজিত হয়। ঢেকীয়াজুলিৰ প্ৰবীণ সমাজপ্ৰাণ নাগৰিক তথা শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰদীপ কুমাৰ নাথে নটৰাজ, অসমীয়া নাট্য সাহিত্যৰ জনক মহাপুৰুষ শংকৰদেৱ, আধুনিক অসমীয়া নাট্য সংস্কৃতিৰ কাণ্ডাৰী জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আৰু ফণী শৰ্মাৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য নিবেদি নাট্যচৰ্চা কেন্দ্ৰটি আনুষ্ঠানিকভাৱে মুকলি কৰে। ইয়াৰ পাছতে অনুষ্ঠানত উপস্থিত থকা অগ্ৰজ-অনুজ নাট্যপ্ৰেমীসকলেও প্ৰাতঃস্মৰণীয় নাট্যশিল্পীবৃন্দৰ প্ৰতিচ্ছবিত একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। স্থানীয় সমাজকৰ্মী-নাট্যানুৰাগী তথা মহাবিদ্যালয়ৰ প্ৰবক্তা মিলন দত্তই আঁতধৰা উদ্বোধনী অনুষ্ঠানটোত অগ্ৰজ নাট্যশিল্পী তথা ঢেকীয়াজুলি লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰী, জ্যেষ্ঠ সাংবাদিক-শিল্পী-লেখক তথা অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আৰু শোণিতপুৰ জিলা নাট সন্মিলনৰ সম্পাদক সুজিৎ কটকী, জ্যেষ্ঠ অভিনেতা তথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱা, অগ্ৰজ সাংস্কৃতিক কৰ্মী-অভিনেতা কাজল বৰা উপস্থিত থাকি বক্তব্য দাঙি ধৰে আৰু উত্তৰ পুৰুষক পদ্ধতিগত নাট্যাভিনয়ৰ জ্ঞানদান তথা বিজ্ঞানসন্মত নাট্যচৰ্চাৰ পৰিৱেশ নিৰ্মাণত এই নাট্য শিক্ষানুষ্ঠানে অঞ্চলটোত এক দীৰ্ঘদিনীয়া অভাৱ দূৰ কৰিব বুলি বক্তব্যত প্ৰকাশ কৰে। অতিথিসকলে উদ্যোক্তাসকলৰ এই ধনাত্মক পদক্ষেপৰ শলাগ লয় আৰু নাট্যানুষ্ঠানটোৰ নাট্যশিক্ষা প্ৰদানৰ পৰিক্ৰমা নিয়মীয়া তথা দীৰ্ঘজীৱী হোৱাৰ আশা প্ৰকাশ কৰি নৱগঠিত অনুষ্ঠানটোলৈ শুভকামনা জনোৱাৰ লগতে সহযোগ আগবঢ়োৱাৰো আশ্বাস দিয়ে। অনুষ্ঠানটোৰ মুখ্য উদ্যোক্তা সমৰ মালাকাৰ, প্ৰবীণ অভিনেতা-নাট্য সংগঠক ভুৱন দাস, সমাজকৰ্মী ধ্ৰুৱ বৰা, জ্যেষ্ঠ কবি-অৱসৰপ্ৰাপ্ত শিক্ষক কবীন্দ্ৰ কুমাৰ দাস, তৰুণ অভিনেতা-পৰিচালক-নাট্যশিল্পী তথা সাংবাদিক দিগন্ত শৰ্মা, বিহু শিল্পী সংস্থাৰ কেন্দ্ৰীয় উপ-সভাপতি গণেশ ডেকা, স্থানীয় সপ্তৰ্ষি লোক কলাকৃষ্টি একাডেমীৰ সঞ্চালিকা গীতাঞ্জলি দেৱী ডেকা, নৃত্যশিল্পী-অভিনেত্ৰী তৰালী বৰুৱা, তৰুণ লোকশিল্পী-অভিনেতা অনিল নাথ, সংবাদকৰ্মী পলিমা বি চেতিয়া, আহবায়ক তথা সংবাদকৰ্মী ভাস্কৰ জ্যোতি ১৩ পৃষ্ঠাত চাওক

# ড° সত্যনাথ গগৈ সোঁৱৰণী পুথিভঁৰালত তিনিখনকৈ গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১৮ জুলাই ঃ** বিশ্বনাথ চাৰিআলিৰ ড° সত্যনাথ গগৈ সোঁৱৰণী পুথিভঁৰালত যোৱা ১৪ জুলাইৰ সন্ধিয়া আভা প্ৰকাশনৰ তিনিখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। বিশ্বনাথ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা ড° কৰবী গগৈৰ 'ভূমিজা আৰু অন্যান্য অণুগল্প' সংকলনটো উন্মোচন কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তা মণি শৰ্মাই। চাৰিআলিৰ একাডেমীৰ শিক্ষয়িত্ৰী বিভামণি দাসৰ গান্ধাৰী উন্মোচন কৰে, বিশিষ্ট গীতিকাৰ, শিক্ষক ধ্ৰুৱজ্যোতি ৰাজখোৱাই আৰু বিশিষ্ট লেখক জিতুমণি কলিতাৰ 'দুৰ্বাহ পৰিণতি' উন্মোচন কৰে বিশিষ্ট লেখিকা তথা সদৌ অসম মহিলা কবি মঞ্চৰ সম্পাদিকা বিউটি ফুকন গগৈয়ে। বিশিষ্ট লেখক-সাহিত্যিক পেঞ্চনাৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইন্দ্ৰ প্ৰসাদ শইকীয়াৰ ১৩ পৃষ্ঠাত চাওক

## বৰবাম বাগিচাৰ পৰিচালকৰ গৃহত অগ্নিকাণ্ড



**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৮ জুলাই ঃ** আমগুৰিৰ নিকটৱৰ্তী তথা গডৰিক গ্ৰুপৰ অধীনস্থ বৰবাম চাহ বাগিচাৰ মেনেজাৰৰ বাংলোত কালি সন্ধিয়া এক অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। তথ্য মতে, গা ধোৱা ঘৰত থকা গিজাৰত শ্বৰ্ট চাৰ্কিট হোৱাৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। জুয়ে তাৎক্ষণিকভাৱে গা ধোৱা ঘৰৰ চিলিঙৰ লগতে কাষতে থকা শোৱাকোঠাত জুয়ে আগুৰি ধৰে। ফলত চিলিং, বিছনাকে ধৰি নানা সামগ্ৰী অগ্নিত ভস্মীভূত হয়। সেই সময়ত বাগিচাৰ পৰিচালক অমৰদ্বীপ বৰাসহ তেওঁৰ পৰিয়াল আৰু অন্যান্য কৰ্মচাৰী বাংলোত আছিল যদিও কাৰো ক্ষয়-ক্ষতি হোৱাৰ পৰা কথমপি ৰক্ষা পৰে। বাগিচাৰ পৰিচালক আৰু কল্যাণ বিষয়াৰ তৎপৰতাৰ ফলত আমগুৰিৰ অগ্নিনিৰ্বাপক বাহিনীয়ে ক্ষিপ্ৰতাৰে অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। এই ক্ষয়-ক্ষতিৰ পৰিমাণ প্ৰায় পাঁচ লাখ হ'ব বুলি ঠাৱৰ কৰা হৈছে।

# নাৰৰ ভুৱা নথিৰে বহীত এনচি পাৰঘাটৰ নিবিদা দাখিলৰ অভিযোগ

**■ বন্দোবস্তি স্থগিত ৰখাৰ দাবীৰে গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক ৰাইজৰ আবেদন**

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৮ জুলাই ঃ** গোৱালপাৰা জিলাৰ মাটিয়া আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত বহতী এন চি পাৰঘাটৰ বাবে সহিদ আলী নামৰ লোকজনে নাৰৰ ভুৱা নথিৰে নিবিদা দাখিল কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত আজি স্থানীয় বহতী আৰু বহতী চহৰৰ আব্দুৰ ৰহমান মণ্ডল, চুৰমাৰ আলী, হজৰত বিল্লাল আদিকে ধৰি একাংশ ৰাইজে গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক এখন লিখিত অভিযোগ দাখিল কৰে। উল্লেখ্য যে যোৱা ১৬ জুনত মাটিয়া আঞ্চলিক পঞ্চায়তে আহ্বান কৰা নিবিদা প্ৰক্ৰিয়াত বহতী এনচি পাৰঘাটৰ বিপৰীতে মুঠ ৩১গৰাকী লোকে নিবিদা দাখিল কৰে। ইয়াৰে সহিদে সৰ্বোচ্চ ১৪ লাখ ২১ হেজাৰ টকাৰ নিবিদা দাখিল কৰে। লাখতকৈ অধিক মূল্যৰ নিবিদা দাখিল হোৱা বাবেই তুলনামূলক প্ৰতিবেদন প্ৰস্তুত কৰি মাটিয়া আঞ্চলিক পঞ্চায়তে পাৰঘাটটো পট্টনৰ বাবে গোৱালপাৰা জিলা পৰিষদলৈ পঠাই দিয়ে। ইপিনে, সৰ্বোচ্চ নিবিদাকাৰী হিচাপে গোৱালপাৰা জিলা পৰিষদ কৰ্তৃপক্ষই সহিদক পাৰঘাটটো পট্টন দিয়াৰ বাবে প্ৰস্তুতি চলাইছে। কিন্তু আজি সহিদে নিবিদাৰ সময়ত দাখিল কৰা নাৰৰ নথি জাল আৰু সম্পূৰ্ণ ভুৱা বুলি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক ৰাজহুৱা অভিযোগ দাখিল কৰে। সহিদৰ নাৰৰ নথিৰ সত্যতা প্ৰমাণিত নোহোৱালৈকে স্থায়ী বন্দৰস্তি নিদিবলৈ দাবী জনাইছে অভিযোগকাৰীসকলে। যদি নিবিদাৰ সময়ত দাখিল কৰা ভুৱা নথিৰ ভিত্তিত সহিদক স্থায়ী বন্দৰস্তি দিয়া হয় তেন্তে ভৱিষ্যতে কোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত হ'লে বিভাগীয় কৰ্তৃপক্ষই জগৰীয়া হ'ব বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। উল্লেখ্য যে নিবিদা জাননীত উল্লেখ কৰা তথা বিভাগীয় নিয়ম মতে, মাটিয়া আঞ্চলিক পঞ্চায়ত তথা গাঁও পঞ্চায়ত কৰ্তৃপক্ষই আহ্বান কৰা পাৰঘাটৰ নিবিদা দাখিলৰ সময়ত কোনো লোকেই প্ৰয়োজনীয় নথিপত্ৰ দাখিল কৰিবলৈ সক্ষম নহয়। তাৰ বাবেই বিগত কে'বা বছৰ ধৰি আঞ্চলিক পঞ্চায়ত তথা গাঁও পঞ্চায়ত কৰ্তৃপক্ষই কোনো এটা পাৰঘাটৰে স্থায়ী বন্দৰস্তি নিদিয়াটো এক পৰম্পৰাত পৰিণত হৈছে। ইয়াৰে সুযোগ গ্ৰহণ কৰি সংশ্লিষ্ট অঞ্চলৰ একাংশ ৰাইজে মধ্যভোগীৰ ভূমিকাত অৱতীৰ্ণ হৈ পাৰঘাটৰ পট্টনৰ নামত মুনাফা লুটি থকা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। উক্ত মধ্যভোগীৰ স'তে একাংশ বিষয়া-কৰ্মচাৰী তথা জনপ্ৰতিনিধি জড়িত থকা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এইদৰে পাৰঘাটৰ পট্টনৰ নামত মধ্যভোগীয়ে লাভবান হোৱাৰ বিপৰীতে চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন ৰাইজে।

## বালিকৰিয়া বাসুদেৱ শাখা সাহিত্য সভাৰ অভিনন্দন-পত্ৰিকা উন্মোচন অনুষ্ঠানৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৮ জুলাই ঃ** নলবাৰী জিলা সাহিত্য সভাৰ অন্তৰ্গত বালিকৰিয়া বাসুদেৱ শাখা সাহিত্য সভাৰ উদ্যোগত অহা ২১ আৰু ২২ জুলাইত দুদিনীয়াকৈ অভিনন্দন আৰু পত্ৰিকা উন্মোচন অনুষ্ঠান আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি ২১ জুলাইত ৮.৩০ বজাত বন্তি প্ৰজ্বলন, ৯.০০ বজাত পতাকা উত্তোলন, পুৱা ৯.১৫ বজাত ছহিদ তৰ্পণ, ৯.৩০ বজাত ছহিদ বেদীত মাল্যাৰ্পণ, ৯.৪০ বজাত স্মৃতি সৌধত বন্তি প্ৰজ্বলন, ৯.৪৫ বজাত গছপুলি ৰোপণ, ১০.০০ বজাত খেল প্ৰতিযোগিতা, ১১.০০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, দুপৰীয়া ১২ বজাত আকস্মিক বক্তৃতা প্ৰতিযোগিতা, আবেলি তিনি বজাত অসমীয়া গীতৰ আধাৰত সংগীত প্ৰতিযোগিতা, আৰু ২২ জুলাইত পুৱা ৯.৩০ বজাত-স্বচ্ছ অভিযান, পুৱা ১০.০০ বজাত-মুকলি সভা অনুষ্ঠিত কৰা হ'ব। উক্ত সভা উদ্বোধন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ বিপিন চন্দ্ৰ কলিতাই, সভাপতিৰ আসন গ্ৰহণ কৰিব বালিকৰিয়া বাসুদেৱ শাখা সাহিত্য সভাৰ সভাপতি কুমুদ ডেকাই, মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী আৰু পত্ৰিকা সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই। পত্ৰিকা 'কাঁচিয়লি' উন্মোচন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই, বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতা, বিশিষ্ট সাংস্কৃতিক কৰ্মী বিভু দত্ত, আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব বিশিষ্ট চিকিৎসক ডাঃ অৰুণ বৰ্মন, বিশিষ্ট চিকিৎসক ডাঃ দুৰ্লভ পাঠক, নলবাৰীৰ পূৰ্ব ভাৰতীৰ সচিব প্ৰমোদ তালুকদাৰ , নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা, বিশিষ্ট চিত্ৰশিল্পী অবিনাশ মজুমদাৰে। উল্লেখ থাকে যে এই মুকলি সভাতে বালিকৰিয়া গাঁৱৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিগত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ন্যূনতম ৬০ শতাংশ নম্বৰৰে উত্তীৰ্ণ হৈ বালিকৰিয়া গাঁৱলৈ সুনাম কঢ়িয়াই আনিছে তেওঁলোকক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব বুলি সম্পাদক ফুলেন দত্তই জানিবলৈ দিছে।

## বিজেপিৰ আমগুৰি গ্ৰাম্য মণ্ডলৰ

*১২ পৃষ্ঠাৰ পৰা* বৰশয়ক ডিব্ৰুৱাল গাঁৱৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ বাসিন্দা মৃদুল গগৈৰ ঘৰত দুই বাণ্ডিল টিনপাত দি সহায়ৰ হাত আগবঢ়ায়। অনুষ্ঠানত জিলা উপ-সভাপতি ধ্ৰুৱ চাংমাই, কৃষক মৰ্চাৰ উপ-সভাপতি জিতু গগৈ, বিতুল কাকতি, জগত শইকীয়া, চিতু বৰগোহাঁই, কৈলাশ গগৈ, বুথৰ সভাপতি দিগন্ত কাকতি প্ৰমুখ্যে বিষয়ববীয়াসকল উপস্থিত থাকে।

## ড° সত্যনাথ গগৈ সোঁৱৰণী পুথিভঁৰালত

*১২ পৃষ্ঠাৰ পৰা* সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে কলিয়াবৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° জয়ন্ত কুমাৰ দাসে । উদ্দেশ্য ব্যাখ্যা কৰে ড° কৰবী গগৈয়ে। উক্ত উন্মোচনী সভাত উপস্থিত থাকে বিশিষ্ট লেখিকা ৰেণু চহৰীয়া শইকীয়া, জোনমণি দাস, অধ্যাপিকা মিতা হাজৰিকা, দ্বীপজ্যোতি নাথ, অসমী হাজৰিকা, যুৱ সাহিত্য সেৱক তাপ্তী দুতি বৰা, ঋত্বিক জ্যোতি বৰা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল। আভা প্ৰকাশনে গ্ৰন্থ আন্দোলনৰ যি নতুন ধাৰাৰে লেখক- লেখিকা তথা ছাত্ৰ-ছাত্ৰীৰ আগুৱাই নিয়াত সহায় কৰিছে তাৰ বাবে স্বত্বাধিকাৰী তথা অধ্যাপক মানসজ্যোতি দাসৰ শলাগ লয় ।

## তৰাজান সন্মিলনত জিনামণি বৰা

*১২ পৃষ্ঠাৰ পৰা* আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত ডাঃ তুলতুল বৰাৰ জীৱনীভিত্তিক উপন্যাস 'ককাত্তা আৰু মুচিকাই' উন্মোচন কৰে শিক্ষাবিদ বিনিতা দত্তই। ককাত্তা আৰু মুচিকাই' উন্মোচন কৰি দত্তই কয় যে ড° তুলতুল বৰাৰ 'ককাত্তা আৰু মুচিকাই' উপন্যাসৰ মাজেদি এজন মানুহৰ জীৱন গাঁথা আৰু মহানুভৱতা প্ৰকাশ কৰিছে। ই জীৱনীমূলক উপন্যাস হ'লেও এক সঁচা কাহিনীৰ ওপৰত ৰচিত উপন্যাস। এই উপন্যাসৰ মাজেদি সেই সময়ৰ সমাজ জীৱন আৰু হাতীৰ সম্পৰ্কত বহুত নজনা কথা প্ৰকাশ কৰিছে। কিছুমান নজনা, বহুতে নুশুনা শব্দ সন্নিবিষ্ট কৰি উপন্যাসৰ জেউতী চৰাইছে। সভাৰ আৰম্ভণিতে লেখিকা বৰাৰ জ্যেষ্ঠ ভ্ৰাতৃ প্ৰয়াত মুকুল বৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা তৰাজান সন্মিলনৰ সভাপতি দেৱজিৎ বৰদলৈয়ে আদৰণি ভাষণত তৰাজান সন্মিলনৰ ইতিহাস আৰু তৰাজান মহিলা চ'ৰাৰ জন্মৰ বৃত্তান্ত দাঙি ধৰে।

## বিহগী মিডিয়া গ্ৰুপ অসমৰ ৰামধেনু বঁটা

*১২ পৃষ্ঠাৰ পৰা* সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি বিশিষ্ট লেখক ড° দীনেশ বৈশ্যলৈ জীৱনজোৰা সাধনা বঁটা, বিৰিণা গোষ্ঠী অসমৰ সভাপতি লীলাধৰ পাঠকলৈ ৰামধেনু সাধনা বঁটা, কণ্ঠশিল্পী কুমাৰ ভৰেশলৈ সংগীত ৰত্ন বঁটা, নিৰ্মালী দাসলৈ কণ্ঠ সূৰ্য বঁটা, আৰক্ষী বিষয়া দীনেশ মেধিলৈ সমাজৰত্ন বঁটা, বলিষ্ঠ অভিনেতা দ্বীৰন আৰ্যলৈ শ্ৰেষ্ঠ অভিনেতা, ভ্ৰাম্যমাণ জগতৰ ৰঞ্জিত দত্তলৈ অচ্যুৎ লহকৰ বঁটা, যাত্ৰা দলৰ বলিষ্ঠ অভিনেতা নৱ শৰ্মাক শ্ৰেষ্ঠ অভিনেতা (যাত্ৰা দল), ললিতা বণিক্যক বিহগী কবি ৰঘুনাথ চৌধাৰী বঁটা, নগেন তালুকদাৰক শ্ৰেষ্ঠ গ্ৰাম্য সাংবাদিকতা বঁটা, ৰুবুল আলীক সমাজৰত্ন বঁটা, সত্ৰনগৰী বৰপেটাৰ লীলাধৰ দাসক শিক্ষাৰত্ন বঁটা, লক্ষী পাটোৱাৰীক সমাজৰত্ন বঁটা, শুকদেৱ মালাকৰক শিক্ষাৰত্ন বঁটা, বিকি আহমেদক কৰ্মসাধনা বঁটা, ধীৰেন কুমাৰ বৰ্মনক শিল্পীপ্ৰাণ বঁটা, শিখাঞ্জলী ডেকাক সাহিত্য সাধনা বঁটা আৰু বিভিন্ন দিশৰ কে'বাজনো ব্যক্তিক সন্মান প্ৰদানৰ ব্যাপক আয়োজন চলাইছে বুলি সংবাদমেলযোগে সদৰী কৰে সঞ্চালক কলিতাই। অহা ৩১ জুলাইত নলবাৰী জিলাৰ পূব বৰক্ষেত্ৰী আদাবাৰী ছোৱালী হাইস্কুলত এক অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হ'ব। য'ত মুখ্য অতিথিৰূপে উপস্থিত থাকিব বুদ্ধিজীৱী, বিশিষ্ট সাংবাদিক তথা সাহিত্যিক অদীপ ফুকন, দৈনিক 'অসম কাকত'ৰ কাৰ্যবাহী সাংবাদিক দিলীপ মহন্ত, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, নৰ্থ-ইষ্ট কেণ্ডাৰ হাস্পতালৰ সঞ্চালক গণেশ তামুলীসহ ভালেকেইজন ব্যক্তি।

## ছহিদ নগৰী ঢেকীয়াজুলিত 'ৰূপকথা

*১২ পৃষ্ঠাৰ পৰা* লহকৰকে ধৰি কে'বাগৰাকীও নাট্যপ্ৰেমী উপস্থিত থকা অনুষ্ঠানৰ মাজতে ৰাণা প্ৰতাপ বৰুৱা আৰু তৰালী বৰুৱাই নাটকৰ এক দৃশ্যাংশ প্ৰদৰ্শন আৰু কাজল বৰা, অভিজিৎ কৌশিক, ঋষিৰাজ কৌশিক আৰু দেৱ প্ৰদীপ বৰুৱাৰ গীতে আপ্লুত কৰি তোলে। অনুষ্ঠানটিৰ উদ্বোধনী দিনটোত প্ৰবীণ নাট্যশিল্পী ভূৱন দাস আৰু মুখ্য প্ৰশিক্ষক সমৰ মালাকাৰে উপস্থিত প্ৰশিক্ষাৰ্থীসকলক নাটকৰ প্ৰাৰম্ভিক প্ৰশিক্ষণ দিয়ে। উদ্যোক্তাসকলে জনোৱা মতে, ৰূপকথা নাট্যচৰ্চা কেন্দ্ৰৰ পাঠদান কাৰ্যসূচীত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ছবি পৰিচালক-চিত্ৰনাট্যকাৰ-অভিনেতা তথা নাট্যশিল্পী কৃপাল কলিতা, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক ৰাজীৱ কলিতা, অভিনেতা-পৰিচালক-নাট্য প্ৰশিক্ষক কুলেন্দ্ৰ ৰায়চৌধুৰী, জেষ্ঠ পৰিচালক প্ৰদীপ হাজৰিকা, চলচ্চিত্ৰ পৰিচালিকা সঞ্চিতা তালুকদাৰ, নাট্য পৰিচালক পংকজ অসমীয়া, অভিনেতা ৰূপজ্যোতি দাস, চাজু আহমেদ, মানস শৰ্মা, স্থানীয় জেষ্ঠ নাট্যশিল্পী ভূৱন দাস, ড° শুকদেৱ অধিকাৰী, সুজিৎ কটকী, তৰুণ নাট্যশিল্পী দিগন্ত শৰ্মা, ভাস্কৰ জ্যোতি নাথকে আদি কৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ নাট্যকৰ্মীসকলে সময়ে-সময়ে পাঠদান পৰিক্ৰমাত প্ৰশিক্ষক হিচাপে আৰু মুখ্য প্ৰশিক্ষক হিচাপে মালাকাৰে অংশগ্ৰহণ কৰিব। ঢেকীয়াজুলি ট্ৰাক ব্যৱসায় সন্থাৰ ভৱন নতুবা বিহু ভৱনত প্ৰতি দেওবাৰে ৰূপায়ণ হ'বলগীয়া এই নাট্যচৰ্চা কেন্দ্ৰৰ নামভৰ্তি চলি আছে।

## ২২ জুলাইত দৰঙী কলাকৃষ্টিৰ দৰঙী

*১২ পৃষ্ঠাৰ পৰা* চেৰাঢেক, থিয়নাম, বিয়াগীত, ঝুমুৰ নৃত্য, ঘোষা কীৰ্তন আদি লোককৃষ্টি প্ৰদৰ্শন হ'বলগীয়া এই বঁটা প্ৰদান অনুষ্ঠানত জিলাখনৰ বিধায়ক ক্ৰমে বসন্ত দাস, দুৰ্গাদাস বড়ো, আলহাজ মজিবুৰ ৰহমান, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, মুখ্য কাৰ্যবাহী বিষয়া ৰমেন মালাকাৰ, ৰাজহ চক্ৰ বিষয়া কমলজিৎ শৰ্মা, বিডিঅ' মদন বৰ্মন, মনোজ বণিয়া, বিভাষ বৰা, সাংস্কৃতিক উন্নয়ন বিষয়া ধনদা দাস হাজৰিকা, মঙলদৈ আৰু ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা আৰু প্ৰদীপ চন্দ্ৰ ডেকা, উদ্যোগপতি অনুপম ডেকা, সমাজসেৱী কুলেন হাজৰিকা, কল্পসিং বৰদলৈ আৰু কুলদ্বীপ বৰুৱা সুহৃদ অতিথি হিচাপে উপস্থিত থাকিব। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই জনোৱা অনুসৰি ব্যাস সংগীতৰ দাইনাপালি নিজ ছিপাঝাৰৰ কমল চন্দ্ৰ নাথলৈ কুহিৰাম চহৰীয়াৰ স্মৃতিত, বৰক'লাৰ নাগাৰা নামৰ শিল্পী দুলু বড়োলৈ চহৰীয়াৰ স্মৃতিত, পাথৰিঘাটৰ চেৰাঢেকৰ শিল্পী ইদ্ৰিছ আলীলৈ মৌলৱী আলহাজ চমছেৰ আলীৰ স্মৃতিত আৰু মঙলদৈৰ ধনমালা দেৱীলৈ লম্ভাৱালা শইকীয়াৰ স্মৃতিত প্ৰদান কৰা হ'ব দৰঙী শিৰোমণি বঁটা-২২।

## প্ৰফেছৰ উমাকান্ত দেৱ শৰ্মা ফাউণ্ডেছন

*১২ পৃষ্ঠাৰ পৰা* কৰাৰ লগতে পুঁজিৰ বাবে আজিৰ এই অনুষ্ঠানতে তেওঁ নিজাববীয়াকৈ পাঁচ হেজাৰ টকাৰ এখন চেক প্ৰদান কৰে। অসম কেশৰী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ কনক পাঠকে আঁত ধৰা অনুষ্ঠানত মিলন হাইস্কুল পানীগাঁৱৰ সহকাৰী শিক্ষ ভৱেশ শৰ্মাই কয় যে ছাত্ৰ-ছাত্ৰীসকলে সপোন দেখিব লাগে আৰু এই সপোন পূৰণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ একান্ত আগ্ৰহৰ প্ৰয়োজন। সপোন আৰু ইচ্ছা থাকিলে আত্মবিশ্বাসৰ এনাজৰী কপকপীয়া হয়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি কৈঠালকুছি হাইস্কুলৰ প্ৰধান শিক্ষক বিকাশ বেজবৰুৱা আৰু উত্তৰ ধৰ্মপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক নৃপেন্দ্ৰ বৰ্মনে শিক্ষাৰ্থীসকলক উদ্দেশি তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। অসম কেশৰী জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক বাণীকান্ত হালৈ, শংকৰদেৱ শিশু নিকেতন কৈঠালকুছিৰ সহকাৰী শিক্ষক শৈলেন ভাগৱতী, কৈঠালকুছি সাংবাদিক সন্থাৰ সম্পাদক শৈলেন বৰ্মন, নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক ৰূপ কুমাৰ শৰ্মা, অসম কেশৰী জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী উপস্থিত থকা অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ পৰা ২০২২ৰ পৰীক্ষাত ডিষ্টিংছন আৰু ষ্টাৰ নম্বৰ লাভ কৰা তথা প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ৪২গৰাকী শিক্ষাৰ্থীক গ্ৰন্থৰ টোপোলা আৰু অভিনন্দন পত্ৰৰে অভিনন্দন জনোৱা হয়।

## মৰাণত শিশুৰ কৰুণ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৮ জুলাই ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ নগৰৰ সমীপৰ কচুমাৰিত আজি কুঁৱাত পৰি কৰণ নেৱাৰ (১২) নামৰ এজন কিশোৰৰ মৃত্যুৰ ঘটনাই শোকৰ ছাঁ পেলাইছে। স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকে সন্দেহ কৰা মতে চাহ বাগিচাত খেলি থকাৰ সময়ত কুঁৱাত পিছলি পৰে। ঘটনাস্থলীত মৰাণহাট আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

## জনীয়াত আপলৈ কংগ্ৰেছ-এআইইউডিএফৰ কৰ্মী

**কলগাছিয়া, ১৮ জুলাইঃ** জনীয়া সমষ্টিৰ অন্তৰ্গত ৫৮ নম্বৰ বৰভিঠা গাঁও পঞ্চায়তত আম আদমী পাৰ্টিৰ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। ছাইফুল ইছলামৰ আহ্বানত আৰু মহি উদ্দিনৰ সভাপতিত্বত কালি অনুষ্ঠিত সভাত কংগ্ৰেছৰ পৰা এবাৰ পঞ্চায়ত সদস্য আৰু দুবাৰকৈ সভাপতিৰূপে নিৰ্বাচিত হোৱা প্ৰাক্তন পঞ্চায়ত সভাপতি আব্দুৰ ৰেজ্জাকসহ প্ৰায় অৰ্ধশতাধিক কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ নেতা-কৰ্মীয়ে আম আদমী পাৰ্টিত যোগদান কৰে। অনুষ্ঠানত উপস্থিত থাকে আপৰ মহিলা শক্তি জিলা সমন্বয়ক স্বপনা দাস বায়ন, স্বেচ্ছাসেৱী আপ সন্দীপ আগৰৱাল, স্বেচ্ছাসেৱক আপৰ ডেনিয়েল বড়ো লেজাৰৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

## হাজোৰ ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৮ জুলাই ঃ** হাজোৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ত কালি এক বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন হয়। পাৰ্থোনা অৰ্থপেডিক এণ্ড ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ উদ্যোগত অনুষ্ঠিত বিনামূলীয়া চিকিৎসা শিবিৰত বৃহত্তৰ ৰামদিয়াৰ বানপীড়িত অঞ্চলৰ কে'বা শতাধিক লোকক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ লগতে ঔষধ বিতৰণ কৰা হয়। বিনামূলীয়া চিকিৎসা শিবিৰত পাৰ্থোনা অৰ্থপেডিক এণ্ড ছুপাৰ স্পেচিয়েলিটি হাস্পতালৰ পৰিচালন সঞ্চালক নাৰায়ণ ডেকা, ডাঃ ৰমন তালুকদাৰ, ডাঃ জেলিনা বৰদলৈ, ডাঃ দীপাংকৰ ডাকুৱা, ডাঃ জেহেৰুল ইছলাম, ডাঃ সপ্তৰ্ষি বৰুৱা, ডাঃ মৃদুল ইছলামে চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অসিত কুমাৰ পাল, অধ্যাপক দিলীপ দাস, ললিত চন্দ্ৰ ভৰালী, মুকুট পাঠক, আবু লেইচ আহমেদ সমন্বিতে মহাবিদ্যালয়খনৰ কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। বিনামূলীয়া চিকিৎসা শিবিৰত ৰোগীসকলৰ সাধাৰণ বেমাৰৰ বাবে বিনামূলীয়া ঔষধ, বিনামূলীয়া ছুগাৰ পৰীক্ষা, হাঁড়ৰ মিনাৰেল ডেনচিটিও পৰীক্ষা কৰে।

## নগৰবেৰাৰ জলজলী নদীত দুদিন ধৰি ওপঙি থকা মৃতদেহক লৈ প্ৰতিক্ৰিয়া

**আলোপতি, ১৮ জুলাইঃ** কামৰূপ জিলাৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত নগৰবেৰাৰ জলজলী নদীত বিগত দুদিন ধৰি এটা অচিনাক্ত মৃতদেহ ওপঙি থকাকলৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সমগ্ৰ অঞ্চলটোতে। নগৰবেৰা-পিজুপাৰা-ভখুৱাদিয়া পাৰঘাটৰ জলজলী নৈত থকা কাঠৰ দলঙৰ কাষত উপঙি থকা অৱস্থাত ৰাইজে প্ৰত্যক্ষ কৰে মৃতদেহটো। মৃতদেহটো এগৰাকী কিশোৰীৰ বুলি অনুমান কৰিছে স্থানীয় ৰাইজে। শনিবাৰৰ পৰাই উক্ত স্থানত ওপঙি আছে মৃতদেহটো। ডিঙিত ৰচীৰে মেৰিয়াই আৰু বস্তাৰ ভিতৰত ভৰোৱা আছিল। মৃতদেহটো দুদিন ধৰি একেটা স্থানতে থকাৰ পাছতো আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। দুৰ্বৃত্তই কিশোৰীগৰাকীক হত্যা কৰি নদীত পেলাই দিয়াৰ সন্দেহ ব্যক্ত কৰিছে স্থানীয়লোকে। মৃতদেহটো উদ্ধাৰ কৰি প্ৰকৃত তথ্য উদ্‌ঘাটন কৰিবলৈ ৰাইজে দাবী জনাইছে আৰক্ষীক।

## জামুগুৰিহাটৰ টৌভঙাৰ তৰাজানত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা-গ্ৰন্থ উন্মোচনী অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৮ জুলাই ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ টৌভঙাৰ তৰাজান প্ৰাথমিক বিদ্যালয় ৰংগমঞ্চত কালি নয়নজ্যোতি যুৱক সংঘৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। ৰঙাচকুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিশিষ্ট সমাজকৰ্মী গোপাল দাসৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতি অৰ্জন কৰা ১০গৰাকী কৃতী শিক্ষাৰ্থীক অসমীয়া জাতীয় স্বাভিমান ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে কিতাপৰ টোপোলা আৰু অভিনন্দনপত্ৰ প্ৰদান কৰা হয়। ইয়াৰ পাছতে তৰাজানৰ উদীয়মান যুৱ সাহিত্যিক মোহন পাঠকৰ দ্বাৰা লিখিত 'টি ট্ৰাইবছ ইন ছ'চিঅ' পলিটিকেল ৰিলম অৱ আছাম' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা তথা অসম কলেজ শিক্ষক সন্থাৰ সম্পাদক ড° জয়ন্ত বৰুৱাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে সদ্যঘোষিত ভাৰত সাহিত্য একাডেমীৰ অনুবাদ সাহিত্য বঁটাৰ বাবে নিৰ্বাচিত তথা ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰবক্তা ড° সঞ্জীৱ উপাধ্যায় আৰু টুপিয়া পাঁচগাঁও একাডেমীৰ অধ্যক্ষ অশোক দাহালে।

## সন্মিলিত শিক্ষক মঞ্চৰ প্ৰতিনিধিত্বৰ বাবে বুনিয়াদী শিক্ষক সন্থাৰ নিৰ্বাচিত ১০

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৮ জুলাই ঃ** প্ৰস্তাৱিত সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ অহা সাত আগষ্টত অনুষ্ঠিত হ'বলগীয়া প্ৰথম অধিবেশনত প্ৰতিনিধিত্ব কৰাৰ বাবে সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ সভাপতি আৰু সম্পাদকসহ মুঠ ১০ জনক নিৰ্বাচিত কৰা হৈছে। এই সন্দৰ্ভত সদৌ অসম চৰকাৰী বুনিয়াদী শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক নৰেশ চন্দ্ৰ হাজৰিকাই এক বিবৃতিযোগে জনোৱা মতে, সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ প্ৰথম অধিবেশনৰ প্ৰতিনিধি হিচাপে বুনিয়াদী শিক্ষক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ হৈ সভাপতি ডম্বৰুধৰ নাথ আৰু সাধাৰণ সম্পাদক নৰেশ চন্দ্ৰ হাজৰিকাৰ লগতে সকলো উপ-সভাপতি ক্ৰমে মান্না বৰকাকতি, ডিপুল চন্দ্ৰ বৰা আৰু দীপিকা চৌধুৰী, সকলো সহকাৰী সম্পাদক ক্ৰমে ক্ষীৰোদ কুমাৰ গগৈ, দুৰ্গেশ্বৰ বৰুৱা, চফিকুৰ ৰহমান আৰু দিলীপ শৰ্মাৰ লগতে প্ৰচাৰ সম্পাদক ছাত্তাৰউদ্দিন আহমেদক নিৰ্বাচিত কৰা হৈছে। ইপিনে, বুনিয়াদী শিক্ষক সন্থাৰ সভাপতি আৰু সম্পাদকে অলপতে অসম সচিবালয়ত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক সাক্ষাৎ কৰি চৰকাৰী উচ্চ আৰু নিম্ন বুনিয়াদী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী অনুপাতে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা, চৰকাৰী বিদ্যালয়সমূহত স্থানীয় ভাষাত চৰকাৰী চিঠি-পত্ৰ আদান- প্ৰদান কৰা, বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ কামৰ পৰা শিক্ষকক ৰেহাই দিয়াৰ ব্যৱস্থা কৰা, চৰকাৰী বিদ্যালয়ত কৰ্মৰত ৰাজ্যখনৰ শিক্ষকসকলক বছৰেকত ৩০ দিনৰ আৰ্জিত ছুটী প্ৰদান কৰা, প্ৰতিখন চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টি কৰি অতি শীঘ্ৰে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা, চৰকাৰী উচ্চ প্ৰাথমিক বিদ্যালয়ত দীৰ্ঘদিনৰ পৰাই খালী হৈ থকা হিন্দী শিক্ষকৰ পদত চলিত বৰ্ষতেই নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা আৰু চৰকাৰী বিদ্যালয়সমূহত খালী হৈ থকা সহকাৰী শিক্ষক, ইংৰাজী শিক্ষক আৰু চকীদাৰ পদত তিনি মাহৰ ভিতৰত নিযুক্তি দিয়াকে ধৰি ১৮ দফীয়া দাবী সন্দৰ্ভত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। লগতে শিক্ষা সচিব আৰু প্ৰাথমিক শিক্ষা সঞ্চালিকাকো সাক্ষাৎ কৰি সন্থাৰ দাবীসমূহ ক্ষিপ্ৰ সমাধানৰ ব্যৱস্থা ল'বলৈ অনুৰোধ জনাই আলোচনা কৰে।

# শিশুৰ কল কাকলিত গুঞ্জৰিত হ'ল বিষ্ণু-জ্যোতি সংগীতৰ কালজয়ী গীত

**■ বনগাঁও প্ৰাথমিক বিদ্যালয়-পুৰন্দিয়া সাহিত্য সভাৰ উদ্যোগত বিষ্ণু সংগীত আৰু জ্যোতি সংগীতৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি**



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৮ জুলাই ঃ** বনগাঁও প্ৰাথমিক বিদ্যালয় আৰু পুৰন্দিয়া সাহিত্য সভাৰ উদ্যোগত বনগাঁও প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা বিষ্ণু সংগীত আৰু জ্যোতি সংগীতৰ তিনিদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ কালি সামৰণি পৰে। সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি পানেৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নাৰায়ণ বৰাই এনেকুৱা সুন্দৰ পদক্ষেপ গ্ৰহণ কৰা বাবে দুয়োটা অনুষ্ঠানৰ শলাগ লৈ ভূয়সী প্ৰশংসা কৰে। প্ৰশিক্ষক গিৰিশ গৌতম, ধ্ৰুৱজ্যোতি ৰাভা, ডাকুৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গজেন শৰ্মা, কণ্ঠশিল্পী পল্লৱী তাৰা আৰু আজীৱন সভ্য হেমেন শইকীয়াই চমু ভাষণ ৰাখে। কণ্ঠশিল্পী পল্লৱী তাৰা, শিশু শিল্পী পাৰ্থ বৰুৱা, জীৱন ডেকা আৰু শিক্ষাৰ্থীসকলে বিষ্ণু সংগীত আৰু জ্যোতি সংগীত পৰিৱেশন কৰি সামৰণি অনুষ্ঠান মুখৰ কৰি তোলে। তিনিদিনীয়া গ্ৰীষ্মকালীন সংগীতৰ কৰ্মশালাত যোগদান কৰা ৬০গৰাকী শিক্ষাৰ্থীক অংশগ্ৰহণৰ প্ৰমাণপত্ৰ বিতৰণ কাৰ্যসূচী বনগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা তবলাবাদক বিশ্বজিৎ চহৰীয়া অনুষ্ঠানত ৰাভা ছাত্ৰ নেতা পৱন ৰাভা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুকুট ৰাভা, স্বভাৱ শিল্পী বাতিৰাম মদাহি, অসম সাহিত্য সভাৰ আজীৱন সভ্য বিনন্দ হাজৰিকা, অংগনৱাড়ী কৰ্মী মণীষা ৰাভা প্ৰমুখ্যে ব্যক্তি উপস্থিত থাকে। প্ৰথম দিনা বিষ্ণু-জ্যোতিৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বনগাঁও ভিচিডিচিৰ চেয়াৰমেন শিৱপ্ৰসাদ বৰা আৰু পুৰন্দিয়া সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গোপাল চন্দ্ৰ ৰাভাই। উদ্বোধন কৰে গেৰুৱা ফুটুকীবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জিতেন্দ্ৰ ৰাভাই। ফটিক নন্দন ৰাভাই আঁত ধৰা যুৱ শিল্পী গিৰিশ গৌতম, বিশ্বজিৎ চহৰীয়া, ধ্ৰুৱজ্যোতি ৰাভা, পুলিন ৰাভাই প্ৰশিক্ষক হিচাপে যোগদান কৰা কৰ্মশালাত ডাকুৱা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক গজেন শৰ্মা, পুৰন্দিয়া সাহিত্য সভাৰ সভাপতি খগেন্দ্ৰ নাথ বৰা, সমাজসেৱী দধিৰাম ৰাভা, স্বভাৱ শিল্পী বাতিৰাম মদাহি, সাংস্কৃতিক কৰ্মী, শিক্ষক নৱ কুমাৰ তামুলী, ৰঙিয়াৰ কৌতুক শিল্পী নৰেন শৰ্মা, সাংস্কৃতিক কৰ্মী পৰেশ দাস উপস্থিত থাকে।

## জুৰীয়াৰ বাটমাৰীত ড্ৰাগছসহ আটক মহিলা



অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ১৮ জুলাই ঃ** জুৰীয়া আৰক্ষী থানাৰ অধীনৰ বিভিন্ন অঞ্চলত প্ৰতিদিনাই আৰক্ষীয়ে চলাই আহিছে ড্ৰাগছবিৰোধী অভিযান। আজিও জুৰীয়া আৰক্ষীয়ে বাটমাৰী অঞ্চলত চলোৱা অভিযানত ড্ৰাগছ সৰবৰাহৰ লগত জড়িত এগৰাকী মহিলাক আটক কৰাৰ লগতে মহিলাগৰাকীৰ ঘৰৰ পৰা বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। আটকাধীন মহিলাগৰাকী মঞ্জুৱাৰা বেগম। উল্লেখ্য যে মহিলাগৰাকীয়ে স্বামী শ্বৰিফুল হকৰ স'তে মিলি দীৰ্ঘদিন ধৰি ড্ৰাগছৰ অবৈধ বেহা চলাই আহিছিল। আৰক্ষীয়ে মহিলাগৰাকীৰ বাসগৃহত অভিযান চলাই এটা পুতলাৰ ভিতৰত কৌশলেৰে ভৰাই থোৱা অৱস্থাত এটা পেকেটভৰ্তি ড্ৰাগছ আৰক্ষীয়ে জব্দ কৰাৰ লগতে নগদ ধনো জব্দ কৰে। অৱশ্যে ধৃত মহিলাগৰাকীৰ স্বামী শ্বৰিফুলক আৰক্ষীয়ে আটক কৰাত ব্যৰ্থ হয়। বৰ্তমান আৰক্ষীয়ে ধৃত মহিলাগৰাকীক জেৰা অব্যাহত ৰাখিছে।

## ডিমৌ নদীত ওপঙি থকা অৱস্থাত উদ্ধাৰ মৃতদেহ

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১৮ জুলাইঃ** আজি পুৱা ডিমৌ নৈত ওপঙি থকা অৱস্থাত উদ্ধাৰ হয় এজন লোকৰ মৃতদেহ। পুৱা ১০ বজাত দিখাৰী চাহ বাগিচাৰ দাঁতিৰ ডিমৌ নদীৰ ওপৰত থকা এডাল বাঁহৰ সাঁকোত প্ৰায় ৫০ উৰ্দ্ধৰ এজন ব্যক্তিৰ মৃতদেহ লাগি থকা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। স্থানীয় ৰাইজে নদীত উদ্ধাৰ কৰা লোকজন দিখাৰী চাহ বাগিচাৰ চাৰি নম্বৰ লাইনৰ অখিন্দৰ তাঁতী বুলি চিনাক্ত কৰে। তথ্য মতে, আজি পুৱা বজাৰলৈ যাওঁ বুলি ঘৰৰ পৰা মৃত তাঁতী ওলাই গৈছিল। আৰু কিছু সময়ৰ পাছতে ঘৰৰ নিলগত ডিমৌ নদীত ৰহস্যজনকভাৱে উদ্ধাৰ হয় তাঁতীৰ মৃতদেহ। ইফালে, বজাৰলৈ যাওঁ বুলি কৈ ঘৰৰ পৰা ওলাই যোৱা তাঁতীৰ মৃতদেহ কি পৰিস্থিতিত আৰু কেনেকৈ নদীত উদ্ধাৰ হ'ল সেয়া বৰ্তমানেও ৰহস্যৰ আঁৰত।

## মৰাণত দুৰ্ঘটনাত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৮ জুলাই ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ নগৰৰ মাজমজিয়াত যোৱা নিশা প্ৰায় দুই বজাত সংঘটিত হয় এক শোকাৱহ পথ দুৰ্ঘটনা। পথ দুৰ্ঘটনাটোত থিতাতে মৃত্যু হয় মৰাণ ঠাকুৰবাৰীৰ বিনোদ দাস (৩২) নামৰ লোকজন। লোকজনে গাড়ীৰে নিয়ন্ত্ৰণ হেৰুৱাই এটা বিদ্যুতৰ খুটাত খুন্দা মাৰে। দাসে সুৰামত্ত হৈ গাড়ী চলোৱাৰ সন্দেহ কৰা হৈছে। কিয়নো গাড়ীখনত উদ্ধাৰ হৈছে মদৰ বটল। মৃত্যুৰ সময়ত বিনোদ দাসে মাতৃ, পত্নীৰ লগতে দুটা সন্তানক ইহ সংসাৰত এৰি গৈছে।

## পানী-যুঁৱলিত অচিনাক্ত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**বিহালী, ১৮ জুলাই ঃ** বৰগাং আৰক্ষী চকীৰ অন্তৰ্গত বৰভীল চাহ বাগিচাৰ ১০ নম্বৰ লাইনৰ কাষৰ বৰগাং নদীৰ পানী যুঁৱলিত আজি এটা মৃতদেহ উদ্ধাৰ হয়। বৰগাং আৰক্ষী চকীৰ প্ৰভাৰী বুছিং বে'ই জনোৱা মতে, আজি প্ৰায় ১১-০০ বজাত বিহালীৰ বৰভীল চাহ বাগিচাৰ ১০ নম্বৰ লাইনৰ এজন প্ৰত্যক্ষদৰ্শীয়ে আৰক্ষীক খবৰ দিয়াত বৰগাং আৰক্ষী সেই স্থানত উপস্থিত হৈ প্ৰায় ৩০-৩৫ বছৰীয়া মহিলাৰ মৃতদেহটো উদ্ধাৰ কৰে।

## শালনা নিজৰিবস্তিত বন্যহস্তীৰ আক্ৰমণত বৃদ্ধ নিহত

অগ্ৰদূত বাৰ্তা

**চামগুৰি/কলিয়াবৰ, ১৮ জুলাই ঃ** নগাঁও জিলাৰ শালনা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ নিজৰিবস্তিত যোৱা নিশা বনৰীয়া হাতীৰ আক্ৰমণত এজন বৃদ্ধৰ মৃত্যু হয়। নিজৰ ঘৰৰ পিছফালে বনৰীয়া হাতীৰ আক্ৰমণত বৃদ্ধজনৰ মৃত্যু হোৱাত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। শালবাৰী খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ উত্তৰ ডিজু সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা উন্মত হাতীটোৱে ইনতাজ আলী (৬৫) নামৰ লোকজনক ভৰিৰে গছকি নিহত কৰে। নিশা ১০-৩০ বজাত লোকজন ঘৰৰ বাহিৰলৈ যাওঁতে বন্যহস্তীয়ে তেওঁক অক্ৰমণ কৰে বুলি বন বিভাগৰ সূত্ৰে প্ৰকাশ। নিশাই বন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈ লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰে। আজি মৃতদেহটো মৰণোত্তৰ পৰীক্ষা কৰি পৰিয়ালক গতাই দিয়ে।

### সময়তে কৰ্তৃপক্ষক নিদিয়ে বেতন

## পাটাছাৰকুছিত বিদ্যুৎ সংযোগ কৰ্তন কৰি কৰ্মচাৰীৰ প্ৰতিবাদ

**পাটাছাৰকুছি, ১৮ জুলাইঃ** ঠিকাভিত্তিক কাম কৰি সময়মতে দৰমহা নোপোৱাত আজি পুৱাৰে পৰা পাটাছাৰকুছিকে ধৰি এক বৃহৎ অঞ্চলত বিদ্যুৎ কৰ্তন কৰি ভালুকীস্থিত পাটাছাকুছি শক্তি উপ-কেন্দ্ৰটোৰ কৰ্মচাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰাত পাটাছাৰকুছিৰ বিভিন্ন অঞ্চলত ব্যাহত হৈ পৰে বিদ্যুৎ যোগান। উৎকট গৰমত এনেদৰে বহু সময় বিদ্যুৎ যোগান বন্ধ ৰখাত অঞ্চলটোৰ গ্ৰাহকসকল সমস্যাৰ সন্মুখীন হয়। প্ৰায় দুই-তিনি ঘন্টা ধৰি বিদ্যুৎ যোগান ব্যাহত হোৱাৰ পাছত সংশ্লিষ্ট ঠিকাদাৰ আহি ছগৰাকী কৰ্মচাৰীৰ লগত আলোচনা কৰি কাইলৈ পাব লগা দৰমহা আদায় দিবলৈ মান্তি হোৱাত কৰ্মচাৰীসকলে বিদ্যুৎ যোগান পুনৰ আৰম্ভ কৰে।

## লক্ষীপুৰত ভূমিকেন্দ্ৰিক সংঘাত ঃ প্ৰাণ গ'ল ভ্ৰাতৃৰ

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ১৮ জুলাই ঃ** গোৱালপাৰাৰ লক্ষীপুৰ আৰক্ষী থানাৰ সোনামৈ গাঁৱত আজি পুৱা ৮-৩০ বজাত সংঘটিত হয় এক নিৰ্মম হত্যাকাণ্ডৰ ঘটনা। পৈতৃক ভূমি-সম্পত্তি কেন্দ্ৰিক সংঘাততে ককায়েকে প্ৰাণ ল'লে ভ্ৰাতৃৰ। লোকজন আবুল খায়েৰ (৫৫)। মৃতকৰ পৰিয়ালে উত্থাপন কৰা অভিযোগ মতে, ককায়েক আব্দুল মান্নান আকন্দেৰে ভূমি সম্পত্তিক লৈ ভ্ৰাতৃ আবুল খায়েৰৰ মাজত দীৰ্ঘদিনৰ পৰা চলি আছিল সংঘাত। একমাত্ৰ সেই ভূমি-সম্পত্তি সংঘাতৰ দাবানলে যেন আজি পুৱাৰ ভাগত চূড়ান্ত ৰূপ দিলে নিষ্ঠুৰ ককায়েক আকন্দে। শিক্ষকতা বৃত্তিত নিয়োজিত আকন্দ আৰু ভ্ৰাতৃ খায়েৰৰ দুই পৰিয়ালৰ মাজত প্ৰথমতে কাজিয়াৰ সৃষ্টি হয়। পাছত আকন্দৰ পৰিয়ালে খায়েৰৰ পৰিয়ালৰ ওপৰত খৰ্গহস্ত হৈ প্ৰাণে মৰাৰ আক্ৰমণ চলায়। আক্ৰমণকাৰীয়ে বিশেষকৈ খায়েৰক লক্ষ্য কৰি তেওঁৰ বুকু আৰু অণ্ডকোষত নিৰ্মমভাৱে আঘাত কৰি তৎমুহূৰ্তত ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইপিনে, লগে লগে সংজ্ঞাহীন হৈ পৰা খায়েৰক পৰিয়ালৰ লোকে ততাতৈয়াকৈ লক্ষীপুৰ মহকুমা স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও চিকিৎসকে ইতিপূৰ্বে মৃত্যু ঘটা বুলি প্ৰকাশ কৰে। এই খবৰ পাই শোকগ্ৰস্ত পৰিয়ালৰ লোকে লগে লগে ঘটনাৰ সবিশেষ লক্ষীপুৰ আৰক্ষীক অৱগত কৰে। লগতে মৃতকৰ পৰিয়ালে আব্দুল মান্নান আকন্দ, পত্নী কুসুমা খাতুন, পুত্ৰ দুলাল আকন্দ, আব্দুল কায়ম আল আমিন আকন্দ, আল জাকাৰিয়া আৰু জীয়ৰী আঞ্জুৱা বেগমৰ বিৰুদ্ধে লক্ষীপুৰ থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণৰ ব্যৱস্থা কৰে। লগতে বৰ্তমান পলাতক অভিযুক্তৰ সন্ধানত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শান্তি বৰিৰ নৃত্য-খোল-বাদ্যই আকৰ্ষণ কৰিছে দৃষ্টি

অগ্ৰদূত বাৰ্তা



**লখিমপুৰ, ১৮ জুলাই ঃ** ল'ৰালি কালৰে পৰা শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সাধক তথা নৃত্য বিশাৰদ হিচাপে সেৱা আগবঢ়াই অহাসকলৰ ভিতৰত শান্তি বৰি অন্যতম। লখিমপুৰ নাওবৈচা সমষ্টিৰ ডিজু পঞ্চায়তৰ অন্তৰ্গত এক নম্বৰ পাঁচনৈৰ উজনিৰ বাসিন্দা, মিচিং জনগোষ্ঠীয় চামুগুৰীয়া সম্প্ৰদায়ৰ শান্তি বৰি একাধাৰে নৃত্য বিশাৰদ বিশেষকৈ সূত্ৰধাৰী নৃত্যত পাৰ্গত হোৱাৰ উপৰি বৰগীত, ভাওনাৰ যিকোনো চৰিত্ৰৰ ভাওৰীয়া যুদ্ধ বিগ্ৰহৰ খোলৰ ছেও তথা খোল বাদ্যৰ পাৰ্গতালিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংস্কৃতিৰ শাখাৰ দিশত বিপুল বৰঙণি আগবঢ়াই আহিছে। উল্লেখ্য যে নাওবৈচা সমষ্টিৰ এখন পিছপৰা ঠাইৰ পৰা বহু কষ্ট ত্যাগৰ বিনিময়ত গুৰুজনাৰ প্ৰতি একান্ত আনুগত্য তথা প্ৰৱল ইচ্ছাশক্তিৰ বাবেই ৰঙা নৈপৰীয়া শান্তি বৰিয়ে ৰ'দ-বৰষুণক নেওচি, বোকা-পানী খচি এনে এক পৰ্যায়লৈ উন্নীত হ'বলৈ সক্ষম হৈছে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান কৰ্মশালা তথা শিক্ষাগুৰুৰ পৰা শিক্ষা আহৰণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিদ্যাপীঠৰ পৰা নৃত্য বিশাৰদ ডিগ্ৰী লাভ কৰে। আনহাতে, লক্ষীৰাম শইকীয়া বাপ জনাৰ ওচৰত তেওঁ খোল বাদ্য শিক্ষা আহৰণ কৰে। পিতৃ মেঘেশ্বৰী বৰি আৰু মাতৃ ৰঙেশ্বৰী বৰিৰ মাজু পুত্ৰ শান্তি বৰিয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সাধক হিচাপে অনাগত সময়ছোৱাত কাম কৰি যাব বুলি সদৰী কৰে। মিচিং জনগোষ্ঠীৰ নিজৰ বৈচিত্ৰ্যময় কলা- সংস্কৃতি থকাৰ উপৰি শংকৰী সংস্কৃতিয়ে কেনেদৰে আকৰ্ষণ কৰিলে বুলি এক প্ৰশ্নৰ উত্তৰত বৰিয়ে কয়— জগত গুৰুজনাৰ যি আদৰ্শ কলা-সংস্কৃতি ই গোটেই পৃথিৱীতে বিৰল। এনে এক বিশ্বমুখী মহান আদৰ্শৰ এজন সেৱক হ'ব পৰাতো জীৱনৰ অন্য এক আশীৰ্বাদ তথা সাৰ্থকতা বুলি ভাবিছো। দুটি সন্তানৰ পিতৃ বৰিয়ে জীৱনৰ বহু ঘাত-প্ৰতিঘাতৰ মাজত নিজৰ একনিষ্ঠ সাধনাৰ বলত শ্ৰীমন্ত শংকৰদেৱৰ সংঘ তথা সমাজৰ আন ১০ জনৰ প্ৰেৰণাৰ উৎস হৈ ৰৈছে।

## শাওণৰ প্ৰথমটো সোমবাৰত সৰ্ববৃহৎ লিংগাকাৰ মহামৃত্যুঞ্জয় মন্দিৰত ভক্তৰ ভিৰ

বিশেষ সংবাদদাতা



**নগাঁও, ১৮ জুলাই ঃ** আজি শাওণৰ প্ৰথমটো সোমবাৰ। এই সোমবাৰত ৰাজ্য বিভিন্ন শিৱ মন্দিৰসমূহৰ লগতে পুৰণিগুদাম ভেৰভেৰীস্থিত বিশ্বৰ সৰ্ববৃহৎ লিংগাকাৰ মহামৃত্যুঞ্জয় মন্দিৰ প্ৰাংগণত পুৰতি নিশাৰ পৰাই ভিৰ কৰেহি অগণন ভক্তই। বিশেষকৈ শাওণ মাহটো মহাদেৱৰ শিৱৰ মাহ বুলি জনা যায়। এই মাহত শিৱক আৰাধনা কৰিলে শিৱ সোনকালে সন্তুষ্ট হোৱাৰ লগতে ফল লাভ কৰে বুলি ভক্তসকলৰ এটা বিশ্বাস আছে। এই বিশ্বাসক সাৰোগত কৰি যুগ যুগ ধৰি চলি আহিছে শাওণত মহাদেৱৰ (শিৱ)ৰ পূজা অৰ্চনা। এই শাওণৰ প্ৰতিটো সোমবাৰত ভক্তসকলে পালন কৰে ব'ল ব'ম উৎসৱ। এই ব'ল ব'ম উৎসৱত ভক্তসকলে বহু দূৰ খোজকাঢ়ি দেওবাৰৰ নিশাটো কলহত পানী আনি কোনো শিৱ মন্দিৰৰ শিৱ লিংগত ঢালে। বিশেষকৈ নিশাটো খোজকাঢ়ি কোনো পবিত্ৰ স্থানৰ পানী আনি কাহিলি পুৱাতে শিৱ মন্দিৰ পায়হি আৰু শিৱ মন্দিৰ খোলাৰ পাছতে শিৱ লিংগত পানী ঢালি পুৱা ঘৰমুৱা হয় ভক্তসকল। আজি শাওণৰ প্ৰথমটো সোমবাৰত বিশ্বৰ সৰ্ববৃহৎ মহা মৃত্যুঞ্জই মন্দিৰৰ শিৱ লিংগত ব'ল ব'মৰ পানী ঢালিবৰ বাবে শেষ নিশা তিনি বজাৰ পৰা অগণন ভক্তই শাৰি পাতি থাকি পুৱা শিৱ লিংগত পানী ঢালি ঘৰমুৱা হয়। অকল ব'ল ব'ম পালন কৰা ভক্তসকলেই নহয় মন্দিৰ প্ৰাংগণত আজি প্ৰখৰ ৰ'দকো নেওচি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হেজাৰ হেজাৰ লোকৰ সমাগম হয়। শিৱক সন্তুষ্ট কৰাৰ উদ্দেশ্যে বহু মনোকামনা লৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তপ্ৰাণ লোকে চাকি, বন্তি, শৰাই দি মনোকামনা পূৰণৰ বাবে শিৱক আৰাধনা কৰে। প্ৰত্যেক দিনাই ভক্তপ্ৰাণ ৰাইজে উদুলি মুদুলি পৰিৱেশ সৃষ্টিকৰি থকা মন্দিৰটোত আজি শাওণৰ প্ৰথমটো সোমবাৰত এক উৎসৱ মুখৰ পৰিৱেশ বিৰাজ কৰে।

### উপাধ্যক্ষৰ বক্তব্যৰ প্ৰতিবাদত চৈকটা বাগিচাত প্ৰতিমূৰ্তি দাহ আটছাৰ

## নিগমৰ বাগিচা ব্যক্তিগতকৰণৰ বিৰুদ্ধে ক'লা বেজ পৰিধান কৰ্মচাৰীৰ



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১৮ জুলাই ঃ** অসম চাহ নিগমৰ অন্তৰ্গত বাগিচা ব্যক্তিগতকৰণৰ লগতে অনাদায় হৈ থকা প্ৰাপ্যৰ দাবীত পূৰ্বে ঘোষণা কৰা অনুসৰি আজিৰে পৰা চাহ কৰ্মচাৰী সংঘৰ বেনাৰৰ তলত কৰ্মচাৰীসকলে আন্দোলনৰ কাৰ্যসূচী হাতত লৈছে। আজি প্ৰতিখন বাগিচাৰ কৰ্মচাৰীয়ে কৰ্মস্থলত ক'লা বেজ পৰিধান কৰি কাম কৰে। উল্লেখনীয় যে চৰকাৰী খণ্ডত প্ৰতিষ্ঠিত অসম চাহ নিগমৰ বৰ্তমানৰ দুৰৱস্থাৰ দোহাই দি চৰকাৰে নিগমৰ অন্তৰ্গত বাগিচাসমূহ লিজত দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ তীব্ৰ বিৰোধিতা কৰিছে চাহ কৰ্মচাৰী সংঘই। চৰকাৰৰ এই সিদ্ধান্ত একপক্ষীয় আৰু ষড়যন্ত্ৰমূলক বুলি উল্লেখ কৰি সংগঠনটোৱে কয় যে ১৯৭২ৰ পৰাই এক লাভজনক অৱস্থাত থকা নিগমৰ বাগিচাসমূহে ২০০২ৰ পৰা বিভিন্ন কাৰণত লোকচানৰ সন্মুখীন হয়। কিন্তু নিগমৰ এনে অৱস্থাৰ অন্তৰালত কি আছে তাক বিচাৰি শুধৰণিৰ কোনো চেষ্টা নকৰাকৈ চৰকাৰে গ্ৰহণ কৰা এই সিদ্ধান্ত কোনো কাৰণতে মানি ল'ব নোৱাৰি। ইফালে, যোৱা ২২ বছৰে কৰ্মৰত শ্ৰমিকসকল একাধিক সমস্যাৰে জৰ্জৰিত। আজিৰ তাৰিখত প্ৰায় ৪০৫ কোটি টকাৰ গ্ৰেছ্যুইটি, ভৱিষ্যনিধি, ভ্ৰমণ ভাট্টা, ৰন্ধন গেছ, ৰেছন আদিৰ বকেয়া অনাদায় হৈ আছে। এই প্ৰাপ্যসমূহৰ ক্ষেত্ৰতো কোনো ধৰণৰ আলোচনা নকৰাকৈ চৰকাৰে গোপনে বাগিচা হস্তান্তৰকৰণ কৰিবলৈ লোৱা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি সংগঠনটোৱে পূৰ্বেই এলানি প্ৰতিবাদী কাৰ্যসূচীৰ ঘোষণা কৰি থৈছিল। ইফালে, আজি বাগিচা ব্যক্তিগতকৰণৰ লগতে নিগমৰ উপাধ্যক্ষৰ এক বক্তব্যক কেন্দ্ৰ কৰি চাহ জনজাতি ছাত্ৰ সন্থা, আটছাৰ প্ৰতিবাদত চৈকটা বাগিচা উত্তপ্ত হৈ পৰে। সংগঠনটোৰ চৈকটা গোটৰ সভাপতি প্ৰসেনজিৎ নায়কে কয় যে উপাধ্যক্ষই বাগিচা শ্ৰমিকৰ 'ৱৰ্ক কালচাৰ' নাই বুলি কৰা মন্তব্য নিন্দনীয়। লগতে বাগিচা ব্যক্তিগতকৰণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনাই আটছাই প্ৰতিমূৰ্তিও দাহ কৰে।

## বয়োজ্যেষ্ঠ মহিলা চম্পা শইকীয়াৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১৮ জুলাই ঃ** শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ ফাকুম নকটানি গাঁৱৰ ধৰ্মপ্ৰাণা বয়োজ্যেষ্ঠা মহিলা চম্পা শইকীয়া (৯৭)ৰ আজি নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। বৰমেধি প্ৰয়াত সোণাৰাম শইকীয়াৰ সহধৰ্মিণী চম্পা শইকীয়াৰ সহজ-সৰল স্বভাৱে সকলোৰে অন্তৰ জয় কৰাৰ উপৰি জীৱিত কালছোৱাত একাগ্ৰতাৰে বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ স'তে জড়িত হৈ পৰিছিল। ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোৰ আধ্যাত্মিক দিশত প্ৰচুৰ ক্ষতি কৰা বুলি শুভাকাংক্ষী ৰাইজে দুখ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। অমায়িক স্বভাৱৰ ধৰ্মপ্ৰাণা মহিলাগৰাকীয়ে মৃত্যুৰ সময়ত পাঁচজন শিক্ষিত পুত্ৰ আৰু এগৰাকী কন্যাকে ধৰি বহুকেইটি নাতি-নাতিনীক এৰি গৈছে ইহ সংসাৰত।

## গীতিকাৰ-সুৰকাৰ সুধীৰ দাসৰ বাংগালুৰুত মৃত্যু

বিশেষ সংবাদদাতা

**বৰপেটা, ১৮ জুলাই ঃ** সুৰকাৰ-গীতিকাৰ, শিল্পী বৰপেটা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুধীৰ চন্দ্ৰ দাস (৮২)ৰ কালি সন্ধিয়া বাংগালুৰুত দেহাৱসান ঘটে। বৰপেটা চহৰৰ মেটুৱাকুছি নিবাসী দাসে বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰি সংগীত চৰ্চাত লাগি আছিল। গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ দাসে গীতো পৰিৱেশন কৰিছিল। এসময়ত তেওঁ ড° ভূপেন হাজৰিকাৰ লগত তবলা সংগত কৰিছিল। প্ৰায় দুবছৰ ধৰি বাংগালুৰুত পুত্ৰৰ স'তে থকা দাসে পাছত কালি আবেলি অসুস্থ হৈ পৰাত চিকিৎসালয়ত ভৰ্তি কৰে যদিও সন্ধিয়া মৃত বুলি ঘোষণা কৰে। নিশা বাংগালুৰুত তেওঁৰ শেষকৃত্য সম্পন্ন কৰে। পুত্ৰৰ স'তে পিতৃ-মাতৃ একেলগে আছিল যদিও দুমাহ পূৰ্বে দাসৰ পত্নী বৰপেটালৈ আহিছিল। শিল্পীজনৰ মৃত্যুত বৰপেটা সাহিত্য সভা, বৰপেটা লেখিকা সমাৰোহ সমিতি, বৰপেটা প্ৰেছ ক্লাবৰ উপৰি অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক গোবিন্দ গায়ন, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক কৃষ্ণকান্ত দাস, খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমৰ বৰপেটা জিলা সমিতিৰ সচিব সঞ্জীৱ ওজা, আছুৰ প্ৰাক্তন সতীৰ্থ সন্মিলনৰ বৰপেটা জিলা সমিতিৰ সম্পাদক সত্যেন্দ্ৰ নাথ দাস, বৰপেটা মহকুমা ছাত্ৰ সন্থাৰ সভাপতি কুমাৰ দীপক দাস, বৰপেটা আঞ্চলিক ছাত্ৰ সন্থা আদি দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰে।

## মাকুম বাইপাছত ড্ৰাগছসহ আটক চাৰি

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ১৮ জুলাই ঃ** মাকুম বাইপাছত তিনিচুকীয়া আৰক্ষীয়ে বিশেষ খবৰৰ ভিত্তিত অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ চাৰিজনক আটক কৰিছে। প্ৰায় এক কেজি ওজনৰ ড্ৰাগছখিনি মাকুম বাইপাছত বিক্ৰীৰ বাবে লৈ আহিছিল আটকাধীন ড্ৰাগছ সৰবৰাহকাৰীৰ দলটোৱে। আটকাধীন ড্ৰাগছ সৰবৰাহকাৰী কেইজন পানীতোলাৰ পৰাগজ্যোতি বৰা, ধন্ত বৰাসহ ডিব্ৰুগড়ৰ স্মাইল আলী আৰু কাজী ফাৰুক। ইফালে, অভিযানৰ সময়ত ড্ৰাগছ সৰবৰাহত ব্যৱহৃত এ এছ-০৬ এম-০০৩০ নম্বৰৰ এখন ছুইফট গাড়ীও জব্দ কৰিছে তিনিচুকীয়া আৰক্ষীয়ে। ইতিমধ্যে তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰাগজ্যোতি বুঢ়াগোহাঁইৰ লগতে মাকুম আৰক্ষীয়ে অধিক তথ্যৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে তিনিচুকীয়া জিলাত আৰক্ষী অধীক্ষক দেৱজিত দেউৰীৰ নেতৃত্বত ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰাখিছে। জিলাখনৰ বিভিন্ন ঠাইত বিগত সময়ছোৱাত বহুকেইজন ড্ৰাগছ বেপাৰী ড্ৰাগছসহ গ্ৰেপ্তাৰ হৈছে।

### জামুগুৰিহাটত বহু পথাৰ ছন পৰাৰ আশংকা

## শাওণৰ পথাৰত ৰুৱলৈ নাই কঠীয়া



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১৮ জুলাই ঃ** জামুগুৰিহাটৰ বহু কৃষি পথাৰ এইবাৰ ছন পৰাৰ শংকাই দেখা দিছে। কিয়নো শাওণৰ পথাৰত জামুগুৰিহাটৰ বহু কৃষি পথাৰত ৰুবলৈ নাই কঠীয়া। জেঠত কঠীয়া ডাঙৰ হোৱাৰ সময়ত এইবাৰ বৰষুণৰ পৰিমাণ বৃদ্ধি হোৱাৰ ফলত বহু স্থানত সিঁচা কঠীয়া পানীৰ তলত বুৰ গৈ মৰাৰ ফলত কঠীয়াই নাটনি দেখা দিছে কৃষকৰ মাজত। অঞ্চলটোৰ বৰপথাৰ, চকীঘাট পথাৰকে ধৰি বহু পথাৰত কৃষকে এতিয়া কঠীয়াৰ অভাৱৰ বাবেই খেতি কৰিব নোৱাৰি চিন্তিত হৈ পৰিছে। ইফালে, যিসমূহ পথাৰত কৃষকে ইতিমধ্যে ৰোপণ কাৰ্য সম্পন্ন কৰিছে সেইসমূহ পথাৰতো সূৰ্য প্ৰখৰ তাপৰ বাবে পানী শুকাবলৈ যোৱাত চিন্তিত হৈ পৰিছে চহা খেতিয়কসকল। গভীৰ শংকা আৰু অনিশ্চয়তাত ভোগা এইসকল কৃষকক ৰাজ্যৰ কৃষি বিভাগৰ ফালৰ পৰা কঠীয়াৰ যোগান ধৰি ধান খেতি ডৰা কৰাত সহযোগিতা আগবঢ়াবলৈ কৃষক ৰাইজে দাবী জনাইছে।

## নেলীত পদুমফুল ছিঙিবলৈ গৈ সলিল সমাধি

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ১৮ জুলাইঃ** মৰিগাঁও জিলাৰ নেলী আৰক্ষী চকীৰ অন্তৰ্গত গোপাল কৃষ্ণ চাহ বাগিচাৰ এটা পুখুৰীত পৰি আজি পুৱাৰ ভাগত এজন লোকৰ মৃত্যু হয়। অৰ্পণ চৌধুৰী নামৰ লোকজনে মনসা পূজাৰ বাবে পুৱাৰ ভাগত ঘৰৰ পৰা পদুমফুল আনিবলৈ গৈছিল। পদুমফুল ছিঙিবলৈ পুখুৰীলৈ নামি যোৱা অৰ্পণ চৌধুৰী (৬০) নামৰ লোকজনে পুখুৰীটোৰ দ' ঠাইত পৰি যোৱা বাবে মৃত্যু হয় বুলি স্থানীয় লোকে জানিবলৈ দিছে। গোপাল কৃষ্ণ চাহ বাগিচাৰ নেলী ডিভিজনৰ মাজত থকা পুখুৰীটোত দুপৰীয়া এজন লোকে মৃতদেহটো ওপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। ইয়াৰ পাছতে নেলী আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## আজাৰাৰ মনসা পূজাত হেজাৰ হেজাৰ ভক্তৰ সমাগম



অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৮ জুলাই ঃ** আজাৰাৰ কেওটপাৰা শ্ৰীমনসা দেৱী মন্দিৰত কালিৰে পৰা আৰম্ভ হোৱা শ্ৰীশ্ৰীমনসা পূজাৰ আজি দ্বিতীয় দিনা হেজাৰ হেজাৰ ভক্তৰ সমাগম হয়। স্থানীয় তথা দূৰ-দূৰণিৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত সমগ্ৰ পূজাস্থলীত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে ঐতিহাসিক আজাৰা কেওটপাৰা শ্ৰীশ্ৰীমনসা দেৱী মন্দিৰত কাইলৈৰ পৰা পাঁচদিনীয়াকৈ আৰম্ভ হোৱা শ্ৰীশ্ৰীমনসা পূজাৰ আজি দ্বিতীয় দিন। কালি সন্ধিয়া প্ৰতিমা স্থাপন, অধিবাস, ওজাপালি আৰু দেওধা নাচ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছত আজি দ্বিতীয় দিনা নাগ পঞ্চমী উপলক্ষে পুৱাৰ পৰাই পূজাস্থলীলৈ স্থানীয় ৰাইজৰ লগতে দূৰ-দূৰণিৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ আগমন ঘটিছে। এফালে ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে পূজাৰ কাৰ্যসূচী, আনফালে দোকান-পোহাৰ আৰু মেলাৰ সংমিশ্ৰণে সমগ্ৰ অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। পূজাৰকেইদিন নিতৌ ধৰ্মীয় অনুষ্ঠানৰ লগতে দেওধা নাচ, ওজাপালি, আৰতি, ঘোষানাম আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। শেষৰ দিনা নিশা সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

## নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত কাইলৈ উন্মোচন কৰা হ'ব মাইলছ ব্ৰনছনৰ প্ৰতিমূৰ্তি

বিশেষ সংবাদদাতা

**নগাঁও, ১৮ জুলাই ঃ** অসমীয়া ভাষা সাহিত্যৰ উত্তৰণৰ এগৰাকী অন্যতম কাণ্ডাৰী মিছনেৰী পণ্ডিত মাইলছ ব্ৰনছনৰ এটি প্ৰতিমূৰ্তি অহা ২০ জুলাইত নগাঁৱত উন্মোচন কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তীৰ শুভ ক্ষণত জিলা সাহিত্য সভাৰ উদ্যোগত নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সাংসদ উন্নয়ন পুঁজিৰে শিল্পী লক্ষ্যজিৎ বৰাই নগাঁও ব্যপ্তিষ্ট মিছনেৰী গিৰ্জা প্ৰাংগণত নিৰ্মাণ কৰি উলিওৱা এই প্ৰতিমূৰ্তিভাগ উন্মোচনৰ লগতে এখন উদ্যানো মুকলি কৰা উপলক্ষে সেইদিনা উক্ত স্থানতে দিনৰ ১০-৩০ বজাত জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ লগতে তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰবক্তা প্ৰশান্ত দাস উপস্থিত থাকিব। একেটা অনুষ্ঠানতে বিশিষ্ট লেখক পৰাণ কুমাৰ বৰুৱাৰ 'মাইলছ ব্ৰনছন আৰু অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম', ড° থুনু কলিতাৰ 'আইতাৰ জোনাকী চোতাল আৰু তৰা জিলমিল', ড° দিনেশ হাজৰিকাৰ 'কৃষি ব্যৱস্থাপনা খাদ্য আৰু অন্যান্য', স্বপ্না কলিতাৰ 'দ্বাদশ জ্যোতি লিংগ আৰু সপ্তপুৰী' আৰু স্মৃতা কলিতাৰ 'ওপজা গাঁৱৰ চিনাকি ছবি' গ্ৰন্থকেইখন উন্মোচন কৰা হ'ব। সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই উক্ত অনুষ্ঠানত সকলোৰে উপস্থিতি বিনম্ৰতাৰে কামনা কৰিছে।

## পৰিৱেশ সংৰক্ষণৰ স্বাৰ্থত নলবাৰী কৃষি কাৰ্যালয়ত বৃক্ষৰোপণ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৮ জুলাইঃ** সেউজ পৃথিৱী গঢ় দিয়া তথা পৰিৱেশ সংৰক্ষণৰ চেষ্টাৰে আজি মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ অধীনত নলবাৰী জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত বৃক্ষৰোপণ কৰা হয়। উল্লেখ্য যে এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত জিলা কৃষি বিষয়া হবিবুল হক, সহকাৰী কৃষি সঞ্চালক যোগেশ্বৰ ৰাজমেধি, মহকুমা কৃষি বিষয়া কুমুদ হালৈ, আৰু অন্যান্য বিষয়াসকলে একোটাকৈ বৃক্ষৰোপণ কৰে। উল্লেখনীয় যে জিলা কৃষি বিষয়া কাৰ্যালয় চৌহদত অৰ্জুন, বকুল, মহানিম, কঁঠাল আদি কে'বাটাও মূল্যবান গছপুলি ৰোপণ কৰা হয়। ইফালে, জিলা সদৰৰ লগতে বৰক্ষেত্ৰী মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়তো বৃক্ষৰোপণ আৰম্ভণি কৰা হয়। ইয়াৰ উপৰি জিলাখনৰ সাতটা খণ্ড সমল কেন্দ্ৰ পূব নলবাৰী, পশ্চিম নলবাৰী, মধুপুৰ, বড়িগোগ বনভাগ, বৰভাগ, বৰক্ষেত্ৰী, টিহু আদিতো মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ অধীনত ১৫ আগষ্টৰ ভিতৰত বৃক্ষৰোপণ কৰা হ'ব। কেৱল গছপুলি ৰোপণ কৰিলেই নহ'ব ভালকৈ প্ৰতিপাল কৰিবৰ বাবে সকলোকে অনুৰোধ জনোৱাৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেষ্টাক শলাগ লয় জিলা কৃষি বিষয়া হবিবুল হকে।

# প্ৰথম অসম যুৱ অলিম্পিক গেমছৰ প্ৰস্তুতি তুংগত

## গুৱাহাটীত খেল হোৱাৰ পাছতো জি এছ এৰ হতাশজনক ভূমিকা

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ১৮ জুলাই ঃ** অহা ২২ ৰ পৰা ২৭ জুলাইলৈ অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগিতাত প্ৰথমবাৰৰ বাবে গুৱাহাটীত আয়োজন কৰি লগা অসম যুৱ অলিম্পিক গেমছৰ প্ৰস্তুতি অন্তিম পৰ্যায়ত উপনীত হৈছে। অসম অলিম্পিক সন্থাই আয়োজনত কোনো সুৰুঙা নৰখাকৈ ৰাজ্যৰ ক্ৰীড়াৰ নতুন প্ৰতিভা আবিষ্কাৰ কৰাৰ লক্ষ্যৰে প্ৰথম অসম যুৱ অলিম্পিক গেমছ সফলতাৰে অনুষ্ঠিত কৰাত দিনে-নিশাই কাম কৰিছে যদিও গুৱাহাটী ক্ৰীড়া সন্থাৰ অসহযোগিতাৰ দিশতো ক্ৰীড়াপ্ৰেমীৰ দৃষ্টিত লজ্জাজনকভাবে ধৰা পৰিছে। উল্লেখ্য যে ৰাজ্যিক প্ৰতিযোগিতাখন গুৱাহাটীত অনুষ্ঠিত হোৱাৰ বাবে স্বাভাৱিকতে অসম অলিম্পিক সন্থাক এশ শতাংশ সহযোগ কৰিব লাগিছিল গুৱাহাটী ক্ৰীড়া সন্থাই। কিন্তু জি এছ এৰ গা এৰা মনোভাবে ক্ৰীড়াপ্ৰেমীক হতাশ কৰি তুলিছে। অৱশ্যে তাৰপাছতো অসম অলিম্পিক সন্থাই পৰ্যায়ক্ৰমে প্ৰতিটো দিশ সমাধা কৰি গৈছে। 'আমি গুৱাহাটীৰ পৰিবৰ্তে ৰাজ্যৰ অন্য জিলাত অসম যুৱ অলিম্পিক গেমছ আয়োজন কৰিলে স্থানীয় আয়োজক জিলাখনৰ পৰা প্ৰত্যাসিত সহযোগ লাভ কৰিলোহেতেন। কিন্তু গুৱাহাটীত আশা কৰা সহাৰি পোৱা নাই।' অসম অলিম্পিক সন্থাৰ এগৰাকী শীৰ্ষ সংগঠকে আজি আক্ষেপেৰে এই কথা ব্যক্ত কৰে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে হ'বলগা ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতাখনত ৩৫ খন জিলাৰ প্ৰায় ৪৫০০ খেলুৱৈয়ে অংশ ল'ব। অসম যুৱ অলিম্পিক মুঠ ৩১ বিধ খেল অন্তৰ্ভুক্ত কৰিছে অসম অলিম্পিক সন্থাই। গুৱাহাটীৰ মুঠ ১০ টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব অসম যুৱ অলিম্পিক গেমছ।





## যোৰহাট জিলা ক্লাব কাৰাটে প্ৰতিযোগিতা

**যোৰহাট, ১৮ জুলাই ঃ** যোৰহাট জিলা আন্ত:ক্লাৱ কাৰাটে প্ৰতিযোগিতাখনি অহা ৩০ আৰু ৩১ জুলাইত অনুষ্ঠিত হ'ব। জিলাখনৰ স্বীকৃতিপ্ৰাপ্ত ক্লাৱসমুহৰ মাজত অনুষ্ঠিত হ'ব এই প্ৰতিযোগিতা। ইচ্ছুকসকলে যোৰহাট জিলা কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক ৰবীন শইকীয়া আৰু খেল পৰিচালকৰ আহ্বায়ক বিজয় বৰাৰ সৈতে ৯৪৩৫০৫১৮৩৩ অথবা ৯৪৩৫৫৮৫৪৭৭ নম্বৰত সবিশেষ জানিবলৈ যোগাযোগ কৰিব পাৰিব।

## বিশ্বকাপ শ্যুটিঙত ভাৰতৰ মৈৰাজ আহমেদ খানৰ স্বৰ্ণ পদক

**নতুন দিল্লী, ১৮ জুলাই ঃ** ভাৰতৰ প্ৰবীণ শ্যুটাৰ মৈৰাজ আহমেদ খানে আজি চলিত আই এছ এছ এফ বিশ্বকাপ শ্যুটিঙত স্বৰ্ণ পদক লাভ কৰি ইতিহাস সৃষ্টি কৰিছে। উল্লেখ্য যে পুৰুষৰ স্কীটত দেশৰ হৈ প্ৰথমবাৰৰ বাবে এই সফলতা লাভ কৰে মৈৰাজ আহমেদ খানে। পদক নিৰ্ণায়ক ৰাউণ্ডত ৪০ শ্বট কৰি ফাইনেলত উত্তৰ প্ৰদেশৰ ৪৬ বছৰীয়া মৈৰাজ আহমেদ খানে সোণ লাভ কৰে। ইফালে, ৩৭ শ্বট কৰি কোৰিয়াৰ মিনছু কিমে ৰূপ আৰু ব্ৰিটেইনৰ বেন লেৱেলিনে ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে ভাৰতীয় শ্যুটাৰজনে যোগ্যতা অৰ্জনৰ দুদিনৰ ভিতৰত ১১৯,।১২৫ শ্বট দিয়াৰ পূৰ্বে তেওঁৰ প্ৰথম ব্যক্তিগত সোণৰ ৰূপত পাঁচমুখী শ্যুট অফত আহিছিল। চলিত বৰ্ষত চাংৱনত ভাৰতীয় দলটোৰ আটাইতকৈ বয়সস্থ সদস্য হিচাপে পৰিগণিত হোৱা দুবাৰৰ অলিম্পিয়ানগৰাকীয়ে ২০১৬ ত ৰিঅ' ডি জেনেইৰ'ত অনুষ্ঠিত বিশ্বকাপতো ৰূপৰ পদক লাভ কৰিছিল। চলিত আই এছ এছ এফ বিশ্বকাপ শ্যুটিঙত ইয়াৰ পূৰ্বে মহিলাৰ ৫০ মিটাৰ ৰাইফল থ্ৰী প্ৰি দলীয় ইভেণ্টত ভাৰতৰ অঞ্জুম মৌদগিল, আশী চৌকছে আৰু ছিফট কৌৰে দলীয় ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ব্ৰঞ্জৰ পদকৰ খেলখনত ভাৰতীয় দলটোৱে অষ্ট্ৰিয়াৰ শ্বিলিন ৱাইবেল, নাডিন উংগেৰেংক, ৰেবেকা ক'কক ১৬-৬ ত পৰাস্ত কৰি প'ডিয়ামত স্থান লাভ কৰে।



## ইংলণ্ডৰ বিৰুদ্ধে শৃংখলা জয় কৰি এদিনীয়া ৰেংকিঙত উন্নীত টীম ইণ্ডিয়া

**ডুবাই, ১৮ জুলাই ঃ** ইংলেণ্ডৰ বিৰুদ্ধে ব্ৰিটিছৰ ভূমিত তিনিখনীয়া শৃংখলা জয়লাভ কৰাৰ পাছত ভাৰতীয় ক্ৰিকেট দলে শেহতীয়া আইচিচি এদিনীয়া দলীয় ৰেংকিঙত তৃতীয় স্থান দখল কৰিছে। উল্লেখ্য যে শৃংখলা নিৰ্ণায়ক তৃতীয় মেচত ঋষভ পণ্টৰ স্মৰণীয় প্ৰথম এদিনীয়া শতক আৰু হাৰ্দিক পাণ্ডিয়াৰ অলৰাউণ্ড বীৰত্বৰ ফলত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে পাঁচ উইকেটৰ চমকপ্ৰদ বিজয় অৰ্জন কৰে আৰু আলহী দলটোৱে ২-১ ৰ ব্যৱধানত তিনিখনীয়া শৃংখলা হস্তগত কৰিবলৈ সক্ষম হয়। এই সাফল্যৰ পাছত ১০৯ পইণ্ট ৰেটিংৰে ভাৰতে পাকিস্তান স্ক্স১০৬ৰগ্গতকৈ তিনি ৰেটিং পইণ্টৰ অধিক লাভ কৰিছে। উল্লেখ্য যে উইকেটৰক্ষক বেটাৰ ঋষভ পণ্টৰ অপৰাজিত ১২৫ ৰান আৰু হাৰ্দিক পাণ্ডিয়াৰ চমৎকাৰ অল ৰাউণ্ড প্ৰদৰ্শনে যোৱানিশা ওল্ড ট্ৰেফৰ্ডত অনুষ্ঠিত তৃতীয় তথা অন্তিম এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলত টীম ইণ্ডিয়াক ইংলেণ্ডৰ বিৰুদ্ধে পাঁচ উইকেটৰ জয়লাভ কৰাৰ লগতে ২-১ ৰ ব্যৱধানত শৃংখলা জয় সম্পূৰ্ণ কৰাত সহায় কৰে। এই মেচত চাৰিটা উইকেট দখল কৰা পাঁচজন খেলুৱৈৰ সন্মানীয় গ্ৰুপত প্ৰৱেশ কৰে পাণ্ডিয়াই। আইচিচি এদিনীয়া দলীয় ৰেংকিঙত ১২৮ ৰেটিং পইণ্টেৰে নিউজিলেণ্ডে শীৰ্ষস্থান দখল কৰি থকাৰ বিপৰীতে ইংলেণ্ডে ১২১ ৰেটিং পইণ্টেৰে দ্বিতীয় স্থানত আছে। কিন্তু অনাগত সপ্তাহত এই তালিকা পৰিৱৰ্তন হ'ব পাৰে কাৰণ বৰ্তমান পাকিস্তানৰ পিছত মাত্ৰ সাতটা ৰেটিং পইণ্টৰ পিছত ষষ্ঠ স্থানত থকা দক্ষিণ আফ্ৰিকাই ইংলেণ্ডৰ বিৰুদ্ধে আগন্তুক তিনিখন মেচৰ শৃংখলাটো দখল কৰিব পাৰিলে চতুৰ্থ স্থানলৈ উন্নীত হ'ব পাৰে। ইফালে, এই সপ্তাহৰ পৰা আৰম্ভ হ'বলগীয়া ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে তিনিখন মেচৰ শৃংখলাত ভাৰতে জয়ৰ ধাৰাবাহিকতা ৰক্ষা কৰিলে নিজৰ অগ্ৰগতি আৰু অধিক বৃদ্ধি কৰিব পাৰিব। পাকিস্তানৰ পৰৱৰ্তী এদিনীয়া শৃংখলা অহা মাহত নেদাৰলেণ্ডৰ বিৰুদ্ধে ৰটাৰডেমত খেলিব। বাবৰ আজমৰ দলটোৱে পাঁচ দিনৰ ভিতৰত ৫০ অভাৰৰ তিনিখন মেচ খেলাৰ কথা আছে।



## এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা বেন ষ্ট'কছৰ অৱসৰ ঘোষণা

**লণ্ডন, ১৮ জুলাই ঃ** ইংলণ্ড ক্ৰিকেট দলৰ সদস্য বেন ষ্ট'কছে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলৰ পৰা অৱসৰ ঘোষণা কৰিছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া শৃংখলাৰ প্ৰথমখন এদিনীয়া মেচৰ পিছতে ইংলেণ্ডৰ অলৰাউণ্ডাৰ বেন ষ্ট'কছে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেল ত্যাগ কৰিব বুলি দেশখনৰ ক্ৰিকেট ব'ৰ্ডে এক বিবৃতিত আজি প্ৰকাশ কৰিছে। ইফালে, এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ষ্ট'কছে কয় ' মঙলবাৰে এদিনীয়া ক্ৰিকেটত ইংলেণ্ডৰ হৈ অন্তিমখন খেল খেলিম। মই এই ফৰ্মেটৰ পৰা অৱসৰ লোৱাৰ সিদ্ধান্ত লৈছো। ইংলেণ্ডৰ হৈ মোৰ সতীৰ্থসকলৰ সৈতে খেলপথাৰত অতিবাহিত কৰা প্ৰতিটো মিনিট মই উপভোগ কৰিব পাইছো। কঠিন সময়ত প্ৰত্যাহ্বানৰ বাটত আমি এক অবিশ্বাস্য যাত্ৰা পাৰ কৰিছো।' ৩১ বছৰীয়া ক্ৰিকেটাৰগৰাকীয়ে লগতে কয় যে এতিয়া মোৰ বাবে তিনিটা ফৰ্মেটত খেলাটো সহজ হৈ থকা নাই। উল্লেখ্য যে যোৱা আই চি চি বিশ্বকাপত ইংলণ্ডক চেম্পিয়ন কৰোৱাত অলৰাউণ্ডাৰ বেন ষ্ট'কছৰ ভুমিকা আছিল অন্যতম।



## শৃংখলাৰ প্ৰথম টেষ্টত পাকিস্তানৰ বিৰুদ্ধে জয়লাভৰ আশা শ্ৰীলংকাৰ

**গল, ১৮ জুলাই ঃ** শ্ৰীলংকাই চলিত শৃংখলাৰ প্ৰথমখন টেষ্টত পাকিস্তানৰ বিৰুদ্ধে দৃঢ় স্থিতিত উপনীত হৈছে। উল্লেখ্য যে টেষ্টখনৰ আজি তৃতীয় দিনাৰ খেলৰ অন্তত শ্ৰীলংকাই দ্বিতীয় ইনিংছত নটা উইকেট হেৰুৱাই ৩২৯ ৰাণ কৰিছে আৰু ঘৰুৱা দলটো মুঠ ৩৩৩ ৰাণত অগ্ৰগতি লৈছে। এতিয়াও এটা উইকেট থকা শ্ৰীলংকাই কাইলৈ জয়ৰ সোৱাদ লোৱাৰ বাবে সাজু হৈছে। প্ৰথম ইনিংছত শ্ৰীলংকাৰ হৈ ৭৬ ৰাণ কৰা চন্দিমলে আজি দ্বিতীয় ইনিংছতো ৮৬ ৰাণ কৰি উইকেটত বেটিং কৰি আছে। আনহাতে, দলৰ হৈ কুশল মেণ্ডিছে ৭৬ আৰু ফাৰ্ণাণ্ডোৱে ৬৪ ৰাণ কৰে। পকিস্তানৰ হৈ মহম্মদ নাৱাজে পাঁচটা উইকেট দখল কৰে। উল্লেখ্য যে টেষ্টখনত শ্ৰীলংকাই প্ৰথম ইনিংছত ২২২ ৰাণ কৰাৰ প্ৰত্যুত্তৰত, পাকিস্তানে বাবৰ আজমৰ (১১৯ৰ শতক সত্ত্বেও ২১৮ ৰাণত প্ৰথম ইনিংছ সামৰে।



## ক্ৰীড়া পেঞ্চন-এককালীন সাহায্যৰ বাবে আবেদন আহ্বান

**ক্ৰীড়া বাৰ্তা**

**কমাৰবন্ধা, ১৮ জুলাই ঃ** ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যান বিভাগে অসমৰ স্থায়ী বাসিন্দা তথা অলিম্পিক গেমছ, এছিয়ান গেমছ, কমনৱেলথ গেমছ, বিশ্ব চেম্পিয়নশ্বিপ (অলিম্পিকৰ স্বীকৃতিপ্ৰাপ্ত খেলসমূহ) আৰু নেচনেল গেমছত পদক লাভ কৰা খেলুৱৈসকলক ক্ৰীড়া পেঞ্চন তথা এককালীন বিত্তীয় সাহায্য আৰু নিয়মীয়া ক্ৰীড়া পেঞ্চন প্ৰদান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি গোলাঘাট জিলাতো জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ত এনে খেলুৱৈসকলৰ তালিকা প্ৰস্তুত কৰি থকা হৈছে। পদক প্ৰাপকসকলক অহা ২৬ জুলাইৰ ভিতৰত পদক লাভৰ প্ৰমাণপত্ৰ, নিয়োগৰ স্থিতি উল্লেখ কৰি শপতনামা, বেংক পাচবুক, নিয়োগকৰ্তাই জাৰি কৰা পৰিচয় পত্ৰ (চৰকাৰী, অৰ্ধ চৰকাৰী, ব্যক্তিগত, অন্যান্যৰ ক্ষেত্ৰত প্ৰযোজ্য), ভোটাৰ পৰিচয় পত্ৰ আৰু স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰসহ জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ত যোগাযোগ কৰিবলৈ ক্ৰীড়া বিষয়াগৰাকীয়ে আহ্বান জনাইছে। উল্লেখ্য যে ২০২১-২২ বৰ্ষত ক্ৰীড়া পেঞ্চন আঁচনিৰ বাবে বাচনিভুক্ত হোৱা ক্ৰীড়াবিদসকলে পুনৰ ইয়াৰ বাবে আবেদন কৰিব নালাগে।

## যোৰহাট জিলা ক্ৰীড়া সন্থাৰ এ ডিভিজন ফুটবলত বৰভেটা স্পৰ্টছ ক্লাবৰ বৃহৎ জয়

**যোৰহাট, ১৮ জুলাই ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত চলি থকা এ ডিভিজন ফুটবল লীগৰ আজি অনুষ্ঠিত হোৱা এ গ্ৰুপৰ এখন খেলত বৰভেটা স্পৰ্টছ ক্লাবে গোহাঁই টেকেলা ফুটবল ক্লাবক ৭-০ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। খেলৰ প্ৰথমাৰ্ধত বৰভেটা স্পৰ্টছ ক্লাবে ৫-০ গ'লত অগ্ৰগতি লাভ কৰে। আজিৰ খেলত বিধি-নিষিদ্ধ ভাবে খেলা বাবে বৰভেটা স্পৰ্টছ ক্লাবৰ চিন্ময় মেছক ৰঙা কাৰ্ড দি খেল পথাৰৰ পৰা বাহিৰ কৰি দিয়ে। খেলখন পৰিচালনা কৰে সুমন্ত দত্তই। আনহাতে, লাইনত থাকে পৱন পাঠক আৰু বিমান বুঢ়াগোহাঁই। চতুৰ্থ ৰেফাৰী বিনোজ গগৈ। চলিত এ ডিভিজন ফুটবল লীগৰ কাইলৈৰ খেলত যোৰহাট টাউন ক্লাবে খেলিব কেন্দ্ৰীয় ক্লাব টীয়কৰ বিৰুদ্ধে।

কামৰূপ পাঞ্জা

## সঞ্জু বৰুৱা নিলুফাৰ আহমেদৰ খিতাপ লাভ



**গুৱাহাটী, ১৮ জুলাই ঃ** সঞ্জু বৰুৱা আৰু নিলুফাৰ আহমেদে বিহদিয়াৰ পি এছ ফিটনেছত অনুষ্ঠিত ৪৪ সংখ্যক কামৰূপ জিলা পাঞ্জা প্ৰতিযোগিতাত চেম্পিয়ন অব দ্য চেম্পিয়ছৰ খিতাপ অৰ্জন কৰিছে। কালি অনুষ্ঠিত প্ৰতিযোগিতাত সঞ্জুৱে ছিনিয়ৰ পুৰুষ শাখাত আৰু নিলুফাৰে ছিনিয়ৰ মহিলাৰ শাখাত এই খিতাপ অৰ্জন কৰে। উল্লেখ্য যে ৯০ ৰো অধিক খেলুৱৈয়ে অংশ লোৱা এই প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰ প্ৰথম আৰু দ্বিতীয় স্থানপ্ৰাপ্তসকলে অহা ২২ আৰু ২৩ জুলাইত নগাঁৱত অনুষ্ঠিত হ'ব লগা ৪৪ সংখ্যক ৰাজ্যিক পাঞ্জা প্ৰতিযোগিতাত কামৰূপ জিলাক প্ৰতিনিধিত্ব কৰিব।

## অভিলেখ গঢ়ি বিশ্ব এথলেটিকছত কেৰিয়াৰৰ পঞ্চমটো সোণ শ্বেলীৰ

**ইউজিন, ১৮ জুলাই ঃ** জামাইকাৰ শ্বেলী এন ফ্ৰেজাৰ প্ৰাইছে চলিত বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ১০০ মিটাৰ দৌৰত পুনৰ সোণৰ পদক লাভ কৰি গৌৰৱময় কেৰিয়াৰৰ পঞ্চমটো খিতাপ দখলেৰে ইতিহাস ৰচনা কৰিছে। উল্লেখ্য যে ৩৫ বছৰীয়া মাতৃ ফ্ৰেজাৰ প্ৰাইছে ১০.৬৭ ছেকেণ্ডত লক্ষ্যত উপনিত হৈ চেম্পিয়নশ্বিপত শ্ৰেষ্ঠত্ব অৰ্জনৰে অভিলেখ গঢ়িবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে তেওঁ ২০০৯, ২০১৩, ২০১৫ আৰু ২০১৯ ৰ বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ১০০ মিটাৰ দৌৰত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, শ্বেৰিকা জেকচনে ব্যক্তিগত শ্ৰেষ্ঠ প্ৰদৰ্শন কৰি ১০.৭৩ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰে আৰু ৰূপৰ পদক দখল কৰাৰ বিপৰীতে চাৰিবাৰৰ অলিম্পিক স্প্ৰিণ্ট চেম্পিয়ন ইলেইন থম্পছন হেৰাহে ব্ৰঞ্জ স্ক্স১০.৮১ৰ দখল কৰে। কেৰিয়াৰৰ পঞ্চমটো খিতাপ দখলেৰে ইতিহাস ৰচনা কৰি ফ্ৰেজাৰ প্ৰাইছে কয় 'মোৰ সফলতাৰ আঁৰৰ ৰহস্যটো হ'ল মই এতিয়াও এজন প্ৰতিযোগী। মই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ভাল পাওঁ আৰু মই বিশ্বাস কৰোঁ যে ভগৱানে মোক এটা উপহাৰ দিছে।



নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ

## অম্লান গোষ্ঠী-উদয় সংঘৰ পইণ্ট অৰ্জন

**বেবেজীয়া ,১৮ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত অম্লান গোষ্ঠীয়ে ত্ৰিনয়ন গোষ্ঠীক ২-১ গ'লত আৰু উদয় সংঘই বড়মপুৰৰ নৱম অসম আৰক্ষী বাহিনীক ২-১ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। বিয়লি অনুষ্ঠিত প্ৰথমখন খেলত অম্লান গোষ্ঠীৰ হৈ ব্ৰজেন মুছাহাৰীয়ে দুটা গল দিয়াৰ বিপৰীতে ত্ৰিনয়ন গোষ্ঠীৰহৈ একমাত্ৰ গলটো দিয়ে প্ৰাঞ্জল ধৰে। অম্লান গোষ্ঠীৰ ব্ৰজেন মুছাহাৰী শ্ৰেষ্ঠ খেলুৱৈৰূপে বিবেচিত এই খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে শৈলেন ভূঞা, শোণিত কুমাৰ বৰা আৰু কৃষ্ণকান্ত দাসে। আনহাতে, নৈশালোকৰ খেলখনত উদয় সংঘৰহৈ গল দুটা মহেশ পাটৰে দিয়াৰ বিপৰীতে আৰু নৱম অসম আৰক্ষী বাহিনীৰহৈ প্ৰান্তু বড়োয়ে একমাত্ৰ গলটো দিয়ে। নগাঁও ক্ৰীড়া সংস্থাৰ স্বীকৃত প্ৰথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ নৈশালোকৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী পবিত্ৰ বৰাক সহায় কৰে ৰয়েল ইছলাম,পাৰ্শজ্যোতি দাস আৰু অ'হিদুজ জামানে। এইখন খেলত উদয় সংঘৰ মহেশ পাটৰ শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।







ৰাষ্ট্ৰীয় কাবাডী প্ৰতিযোগিতালৈ ৰাওনা অসমৰ ল'ৰাৰ দল।

## সদৌ অসম থাই বক্সিং চেম্পিয়নশ্বিপৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**টংলা ,১৮ জুলাই ঃ** ওদালগুৰি জিলাৰ বৃহত্তৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ক্ৰীড়া নগৰী টংলাৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত যোৱা ১৫ ৰ পৰা ১৭ জুলাইলৈকে তিনিদিনীয়াকৈ অনুষ্ঠিত চতুৰ্থ সদৌ অসম থাই বক্সিং চেম্পিয়নশ্বিপৰ যোৱানিশা সফল সামৰণি পৰে। ওদালগুৰি জিলা থাই বক্সিং সন্থাই আয়োজন কৰা সদৌ অসম ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাত অসমৰ ২১ খন জিলাৰ পৰা প্ৰায় তিনি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পুৰুষ-মহিলাৰ উভয়ৰে মাজত অনুষ্ঠিত হোৱা ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ ইভেণ্টৰ খেলত



সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পুৰস্কাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰাৰ পিছতে নিশা সাংস্কৃতিক অনুষ্ঠানত মানসী চহৰীয়াই গীতৰ শৰাই আগবঢ়ায়। থাই বক্সিং সন্থা ,অসমৰ সভাপতি নৰেন চন্দ্ৰ বসুমতাৰী, কাৰ্যকৰী সভাপতি খৰ্গেশ্বৰ বৰা,সম্পাদক ৰিতুমনি ৰাভা ,থাই বক্সিঙং সন্থা ,অসমৰ অধ্যক্ষ দিঠকানন্দ হাজৰিকা ,বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, উদযাপন সমিতিৰ সভাপতি প্ৰফুল্ল ৰাভা ,ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক তথা বিশিষ্ট নাট্যযোদ্ধা পবিত্ৰ ৰাভা উপস্থিত থকা সামৰণি অনুষ্ঠানত আন্তৰ্জাতিক কাবাদী ৰেফাৰী নমল ৰাভা ,সদৌ অসম থাই বক্সিং সন্থা অসমৰ সম্পাদক ৰিতুমনি ৰাভাইয়ো পদক বিতৰণ কৰে।

